www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আপোনাৰ জীৱনৰ দুটি সৰ্বাধিক গুৰুত্বপূৰ্ণ দিন হৈছে আপুনি জন্মগ্ৰহণ কৰা দিন আৰু মৃত্যুৰ দিন। — মাৰ্ক টৱেন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰহতে বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বার্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ৩৩২ | শনিবাৰ | ১০ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 332 | Saturday | 10th October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

কামাখ্যা ৰে'ল ষ্টেচনত ৫৭জন সন্দেহযুক্ত বাংলাদেশী আটক

অসম বার্তা, অনলাইন ডেস্ক, ৯ অক্টোবৰ ঃ অসমৰ কামাখ্যা ৰে'ল ষ্টেচনত অভিযান চলাই বাংলাদেশী নাগৰিক বুলি সন্দেহ কৰা ৫৭জন লোকক আটক কৰিছে ৰে'লৰে সুৰক্ষা বাহিনীয়ে (RPF)। ব্ৰহ্মপুত্ৰ মেইল ৰে'লযনত যাত্ৰা কৰি থকা অৱস্থাত লোককেইজনক আটক কৰা হয়। তেওঁলোক জম্মু-কাশ্মীৰৰ ❑ ৬ পৃষ্ঠাত

যন্ত্ৰ-মন্ত্ৰৰত ১০ অক্টোবৰৰ প্ৰতিবাদৰ অনুমতি নাকচ

'ইউনিফৰ্ম, মতামত আৰু মতবিৰোধৰ ঊৰ্ধ্বত আমি প্ৰথমে মানুহ'

নেশ্যনেল ডেস্ক, অসম বার্তা, ৯ অক্টোবৰ ঃ যন্ত্ৰ-মন্ত্ৰৰত CJPয়ে ১০ অক্টোবৰত কৰিবলগীয়া প্ৰতিবাদৰ লৈ দিল্লীত তৎপৰতা বৃদ্ধি পাইছে। এই প্ৰতিবাদৰ বাবে দিল্লী আৰক্ষীয়ে অনুমতি প্ৰদান কৰা নাই। ইয়াৰ মাজতে শুক্ৰবাৰে নাগৰিকসকলৰ উদ্দেশ্যে এখন মুকলি চিঠি প্ৰকাশ কৰি দিল্লী আৰক্ষীয়ে বিশেষ বার্তা দিয়ে। ছ'চিয়েল মিডিয়াত❑ ৭ পৃষ্ঠাত

আজমলৰ AIUDFৰ উত্থান; তৃতীয় স্থানত কংগ্ৰেছ

কংগ্ৰেছৰ দুৰ্গ দখল বিজেপিৰ



বিজয়ী দেৱাশিস শৰ্মা আৰু দলীয় কার্যকর্তালৈ শুভেচ্ছা

১,৪০,২০৯টা ভোটৰ ব্যৱধানত বিজয়ী দেৱাশিস শৰ্মা

অসম বার্তা, নগাঁও, ৯ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনত বৃহৎ ভোটৰ ব্যৱধানত জয়লাভ কৰিলে ভাৰতীয় জনতা পার্টিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই। নির্বাচনৰ চূড়ান্ত ফলাফল অনুসৰি, বিজেপি প্ৰাৰ্থীগৰাকীয়ে মুঠ ৭, ১০, ৬২২টা ভোট লাভ কৰি ৪৯.০৮ শতাংশ ভোট নিজৰ পক্ষলৈ আনিবলৈ সক্ষম হয়। ইয়াৰ বিপৰীতে, তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী অল ইণ্ডিয়া ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্টৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলে ৫,৭০,৪১৩টা ভোট লাভ কৰে। ফলত দেৱাশিস শৰ্মাই আজমলক ১,৪০,২০৯টা ভোটৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰাই ১,২৮,৭৪৩টা ভোট লাভ কৰি তৃতীয় স্থানত থাকে। তেওঁ লাভ কৰা ভোটৰ শতকৰা হাৰ ৮.৮৯ শতাংশ। আনহাতে, বদৰুদ্দিন আজমলে লাভ কৰে ৩৯.৩৯ শতাংশ ভোট। নির্বাচনৰ ফলাফলত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাই এই বৃহৎ জয়ক লৈ ৰাজনৈতিক ❑ ৬ পৃষ্ঠাত

'Love you, Nagaon'; নগাঁওবাসীক ধন্যবাদ মুখ্যমন্ত্ৰীৰ

নিউজ ডেস্ক, অসম বার্তা, ৯ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনত বিজেপিয়ে নির্ণায়ক বিজয় লাভ কৰাৰ পিছত মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই নিজৰ এক্স হেণ্ডেলত এখন বিশেষ ফটো শ্বেয়াৰ কৰি লিখিছে-'Love you, Nagaon'। এই সংক্ষিপ্ত অথচ আন্তৰিক বার্তাৰ জৰিয়তে তেওঁ নগাঁওবাসীক ধন্যবাদ জ্ঞাপন কৰিছে। প্ৰসংগত উল্লেখ্য, চাবিটাকৈ কার্যকাল বিজেপিৰ দখলত থকা ❑ ৬ পৃষ্ঠাত

তদন্তত সহায়ৰ বাবে অসম আৰক্ষীৰ শীৰ্ষ বিষয়াক অন্ধ্ৰপ্ৰদেশলৈ প্ৰেৰণ

হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুক লৈ কেন্দ্ৰীয় ৰে'লমন্ত্ৰী আৰু অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰীলৈ ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ পত্ৰ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ অক্টোবৰ ঃ গুৱাহাটী মহানগৰীৰ চপাইদঙৰ বিশ বছৰীয়া যুৱতী হিমাশ্ৰী বড়োৰ অন্ধ্ৰপ্ৰদেশত সংঘটিত বহস্যজনক মৃত্যুৰে সমগ্ৰ ৰাজ্যতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই কৰুণ ঘটনাক লৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰব গগৈয়ে তদন্তৰ দাবীত সামাজিক মাধ্যমত মাত মতাৰ পিছতে অসমৰ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ডাঃ শৰ্মাই যুৱতীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণবলৈ এক পত্ৰ প্ৰেৰণ কৰিছে। লগতে অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবুনাইডুলৈও পত্ৰ প্ৰেৰণ কৰি ঘটনাটোৰ যথাযথ আৰু নিষ্ঠাপূৰ্ণ তদন্তৰ দাবী জনাইছে। সামাজিক মাধ্যমত প্ৰকাশ পোৱা পত্ৰখনত মুখ্যমন্ত্ৰী ডাঃ শৰ্মাই উল্লেখ কৰিছে, "হিমাশ্ৰী বড়োৰ কৰুণ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰিছোঁ। শোকৰ এই সময়ত যুৱতীগৰাকীৰ পৰিয়াললৈ মোৰ আন্তৰিক সমবেদনা জনাইছোঁ। বিষয়টো সন্দৰ্ভত মই উচিত তদন্তৰ দাবীৰে কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণব ডাঙৰীয়াৰ লগতে অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুলৈ এক পত্ৰ প্ৰেৰণ কৰিছোঁ।" মুখ্যমন্ত্ৰীয়ে লগতে স্পষ্ট কৰি দিছে যে সমগ্ৰ ঘটনাটোৰ তদন্তৰ বাবে অসম আৰক্ষীৰ এগৰাকী শীৰ্ষ বিষয়াক দায়িত্ব দিয়া হৈছে। সেই বিষয়া অন্ধ্ৰপ্ৰদেশলৈ গৈ তাত আৰক্ষী বিভাগৰ সৈতে মিলি তদন্ত কার্যত সহায় কৰিব। মুখ্যমন্ত্ৰীৰ পোষ্টত উল্লেখ আছে, "অসমৰ জনসাধাৰণ যি ঠাইতে নাথাকক কিয়, অসমৰ জনসাধাৰণৰ সুৰক্ষা আমাৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ।" ❑ ৬ পৃষ্ঠাত

প্ৰতিবাদত অংশ লোৱাৰ পিছতে ধ্ৰুৱ ৰাথীৰ নাগৰিকত্ব-ভিছাক লৈ প্ৰশ্ন

বেংগালুৰুৰ ফ্ৰিডম পার্কত এছআইআৰ বিৰোধী প্ৰতিবাদত ধ্ৰুৱ ৰাথী



নেশ্যনেল ডেস্ক, অসম বার্তা, ৯ অক্টোবৰ ঃ বেংগালুৰুত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ (এছআইআৰ)ৰ বিৰুদ্ধে অনুষ্ঠিত প্ৰতিবাদত অংশ লোৱাৰ পিছতে ইউটিউবাৰ ধ্ৰুৱ ৰাথীৰ নাগৰিকত্ব আৰু ভিছাক লৈ প্ৰশ্ন উত্থাপন কৰিছে কৰ্ণাটকৰ প্ৰাক্তন আৰক্ষী আয়ুক্ত ভাস্কৰ ৰাৱে। ধ্ৰুৱ ৰাথীৰ নাগৰিকত্ব, ভিছা আৰু ভাৰতত থকাৰ অনুমতি সম্পৰ্কীয় তথ্য পৰীক্ষা কৰিবলৈ দাবী জনাই তেওঁ ❑ ৭ পৃষ্ঠাত

❑ ৰে'লত মহিলাৰ সুৰক্ষাক লৈও প্ৰশ্ন ❑

হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুত ৰে'লমন্ত্ৰীৰ হস্তক্ষেপ দাবী গৌৰৰ গগৈৰ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ অক্টোবৰ ঃ গুৱাহাটী মহানগৰীৰ ২০ বছৰীয়া যুৱতী হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ঘটনাত ন্যায়ৰ দাবী তুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা বিৰোধী নেতা গৌৰব গগৈয়ে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক হস্তক্ষেপ কৰি প্ৰকৃত সত্য পোহৰলৈ আনিবলৈ আহ্বান জনাইছে। গৌৰব গগৈয়ে সামাজিক মাধ্যম 'এক্স'ত এক পোষ্টৰ জৰিয়তে কয় যে ৬ অক্টোবৰত ২২৫০নং বিবেক এক্সপ্ৰেছৰে বিশাখাপট্টনমৰ পৰা গুৱাহাটীস্থিত ঘৰলৈ অকলশৰে আহি থকা অৱস্থাত অসমৰ এগৰাকী যুৱতী নিকদেশ হৈছিল। পিছদিনা অন্ধ্ৰপ্ৰদেশৰ ৰে'লপথৰ সমীপত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়। ❑ ৬ পৃষ্ঠাত

❑ মৃত্যু বার্ষিকীত 'অসম গৌৰৰ' ৰতন টাটাক সশ্ৰদ্ধ স্মৰণ মুখ্যমন্ত্ৰীৰ ❑

ৰতন টাটাই উত্তৰ-পূৰক মর্যাদা আৰু উচ্চাকাংক্ষা প্ৰদান কৰিলে ঃ মুখ্যমন্ত্ৰী

নিউজ ডেস্ক, অসম বার্তা, ৯ অক্টোবৰ ঃ দেশ তথা বিশ্বৰ প্ৰসিদ্ধ উদ্যোগপতি ৰতন টাটাৰ মৃত্যু বার্ষিকী উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই তেওঁক সশ্ৰদ্ধ স্মৰণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কৈছিল যে ৰতন টাটাই স্বাস্থ্য সেৱাৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলক মর্যাদা আৰু উদ্যোগৰ জৰিয়তে উচ্চাকাংক্ষা প্ৰদান কৰিছিল। 'অসম গৌৰৱ'ৰতন টাটাৰ মৃত্যুতিথিত মুখ্যমন্ত্ৰীয়ে তেওঁৰ সৈতে থকা স্মৃতি আৰু অসমৰ প্ৰতি তেওঁৰ অবদানৰ কথা ৰৱঙনি দি কয়। মুখ্যমন্ত্ৰী ❑ ৬ পৃষ্ঠাত



গুৱাহাটী উচ্চন্যায়ালয়ৰ ন্যায়াধীশ প্ৰাঞ্জল দাসৰ বিচাৰপীঠৰ নির্দেশ

জুবিন হত্যা গোচৰত জামিন লাভ অমৃতপ্ৰভা মহন্তৰ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ অক্টোবৰ ঃ জুবিন গার্গ হত্যা গোচৰৰ প্ৰথমগৰাকী অভিযুক্ত তথা গায়িকা-সহশিল্পী অমৃতপ্ৰভা মহন্তই শুক্ৰবাৰে জামিন লাভ কৰিছে। গুৱাহাটী উচ্চন্যায়ালয়ৰ ন্যায়াধীশ প্ৰাঞ্জল দাসৰ বিচাৰপীঠে তেওঁৰ জামিন আবেদন মঞ্জুৰ কৰে। ন্যায়ালয়ে দুজন জামিনদাৰ আৰু ৫০ হাজাৰ টকাৰ বণ্ড চৰ্তত জামিন মঞ্জুৰ কৰিছে। জানিব পৰা মতে, ২০২৫ চনৰ ৩ অক্টোবৰত অসম আৰক্ষীয়ে অমৃতপ্ৰভা মহন্তক গ্ৰেপ্তাৰ কৰিছিল। তেতিয়াৰ পৰা তেওঁ হাফলং উপ-কাৰাগাৰত কাৱাবন্দী হৈ আছিল। উচ্চন্যায়ালয়ত কেইবাদিন ধৰি চলা যুক্তি-তর্কৰ অন্তত তেওঁৰ জামিন আবেদনত ❑ ৭ পৃষ্ঠাত

দিছপুৰত মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কেবিনেট বৈঠক

মোদীৰ নেতৃত্বৰ প্ৰশংসাত অসম মন্ত্ৰীসভাঃ সেৱা, সমর্পণ আৰু ৰাষ্ট্ৰপ্ৰেমৰ আদর্শক শলাগ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ অক্টোবৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্ব, কর্মনিষ্ঠা, দুৰদর্শিতা আৰু ৰাষ্ট্ৰৰ প্ৰতি থকা অটল সমর্পণৰ ভূয়সী প্ৰশংসা কৰি অসম মন্ত্ৰীসভাই একাধিক প্ৰস্তাৱ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত কেবিনেট বৈঠকত এই সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়। বৈঠকত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশৰ যাত্ৰা, শাসনব্যৱস্থাৰ পৰিবর্তন আৰু জনজীৱনত তাৰ ❑ ৬ পৃষ্ঠাত

■ উচ্চতম ন্যায়ালয়ৰ নির্দেশ; সম্পূর্ণ বন্ধ নহ'ব মেট্ৰ' আৰু ৰে'ল সেৱা ■

পশ্চিমবংগৰ উপ-নির্বাচনত বিজেপিৰ বৃহৎ জয়


নন্দীগ্ৰাম, ৰেজিনগৰত বিৰোধী প্ৰাৰ্থীক বৃহৎ ভোটৰ ব্যৱধানত পৰাস্ত



নেশ্যনেল ডেস্ক, অসম বার্তা, ৯ অক্টোবৰ ঃ পশ্চিমবংগৰ উপ-নির্বাচনত দুটা সমষ্টিত বিজেপিয়ে বৃহৎ জয় লাভ কৰিছে। নন্দীগ্ৰাম আৰু ৰেজিনগৰত বিৰোধী প্ৰাৰ্থীক বৃহৎ ভোটব্যৱধানত পৰাস্ত কৰি বিজেপিয়ে নিজৰ শক্তি প্ৰদর্শন কৰিছে। ইয়াৰ ভিতৰত নন্দীগ্ৰামৰ ফলাফলে বিশেষভাৱে চর্চা লাভ কৰিছে। জানিব পৰা মতে, নন্দীগ্ৰাম সমষ্টিত মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ প্ৰয়াত ব্যক্তিগত সহায়ক ❑ ৬ পৃষ্ঠাত

চিজেপিৰ শনিবাৰৰ প্ৰতিবাদৰ প্ৰেক্ষাপটত দিল্লীত কটকটীয়া নিৰাপত্তা

নেশ্যনেল ডেস্ক, অসম বার্তা, ৯ অক্টোবৰ ঃ দেশৰ মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত আগন্তুক ১০ অক্টোবৰ অর্থাৎ শনিবাৰে চিজেপিয়ে দিল্লীত প্ৰতিবাদী কার্যসূচী ৰূপায়ণ কৰিব। এই কার্যসূচীক কেন্দ্ৰ কৰি নতুন দিল্লীত কটকটীয়া নিৰাপত্তা ব্যবস্থা গঢ়ি তোলা হৈছে। ইতিমধ্যে দিল্লী আৰক্ষীৰ মুখ্য কার্যালয়ত আইন-শৃংখলা পৰিস্থিতি সন্দর্ভত শীৰ্ষ বিষয়াসকলৰ এক ❑ ৬ পৃষ্ঠাত



তামিল মূলৰ আইনবিদগৰাকী দক্ষিণ আফ্ৰিকাৰ উচ্চ ন্যায়ালয়ৰ প্ৰথমগৰাকী অনা-শ্বেতাংগ মহিলা ন্যায়াধীশ

দক্ষিণ আফ্ৰিকাৰ নাভানেথেম নাভি পিল্লালৈ শান্তিৰ নোবেল বঁটা



নিউজ ডেস্ক, অসম বার্তা, ৯ অক্টোবৰ ঃ ২০২৬ চনৰ শান্তিৰ নোবেল বঁটাৰ ঘোষণা কৰা হৈছে। শান্তি আৰু আন্তৰাষ্ট্ৰীয় আইনৰ প্ৰসাৰৰ বাবে চলোৱা অক্লান্ত প্ৰচেষ্টাৰ বাবে দক্ষিণ আফ্ৰিকাৰ নাভানেথেম নাভি পিল্লাইক এই বঁটাৰ বাবে বাছনি কৰা হৈছে। জানিব পৰা মতে, নাভি পিল্লায়ে বাষ্ট্ৰৰ মুৰব্বীসকলক যুদ্ধ বা বিভিন্ন সংঘাতত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ অধিকাৰৰ বাবে জবাবদিহি কৰোৱা তথা সংঘর্ষপীড়িত লোকসকলৰ বাবে কাম কৰি আশাৰ বেঙুনি কঢ়িয়াই আনিছে। লগতে যুদ্ধ অপৰাধ, ❑ ৬ পৃষ্ঠাত

নৰেন্দ্ৰ মোদীৰ নামেৰে নামকৰণ হ'ব নয়দা-জেৰাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ

নেশ্যনেল ডেস্ক, অসম বার্তা, ৯ অক্টোবৰ ঃ উত্তৰ প্ৰদেশৰ জেৰাৰত অৱস্থিত নয়দা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰক এতিয়াৰে পৰা 'নৰেন্দ্ৰ মোদী আন্তঃৰাষ্ট্ৰীয়



বিমানবন্দৰ,নয়দা-জেৰাৰ'নামেৰে জনা যাব। শুক্ৰবাৰে উত্তৰ প্ৰদেশ কেবিনেটে এইনামকৰণৰ প্ৰস্তাৱত অনুমোদন জনায়। কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই ❑ ৭ পৃষ্ঠাত

পলাশবাৰীৰ হুদুমপুৰত ১ টকাত ৩ বিঘা ভূমি

লাভলীনাৰ বক্সিং একাডেমীৰ বাবে ৰাজ্যিক কেবিনেটৰ ভূমি আবণ্টন



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ অক্টোবৰ ঃ এছিয়ান গেমছত স্বর্ণ জয় কৰি অসমলৈ গৌৰব কঢ়িয়াই অনা তথা অলিম্পিক পদক বিজয়ী বক্সাৰ লাভলীনা ৰবগোহাঁইক ৰাজ্য চৰকাৰে এটাৰ পিছত আন এটা উপহাৰ দি আহিছে। ইতিমধ্যে তেওঁক পদোন্নতি আৰু ৫০ লাখ টকাৰ উপহাৰ দিয়াৰ পিছত এইবাৰ ৰাজ্য চৰকাৰে তেওঁৰ বক্সিং একাডেমীৰ বাবে ১ টকাত ৩ বিঘা ভূমি আবণ্টনৰ প্ৰস্তাৱত ❑ ৬ পৃষ্ঠাত

বিধায়ক ৰূপম ৰায়ৰ উপস্থিতিত বাওঁখুংগ্ৰী বিধানসভা সমষ্টিৰ দোতমাত অনুষ্ঠিত হ'ল সেৱা সংকল্প শিবিৰ

অসম বাৰ্তা, কোকৰাঝাৰৰ, ৯ অক্টোবৰ ঃ কোকৰাঝাৰ জিলা প্ৰশাসনৰ উদ্যোগত সেৱা সংকল্প অভিযান ৰ অধীনত বাওঁখুংগ্ৰী বিধানসভা সমষ্টিৰ দোতমা উন্নয়ন খণ্ডৰ অন্তৰ্গত দোতমা ইনড'ৰ ষ্টেডিয়ামত আজি পুৱা ১০ বজাৰ পৰা সেৱা সংকল্প শিবিৰ অনুষ্ঠিত হয়। চৰকাৰী সেৱা আৰু বিভিন্ন জনকল্যাণমূলক আঁচনিৰ সুবিধা সাধাৰণ ৰাইজৰ ওচৰলৈ সহজে লৈ যোৱাৰ উদ্দেশ্যেৰে আয়োজন কৰা এই শিবিৰত দোতমা অঞ্চলৰ ৰাইজে অংশগ্ৰহণ কৰে। 'Bringing Government Services Closer to You' শীৰ্ষক মূল উদ্দেশ্যৰে আয়োজন কৰা এই সেৱা সংকল্প শিবিৰত চৰকাৰী বিভিন্ন বিভাগৰ সেৱা, আঁচনি আৰু সুবিধাসমূহৰ বিষয়ে ৰাইজক অৱগত কৰাৰ লগতে প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়োৱাৰ ব্যৱস্থা কৰা হয়। চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰাৰ ক্ষেত্ৰত বহু সময়ত সাধাৰণ লোকসকলে প্ৰয়োজনীয় তথ্য, আবেদন প্ৰক্ৰিয়া অথবা সংশ্লিষ্ট বিভাগৰ সৈতে যোগাযোগৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়। এনে সমস্যা কিছু পৰিমাণে দূৰ কৰাৰ লক্ষ্যৰে একেখন ঠাইতে বিভিন্ন সেৱা আৰু সহায় আগবঢ়োৱাৰ ব্যৱস্থা কৰা হয়। বাওঁখুংগ্ৰী বিধানসভা সমষ্টিৰ সমূহ ৰাইজৰ সুবিধাৰ্থে অনুষ্ঠিত এই শিবিৰত চৰকাৰী আঁচনিৰ সুবিধা লাভৰ বাবে নামভৰ্তি আৰু আবেদন, বিভিন্ন সেৱাৰ বিষয়ে সজাগতা আৰু পৰামৰ্শ, লগতে স্থানীয় পৰ্যায়ত প্ৰয়োজনীয় সহায়-সহযোগিতা লাভ কৰাৰ সুযোগ সৃষ্টি কৰা হয়। শিবিৰটোৰ জৰিয়তে ৰাইজে চৰকাৰী আঁচনি আৰু সেৱাসমূহৰ বিষয়ে অধিক স্পষ্টভাৱে জানিবলৈ সুবিধা লাভ কৰে। সেৱা সংকল্প অভিযানৰ অন্যতম গুৰুত্বপূৰ্ণ লক্ষ্য হৈছে চৰকাৰী সেৱাসমূহ কেৱল কাৰ্যালয়কেন্দ্ৰিক কৰি নাৰাখি সেই সেৱাসমূহ ৰাইজৰ ওচৰলৈ লৈ যোৱা। সেই উদ্দেশ্যৰ সৈতে সংগতি ৰাখি দোতমাত আয়োজন কৰা শিবিৰটোৱে স্থানীয় ৰাইজৰ বাবে এক গুৰুত্বপূৰ্ণ সুযোগ হিচাপে পৰিগণিত হয়। বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে জানিবলৈ আগ্ৰহী লোকসকলে শিবিৰত উপস্থিত হৈ সংশ্লিষ্ট সেৱা আৰু সুবিধাসমূহৰ বিষয়ে তথ্য লাভ কৰে। উল্লেখযোগ্য যে কোকৰাঝাৰ জিলাত সেৱা সংকল্প অভিযানৰ অধীনত বিভিন্ন ব্লক আৰু ULB পৰ্যায়ত এনে শিবিৰ আয়োজন কৰা হৈছে। এই অভিযানৰ মূল লক্ষ্য হৈছে চৰকাৰী সেৱা আৰু জনকল্যাণমূলক আঁচনিসমূহৰ সুবিধা যোগ্য হিতাধিকাৰীৰ ওচৰলৈ অধিক সহজ আৰু সুলভভাৱে লৈ যোৱা। দোতমাৰ শিবিৰটোও এই বৃহৎ কাৰ্যসূচীৰ অংশ হিচাপে অনুষ্ঠিত হয়। শিবিৰত উপস্থিত ৰাইজক চৰকাৰী আঁচনিৰ বাবে প্ৰয়োজনীয় আবেদন প্ৰক্ৰিয়া, সুবিধা লাভৰ পদ্ধতি আৰু সংশ্লিষ্ট সেৱাসমূহৰ বিষয়ে দিহা-পৰামৰ্শ প্ৰদান কৰা হয়। বহু ক্ষেত্ৰত চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰাৰ যোগ্যতা থাকিলেও তথ্যৰ অভাৱৰ বাবে লোকসকলে আবেদন কৰিব নোৱাৰে। এনে পৰিস্থিতিত সজাগতা আৰু সহায়কেন্দ্ৰিক শিবিৰৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়। দোতমাৰ এই শিবিৰত চৰকাৰী সেৱা লাভৰ ক্ষেত্ৰত ৰাইজৰ সুবিধাক বিশেষ গুৰুত্ব দিয়া হয়। একেখন ঠাইতে বিভিন্ন বিষয়ৰ তথ্য আৰু সহায় লাভ কৰাৰ সুযোগ সৃষ্টি হোৱাত ৰাইজৰ সময় আৰু পৰিশ্ৰম দুয়োটাই ৰাহি হয়। বিশেষকৈ গ্ৰামাঞ্চলৰ লোকসকলৰ বাবে চৰকাৰী বিভাগসমূহৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰি প্ৰয়োজনীয় তথ্য লাভ কৰাৰ এনে সুযোগ যথেষ্ট সহায়ক বুলি বিবেচিত হৈছে। সেৱা সংকল্প অভিযানৰ জৰিয়তে চৰকাৰী আঁচনিৰ সুবিধা অধিক লোকৰ মাজলৈ লৈ যোৱাৰ লগতে ৰাইজৰ মাজত চৰকাৰী সেৱাৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। ৰাইজে যাতে নিজৰ অধিকাৰ আৰু উপলব্ধ চৰকাৰী সুবিধাসমূহৰ বিষয়ে জানিব পাৰে আৰু প্ৰয়োজন অনুসৰি সেই সুবিধাসমূহৰ বাবে আবেদন কৰিব পাৰে, তাৰ বাবে এনে শিবিৰৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসনৰ এই পদক্ষেপে চৰকাৰ আৰু সাধাৰণ ৰাইজৰ মাজত যোগাযোগ অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰতো সহায় কৰিব বুলি আশা কৰা হৈছে। চৰকাৰী আঁচনিৰ সুবিধা লাভৰ বাবে কোনো ধৰণৰ বিভ্ৰান্তি বা অসুবিধাৰ সন্মুখীন হোৱা লোকসকলে সংশ্লিষ্ট বিভাগৰ পৰা প্ৰয়োজনীয় পৰামৰ্শ লাভ কৰাৰ সুযোগ পোৱাটো এই অভিযানৰ অন্যতম ইতিবাচক দিশ। সামগ্ৰিকভাৱে, দোতমাত অনুষ্ঠিত সেৱা সংকল্প শিবিৰে চৰকাৰী সেৱা আৰু জনকল্যাণমূলক আঁচনিৰ সুবিধা সাধাৰণ ৰাইজৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে। চৰকাৰী সেৱা অধিক সহজ, সুলভ আৰু জনমুখী কৰাৰ উদ্দেশ্যেৰে আয়োজন কৰা এইধৰণৰ শিবিৰে আগন্তুক দিনতো ৰাইজক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

তৃণমূল পৰ্যায়ত যক্ষ্মা নিৰ্মূল অভিযান শক্তিশালী কৰাৰ লক্ষ্যৰে কামৰূপত জিলা পৰ্যায়ৰ JOSH দলৰ শুভাৰম্ভ

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ যক্ষ্মা নিৰ্মূলৰ বাবে চলি থকা অভিযানক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে বৃহস্পতিবাৰে কামৰূপ জিলাত যুৱ-শক্তিৰ নেতৃত্বত JOSH (Joint Squad for Health) — TB Mukt Bharat Teamৰ জিলা পৰ্যায়ৰ শুভাৰম্ভ কৰা হয়। অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) মনিকা বৰগোহাঁইৰ সভাপতিত্বত কামৰূপ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠানটো অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ অংশ হিচাপে যক্ষ্মা মুক্ত পঞ্চায়ত সমূহক তৃণমূল পৰ্যায়ত যক্ষ্মা প্ৰতিৰোধ আৰু নিৰ্মূলৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে এক জিলা পৰ্যায়ৰ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। যক্ষ্মা সম্পৰ্কীয় সজাগতা বৃদ্ধি, জনসাধাৰণৰ অংশগ্ৰহণ আৰু বিভিন্ন যক্ষ্মা-সম্পৰ্কীয় কাৰ্যকলাপ শক্তিশালী কৰাত আগবঢ়োৱা অৱদানৰ স্বীকৃতি হিচাপে সংশ্লিষ্ট গাঁও পঞ্চায়তসমূহৰ সভাপতি আৰু সচিবসকলক প্ৰমাণপত্ৰ আৰু গছপুলি প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। JOSH উদ্যোগৰ অধীনত প্ৰতিটো দলত এগৰাকী শ্ৰেণী-I ন'ডেল বিষয়া, পাঁচগৰাকী মাই ভাৰত ভলেণ্টিয়াৰ্ছ আৰু পাঁচগৰাকী NCC Cadet থাকিব। এই দলসমূহে জনসাধাৰণৰ মাজত যক্ষ্মা সম্পৰ্কীয় সজাগতা বৃদ্ধি, নিয়মীয়া পৰ্যালোচনা, সহায়ক তদাৰকী, সমন্বয় আৰু যোগাযোগ স্থাপনৰ লগতে যক্ষ্মা প্ৰতিৰোধ, আগতীয়া চিনাক্তকৰণ, চিকিৎসা আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিব। কামৰূপ জিলাত যক্ষ্মা নিৰ্মূলৰ বাবে অধিক শক্তিশালী সম্প্ৰদায়ভিত্তিক সঁহাৰি ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত JOSH দলৰ শুভাৰম্ভ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। যুৱসমাজৰ শক্তি আৰু তৃণমূল পৰ্যায়ৰ প্ৰতিষ্ঠানসমূহৰ বিস্তৃত যোগাযোগ ব্যৱস্থাক ব্যৱহাৰ কৰি স্বাস্থ্য বিভাগৰ বিষয়া, যুৱ স্বেচ্ছাসেৱক, NCC কেডেট আৰু স্থানীয় জনসাধাৰণৰ মাজত অধিক সমন্বয় স্থাপনৰ জৰিয়তে যক্ষ্মা মুক্ত ভাৰত অভিযানৰ লক্ষ্যত উপনীত হোৱাৰ বাবে জনসাধাৰণৰ অংশগ্ৰহণ আৰু সামূহিক প্ৰচেষ্টা অধিক গভীৰ কৰাৰ লক্ষ্য লোৱা হৈছে। অনুষ্ঠানত সহকাৰী আয়ুক্ত হৃষিৰাজ দাস আৰু দীপশিখা দলে, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, জিলা যুৱ বিষয়া, মাই ভাৰত ভলেণ্টিয়াৰ্ছ, এনচিচি আৰু যুৱ বিষয়া, বিভিন্ন গাঁও পঞ্চায়তৰ সভাপতি আৰু সচিব তথা স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।



মাজুলীত দাৰে আক্ৰমণ কৰি যুৱকক আহত

অভিযুক্ত পলাতক, আৰক্ষীৰ তদন্ত অব্যাহত

অসম বাৰ্তা, উজনী মাজুলী, ৯ অক্টোবৰ ঃ মাজুলীৰ ফুলনি আৰক্ষী চকীৰ অন্তৰ্গত বাঘৰ গাঁৱত বুধবাৰে সংঘটিত হোৱা এক দাৰে আক্ৰমণৰ ঘটনাত বগাই হাজৰিকা নামৰ এজন যুৱক গুৰুতৰভাৱে আহত হয়। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ফুচাই দাস নামৰ এজন ব্যক্তিয়ে দাৰে আক্ৰমণ কৰি বগাই হাজৰিকাক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কৰে। ঘটনাৰ পিছতে স্থানীয় লোকে আহত যুৱকজনক ততাতৈয়াকৈ গড়মূৰৰ পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ত ভৰ্তি কৰায়। বৰ্তমান তেওঁ চিকিৎসাধীন হৈ আছে। ইফালে, আক্ৰমণ সংঘটিত কৰাৰ পিছতে অভিযুক্ত ফুচাই দাস ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আৰক্ষীৰ সূত্ৰে জানিব পৰা মতে, অভিযুক্ত বৰ্তমানেও পলাতক অৱস্থাত আছে। ঘটনাৰ আঁৰৰ কাৰণ এতিয়াও স্পষ্ট হোৱা নাই যদিও ঘটনা সন্দৰ্ভত ফুলনি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। পলাতক অভিযুক্তক আটক কৰিবলৈ আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে ঘটনাৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

তুলসী ৰাম কলিতা সোঁৱৰণী ফুটবলত মণিপুৰ চেম্পিয়ন

ৰাণাৰ্ছ আপ মহাৰাণা এফ.চি.

অসম বাৰ্তা, ছয়গাঁও, ৯ অক্টোবৰ ঃ ছয়গাঁও মিনি ষ্টেডিয়ামত যোৱা ২৭ ছেপ্টেম্বৰৰ পৰা চলি থকা তুলসী ৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। অজস্ৰ ক্ৰীড়াপ্ৰেমীৰ উপস্থিতিত অনুষ্ঠিত হোৱা উত্তেজনাপূৰ্ণ প্ৰতিযোগিতাখনৰ আজি ফাইনেল খেলত তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াৱ মহাৰাণা এফ চি বনাম মণিপুৰৰ ফুটবল ফ'ৰ চেঞ্জৰ মাজত। খেলৰ শুভাৰম্ভ কৰে তুলসী ৰাম কলিতাৰ পুত্ৰ তথা দাতা, প্ৰাক্তন মন্ত্ৰী ডাঃ কমালাকান্ত কলিতাই। খেলৰ আৰম্ভণিতে বাৰেবৰণীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। আৰম্ভণিৰ পৰাই দুয়োটা দলে আক্ৰমণাত্মক আৰু প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেল এখন প্ৰদৰ্শন কৰি সমগ্ৰ খেলখন উপভোগ্য কৰি তুলিছে। শেষত ১-০ গলৰ ব্যৱধানত মহাৰাণা এফ চি মণিপুৰৰ ফুটবল ফ'ৰ চেঞ্জৰ হাতত পৰাস্ত হয়। খেলৰ অন্তত ক্ৰীড়া সন্থাৰ সভাপতি তথা অধ্যাপক ধীৰেন দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত চেম্পিয়ন হিচাপে মণিপুৰৰ ফুটবল ফ'ৰ চেঞ্জে ১ লাখ টকা আৰু ট্ৰফী লাভ কৰে। তাৰ পিছতে মহাৰাণা এফ চিয়ে ৰাণাৰ্ছ আপ খিতাপ অৰ্জন কৰি ৫০ হাজাৰ টকা আৰু ট্ৰফী লাভ কৰিবলৈ সক্ষম হয়। প্ৰাক্তন আছু নেতা দেৱজিৎ গোস্বামীয়ে পৰিচালনা কৰা সভাখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে মণিপুৰৰ চেই গলেনে। শ্ৰেষ্ঠ গলদাতাৰ বঁটা লাভ কৰে মহাৰাণাৰ নং দাম্বাই। শ্ৰেষ্ঠ গলকিপাৰৰ বঁটা কৰে মহাৰাণা ফুটবল ক্লাবৰ চৰিফে। আজিৰ খেলত উপস্থিত আছিল ছয়গাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দুৱৰা, গৰৈমাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মমিন আৱাল, বিজেপি নেতা ধীৰাজ ঠাকুৰীয়া, ৰাভা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতা প্ৰদীপ ৰাভা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি।



তুলসীবিলত ভাৰতীয় গণতন্ত্ৰৰ 'ক'লা দিৱস' পালন

কংগ্ৰেছৰ উদ্যোগত প্ৰতিবাদী ৰেলী, মোদী-জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে শ্লোগান



অসম বাৰ্তা, গোসাঁইগাঁও, ৯ অক্টোবৰ ঃ সমগ্ৰ দেশৰ লগতে কোকৰাঝাৰ জিলাৰ তুলসীবিলতো আজি ভাৰতীয় গণতন্ত্ৰৰ 'ক'লা দিৱস' পালন কৰি প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰে কোকৰাঝাৰ জিলা কংগ্ৰেছ কমিটীয়ে। কচুগাঁও আৰু গুমা ব্লক কংগ্ৰেছ কমিটীৰ সহযোগত আজি আবেলি ৪ঃ৩০ বজাত এই প্ৰতিবাদী কাৰ্য্যসূচী অনুষ্ঠিত হয়। তুলসীবিলস্থিত কচুগাঁও ব্লক কংগ্ৰেছ কমিটীৰ কাৰ্যালয়ৰ পৰা প্ৰতিবাদী ৰেলী আৰম্ভ হৈ তুলসীবিল বজাৰৰ বিভিন্ন অঞ্চল পৰিক্ৰমা কৰি পুনৰ কচুগাঁও ব্লক কংগ্ৰেছ কাৰ্যালয়ত সমাপ্ত হয়। ৰেলীত অংশগ্ৰহণকাৰীসকলে 'নৰেন্দ্ৰ মোদী গ' বেক', 'জ্ঞানেশ কুমাৰ গ' বেক' আদি বিভিন্ন শ্লোগানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্য্যসূচীত কোকৰাঝাৰ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি সুনীল নাৰ্জাৰী, এছ টি বিভাগ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আহ্বায়ক বীৰখাং বড়ো, কচুগাঁও আৰু গুমা ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি-সম্পাদকৰ লগতে ব্লক পৰ্যায়ৰ বহু সংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে। প্ৰতিবাদী কাৰ্য্যসূচীত বক্তব্য ৰাখি কোকৰাঝাৰ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি সুনীল নাৰ্জাৰীয়ে অভিযোগ কৰে যে যোৱা কালি ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীৰ সৈতে কৰা ব্যৱহাৰ বৰ্বৰ আৰু অমানৱীয় আছিল। তেওঁ কয় এই ঘটনাৰ প্ৰতিবাদতেই সমগ্ৰ দেশতে কংগ্ৰেছৰ উদ্যোগত 'ক'লা দিৱস' পালন কৰি প্ৰতিবাদ সাব্যস্ত কৰা হৈছে। কংগ্ৰেছ নেতৃত্বই ঘটনাটোক গণতান্ত্ৰিক অধিকাৰ আৰু গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত আঘাত বুলি অভিহিত কৰি ইয়াৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে প্ৰতিবাদ অব্যাহত ৰখাৰ হুংকাৰ দিয়ে।

হাউলীৰ কালঝাৰত ৮০০ গ্ৰাম গাঞ্জাসহ দুই সৰবৰাহকাৰী আটক

অসম বাৰ্তা, কুমুল্লী পাৰা, ৯ অক্টোবৰ ঃ বৰপেটা জিলাৰ হাউলী আৰক্ষী থানাৰ অন্তৰ্গত কালঝাৰত গাঞ্জা সৰবৰাহৰ অভিযোগত দুজন লোকক আটক কৰিবলৈ সক্ষম হৈছে হাউলী আৰক্ষী। ধৃত লোক দুজনক ৰিয়াজ আলী আৰু খেইমুদ্দিন বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, হাউলী আৰক্ষীয়ে অভিযান চলাই লোক দুজনৰ পৰা প্ৰায় ৮০০ গ্ৰাম গাঞ্জা উদ্ধাৰ কৰে। ইয়াৰ পিছতে আৰক্ষীয়ে দুয়োকে আটক কৰি ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। অৱশ্যে, গাঞ্জাখিনি ক'ৰ পৰা অনা হৈছিল আৰু ক'লৈ সৰবৰাহৰ পৰিকল্পনা কৰা হৈছিল, সেই সন্দৰ্ভত এতিয়াও সবিশেষ তথ্য জানিব পৰা হোৱা নাই। আৰক্ষীৰ তদন্তৰ পিছতহে ঘটনাটোৰ অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

বৰপেটা ৰোড FRUত চিকিৎসকৰ বৰ্বৰতা; নিশা হ'লেই সলনি হৈ পৰে চিকিৎসকৰ ৰূপ

অসম বাৰ্তা, বৰপেটাৰোড, ৯ অক্টোবৰ ঃ ৰাজ্যৰ স্বাস্থ্য খণ্ডক লৈ বাৰে বাৰে চৰকাৰে ডাঙৰ ডাঙৰ দাবী কৰি অহাৰ সময়তে বৰপেটা ৰোডৰ পৰা পোহৰলৈ আহিছে এক অমানৱীয় আৰু লজ্জাজনক ঘটনা। বৰপেটা ৰোডৰ চৰকাৰী প্ৰাথমিক চিকিৎসালয় (FRU) ত কৰ্মৰত এজন চিকিৎসকৰ গুণ্ডাৰাজ তথা আক্ৰমণাত্মক ৰূপে এতিয়া সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চিকিৎসালয়খনৰ চিকিৎসক প্ৰদীপ ৰাজবংশীয়ে নিশাৰ সময়ছোৱাত এক উগ্ৰ ৰূপ ধাৰণ কৰি এগৰাকী মহিলাক শাৰীৰিকভাৱে আক্ৰমণ কৰাৰ লগতে ভৰিৰে লঠিয়াই নিৰ্যাতন চলায়। মানৱীয়তাৰ সীমা উলংঘা কৰি এজন ৰক্ষক স্বৰূপ চিকিৎসকৰ দ্বাৰা সংঘটিত এই জঘন্য কাণ্ডই এতিয়া সাধাৰণ ৰাইজৰ মাজত ত্ৰাস আৰু ক্ষোভৰ সৃষ্টি কৰিছে। ইতিমধ্যে এই সমগ্ৰ ঘটনাৰ দৃশ্য ছচিয়েল মিডিয়াত ভাইৰেল হৈ পৰাৰ পিছতে সৰ্বত্ৰে তীব্ৰ ধিক্কাৰৰ জোৱাৰ উঠিছে। এজন দায়িত্বশীল চিকিৎসকে ৰোগী বা সাধাৰণ নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰাৰ পৰিৱৰ্তে এনে হিংসাত্মক কাৰ্যত লিপ্ত হোৱাটো অত্যন্ত উদ্বেগজনক বিষয় হৈ পৰিছে। ৰাইজ তথা সচেতন মহলে এই ঘটনাৰ উচিত আৰু কঠোৰ তদন্ত দাবী কৰাৰ লগতে লগে লগে অভিযুক্ত চিকিৎসকজনৰ বিৰুদ্ধে বিভাগীয় আৰু আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনৰ ওচৰত জোৰ দাবী জনাইছে।

সমীৰ তাঁতীক ১৩ অক্টোবৰত 'জাতীয় কবি সন্মান' প্ৰদান কৰিব অসম সাহিত্য সভাই

অসম বাৰ্তা, নুমলীগড়, ৯ অক্টোবৰ ঃ বিশিষ্ট কবি তথা সাহিত্যিক সমীৰ তাঁতীক অসম সাহিত্য সভাৰ 'জাতীয় কবি সন্মান' প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ অনুমোদন আৰু কাৰ্যকৰী সভাৰ অনুমতি সাপেক্ষে সভাৰ সভাপতিয়ে অহা ১৩ অক্টোবৰ তাৰিখে কবিগৰাকীক এই সন্মান আনুষ্ঠানিকভাৱে প্ৰদান কৰিব। উল্লেখ্য যে, সমীৰ তাঁতী অসমৰ আধুনিক কবিতাৰ এগৰাকী উল্লেখযোগ্য কণ্ঠ। তেওঁৰ সাহিত্যকৃতিৰ স্বীকৃতি হিচাপে 'ফৰিংবোৰে বাটৰ কথা জানে' কাব্যগ্ৰন্থৰ বাবে তেওঁ ২০২৪ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা লাভ কৰে। সাহিত্য অকাডেমীৰ চৰকাৰী তালিকাতো ২০২৪ চনৰ অসমীয়া ভাষাৰ বঁটাপ্ৰাপক হিচাপে সমীৰ তাঁতীৰ নাম আৰু উক্ত কাব্যগ্ৰন্থখনৰ নাম উল্লেখ আছে। ১৯৫৫ চনৰ ৬ ফেব্ৰুৱাৰীত গোলাঘাট জিলাৰ বিহৰা চাহ বাগিচাত জন্মগ্ৰহণ কৰা সমীৰ তাঁতীয়ে ১৯৭৯ চনত 'নাগৰিক' কাকতত কবিতা প্ৰকাশৰ জৰিয়তে সাহিত্যিক যাত্ৰা আৰম্ভ কৰে। পৰৱৰ্তী সময়ত কবিতা, গদ্য, অনুবাদ আৰু সম্পাদনাৰ ক্ষেত্ৰত তেওঁ উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। তেওঁৰ প্ৰকাশিত কবিতাপুথিৰ ভিতৰত 'যুদ্ধভূমিৰ কবিতা', 'শোকাকুল উপত্যকা', 'সময় শব্দ সপোন', 'কদম ফুলাৰ ৰাতি' আদি উল্লেখযোগ্য। সাহিত্য অকাডেমীৰ প্ৰকাশিত পৰিচয় অনুসৰি, সমীৰ তাঁতীৰ কবিতাত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতি, সমাজ, ৰাজনৈতিক উত্থান-পতন, বিভিন্ন জনগোষ্ঠীৰ বৈচিত্ৰ্য আৰু মানুহৰ জীৱন-অনুভৱৰ প্ৰতিফলন ঘটিছে। 'ফৰিংবোৰে বাটৰ কথা জানে' কাব্যগ্ৰন্থখনত সন্নিৱিষ্ট ৪২টা কবিতাই উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ-জীৱন আৰু সমকালীন বাস্তৱতাৰ বিভিন্ন দিশ স্পৰ্শ কৰিছে। ইয়াৰ পূৰ্বেও সমীৰ তাঁতীয়ে কেইবাটাও উল্লেখযোগ্য সাহিত্যিক সন্মান লাভ কৰিছে। ২০১২ চনত তেওঁ অসম উপত্যকা সাহিত্য বঁটা লাভ কৰাৰ লগতে ছগনলাল জৈন সাহিত্য বঁটাৰেও সন্মানিত হৈছিল। ২০১৭ চনত তেওঁ পদ্মনাথ বিদ্যাবিনোদ স্মাৰক সাহিত্য বঁটাৰো প্ৰাপক হয়। অসম সাহিত্য সভাই বিভিন্ন সময়ত ৰাজ্যৰ ভাষা, সাহিত্য আৰু জাতীয় জীৱনলৈ অসামান্য অৱদান আগবঢ়োৱা সাহিত্যিকসকলক বিভিন্ন সন্মানেৰে সন্মানিত কৰি আহিছে। ২০২৫ চনতো সভাই 'সদস্য মহীয়ান', 'সাহিত্যাচাৰ্য' আৰু 'জাতীয় কবি' সন্মান প্ৰদান কৰিছিল; সেই অনুষ্ঠানত বিশিষ্ট কবি আনিছ উজ জামানক 'জাতীয় কবি' সন্মান আগবঢ়োৱা হৈছিল। এই পৰিপ্ৰেক্ষিতত সমীৰ তাঁতীক 'জাতীয় কবি সন্মান' প্ৰদানৰ সিদ্ধান্ত বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। বিশেষকৈ সাহিত্য অকাডেমী বঁটাৰে ইতিমধ্যে ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰা কবিগৰাকীক অসম সাহিত্য সভাৰ এই সন্মানে অসমীয়া কবিতাৰ ক্ষেত্ৰত তেওঁৰ দীৰ্ঘদিনীয়া অৱদানক ৰাজ্যৰ অন্যতম প্ৰধান সাহিত্যিক প্ৰতিষ্ঠানৰ আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰাৰ তাৎপৰ্য বহন কৰিছে। ১৩ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া সন্মান প্ৰদান অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতিৰ হাতেৰে কবি সমীৰ তাঁতীয়ে এই সন্মান গ্ৰহণ কৰিব। কৰ্ণধাৰ সমিতিৰ অনুমোদন আৰু কাৰ্যকৰী সভাৰ অনুমতি সাপেক্ষে এই সিদ্ধান্ত কাৰ্যকৰী কৰা হৈছে বুলি জানিব পৰা গৈছে।

আমগুৰিত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ জন্ম দিৱস উদযাপন

অসম বাৰ্তা, চেলেংহাট, ৯ অক্টোবৰ ঃ আমগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যালয় প্ৰাংগণত আজি অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক, জ্যেষ্ঠ ৰত্ন ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী দেৱৰ জন্ম দিৱস উদযাপন কৰে। কাৰ্যসূচীৰ আৰম্ভণিতে সন্মিলনৰ জ্যেষ্ঠ সদস্য বিপুল চন্দ্ৰ বৰঠাকুৰে বন্তি প্ৰজ্বলন কৰে। মুকলি সভাত সভাপতিত্ব কৰে আমগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ড° অনিল কুমাৰ গগৈয়ে। সভাৰ আঁত ধৰে সন্মিলনৰ সম্পাদক সুশীল কোঁৱৰে। সভাত আলোচক হিচাপে উপস্থিত থাকি আউনীআটীয় হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা সন্মিলনৰ সদস্য অমৰজ্যোতি বৰঠাকুৰে ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ জীৱন পৰিক্ৰমা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ সক্ৰিয়তাৰ বিষয়ে সুন্দৰ বক্তব্য ৰাখে। সন্মিলনৰ বিষয়ববীয়া সদস্যসকলৰ সম্পূৰ্ণ সহযোগত জন্ম দিৱসটি সফলভাৱে উদ্‌যাপন কৰা হয়।

মন্দিয়া আঞ্চলিক মহাবিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে ক্ষোভ ছাত্ৰ-ছাত্ৰী, সচেতন ৰাইজৰ

২২ বছৰেও নহ'ল 'নাক'ৰ পৰিদৰ্শন

অসম বাৰ্তা, মন্দিয়া, ৯ অক্টোবৰ ঃ বৰপেটা জিলাৰ মন্দিয়াত অৱস্থিত বৃহত্তৰ মন্দিয়া অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান মন্দিয়া আঞ্চলিক মহাবিদ্যালয়ক লৈ এইবাৰ উত্থাপন হৈছে একাধিক গুৰুত্বপূৰ্ণ অভিযোগ। সুদীৰ্ঘ সময় ধৰি মহাবিদ্যালয় খনত নাকৰ পৰিদৰ্শন নোহোৱাৰ লগতে আন্তঃগাঁথনি, শিক্ষক-কৰ্মচাৰী আৰু শৈক্ষিক পৰিৱেশকে ধৰি বিভিন্ন ক্ষেত্ৰত সমস্যা অব্যাহত থকাৰ অভিযোগ কৰিছে মন্দিয়াৰ সচেতন শিক্ষাপ্ৰেমী ৰাইজ আৰু ছাত্ৰ -ছাত্ৰী সকলে। উল্লেখ্য যে বৃহত্তৰ মন্দিয়া অঞ্চলৰ দূৰদৰ্শী গণ্য-মান্য ব্যক্তি আৰু শিক্ষানুৰাগী লোকসকলৰ আপ্ৰাণ প্ৰচেষ্টা তথা দান-বৰঙনিৰ জৰিয়তে ১৯৮১ চনৰ ৪ ছেপ্টেম্বৰত মন্দিয়া আঞ্চলিক মহাবিদ্যালয়খন স্থাপন কৰা হৈছিল। দীৰ্ঘদিন বেচৰকাৰীভাৱে পৰিচালিত হোৱাৰ পিছত অসমৰ তদানীন্তন বাঘবৰ সমষ্টিৰ বিধায়ক দিলদাৰ ৰেজ্জাৰ আপ্ৰাণ প্ৰচেষ্টাত মন্দিয়া আঞ্চলিক মহাবিদ্যালয়খন অসম চৰকাৰে প্ৰাদেশীকৰণ কৰে বুলি জানিব পৰা গৈছে। ইফালে মহাবিদ্যালয় খনৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে প্ৰয়াত মন্ত্ৰী দিলদাৰ ৰেজ্জা দায়িত্বত থকা সময়তে ২০০৩-২০০৪ শিক্ষাবৰ্ষত প্ৰথমবাৰৰ বাবে নাকৰ পৰিদৰ্শন অনুষ্ঠিত হৈছিল। কিন্তু প্ৰথমটো নাকৰ পৰিদৰ্শনৰ পিছত ইতিমধ্যে পাৰ হৈ গ'ল প্ৰায় ২২ বছৰ। অভিযোগ অনুসৰি, এই সুদীৰ্ঘ সময়ৰ পিছতো মন্দিয়া আঞ্চলিক মহাবিদ্যালয়খনত দ্বিতীয়বাৰৰ বাবে নাকৰ পৰিদৰ্শনৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি বা ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। বিষয়টোক লৈ মন্দিয়াৰ সচেতন ৰাইজৰ মাজত সৃষ্টি হৈছে অসন্তুষ্টি। ৰাইজৰ অভিযোগ অনুসৰি, নাকৰ পৰিদৰ্শনৰ দৰে গুৰুত্বপূৰ্ণ বিষয়টোক মহাবিদ্যালয় খনৰ বৰ্তমানৰ পৰিচালনা সমিতি আৰু অধ্যক্ষই গুৰুত্ব প্ৰদান কৰা নাই। নাকৰ পৰিদৰ্শনৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নয়ন, শৈক্ষিক পৰিৱেশ উন্নত কৰা, শিক্ষক-অধ্যাপকৰ সংখ্যা বৃদ্ধি কৰা, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ অভাৱ পূৰণ কৰাকে ধৰি বহু বিষয়ত গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে বুলি ৰাইজে মত প্ৰকাশ কৰিছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অনুপাতে অধ্যাপক-অধ্যাপিকাৰ অভাৱ, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ অভাৱ, আন্তঃগাঁথনিৰ অপৰ্যাপ্ততা আৰু শৈক্ষিক পৰিৱেশৰ অৱনতিৰ দৰে বিভিন্ন সমস্যাই মহাবিদ্যালয় খনৰ স্বাভাৱিক শৈক্ষিক পৰিৱেশত প্ৰভাৱ পেলাইছে বুলি অভিযোগ উঠিছে। ইয়াৰ মাজতে যোৱা ৯ জুনত শিক্ষক গোটৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাখনত মহাবিদ্যালয় খনৰ শৈক্ষিক পৰিৱেশ উন্নত কৰা আৰু বিভিন্ন সমস্যা সমাধানৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। পৰৱৰ্তী সময়ত এই প্ৰস্তাৱসমূহৰ আধাৰত মন্দিয়া আঞ্চলিক মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষক এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয় বুলিও জানিব পৰা গৈছে। মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ পূৰ্বৰ অৱস্থালৈ ঘূৰাই অনাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি নাকৰ পৰিদৰ্শনৰ বাবে শীঘ্ৰে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰাৰ দাবী জনাইছে মন্দিয়াৰ সচেতন ৰাইজে। বছৰ বছৰ ধৰি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ থকা মহাবিদ্যালয়খনৰ সমস্যাসমূহ চিনাক্ত কৰি পৰ্যায়ক্ৰমে সমাধান কৰাৰ লগতে নাকৰ পৰৱৰ্তী পৰিদৰ্শনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ দাবী। এতিয়া প্ৰশ্ন হৈছে- ২২ বছৰ পাৰ হৈ যোৱাৰ পিছতো কিয় মন্দিয়া আঞ্চলিক মহাবিদ্যালয়ত দ্বিতীয়বাৰৰ বাবে নাকৰ পৰিদৰ্শনৰ প্ৰক্ৰিয়া আগবঢ়া নাই? মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি আৰু শৈক্ষিক পৰিৱেশ উন্নয়নৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? এই বিষয়সমূহক লৈ এতিয়া মন্দিয়াৰ সচেতন মহলৰ মাজত চৰ্চা চলিছে। বৃহত্তৰ মন্দিয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ অন্যতম ভৰসাস্থলী হিচাপে পৰিচিত মন্দিয়া আঞ্চলিক মহাবিদ্যালয়খনৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰি গুণগত শিক্ষাৰ পৰিৱেশ পুনৰ গঢ়ি তোলাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু সংশ্লিষ্ট বিভাগৰ হস্তক্ষেপ বিচাৰিছে সচেতন ৰাইজ আৰু ছাত্ৰ-ছাত্ৰী সকলে।

দ্ৰুতগতিত চলিছে মাজুলী-যোৰহাট সংযোগী দলং নিৰ্মাণৰ কাম

নৱেম্বৰত দেখিবলৈ পাব দলঙৰ এটি ৰূপ



অসম বাৰ্তা, বনগাঁও, ৯ অক্টোবৰ ঃ ব্ৰহ্মপুত্ৰৰ ওপৰত মাজুলী আৰু যোৰহাটক সংযোগ কৰি আমাক এখন দলং লাগে। আমি আৰু কিমান সমস্যাৰ মাজত জীৱন নিৰ্ব্বাহ কৰিম। এইয়া আছিল মাজুলীবাসীৰ দাবী। মাজুলীলৈ যেতিয়া মুখ্যমন্ত্ৰী-সাংসদ যিয়েই নাহক তেতিয়াই প্ৰবল ভাৱে এই দাবী উথাপন কৰি আহিছিল মাজুলীৰ বিভিন্ন দল-সংগঠন তথা সত্ৰাধিকাৰ সকলে। আনকি দেশৰ ৰাজধানী দিল্লীত কেন্দ্ৰ চৰকাৰ বিভাগীয় মন্ত্ৰীক সত্ৰাধিকাৰ সহ প্ৰতিনিধি দ'লৈ সাক্ষাৎ কৰি মাজুলীবাসীৰ দীৰ্ঘদিনীয়া দাবীটি অৱগত কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত মাজুলী যোৰহাট সংযোগী এখনি দলং নিৰ্ম্মানৰ হেঁচা প্ৰয়োগ কৰি আহিছিল। মাজুলীবাসী আবেগ জৰ্জ্জড়িত দাবীৰ প্ৰতি বিশেষ সহাঁৰি জনায় শেহতীয়াকৈ ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা মাজুলী বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক সৰ্বানন্দ সোণোৱালৰ বলিষ্ঠ পদক্ষেপত মাজুলীবাসীৰ আশা পুৰণৰ পথ প্ৰসস্ত হয়। কেন্দ্ৰীয় চৰকাৰে দলং নিৰ্মাণত অনুমোদন ও পুঁজি মঞ্জুৰী দিয়ে। সেই অনুসৰি ২০২১ চনৰ নবেম্বৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মাই আনুষ্ঠানিকভাৱে মাজুলী দিশৰ ইতিহাস প্ৰসিদ্ধ দক্ষিণপাটত এখন বিশাল ৰাজহুৱা সভাত মাজুলী বাসীক সাক্ষী কৰি দলং খনিৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। ৪৮ মাহৰ ভিতৰত অৰ্থাৎ ২০২৫ চনত দলংৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ন হ'ব বুলি ৰাজহুৱা ভাৱে মুখ্যমন্ত্ৰী গৰাকীয়ে ঘোষনা কৰিছিল যদিও নিৰ্মাণ কাৰ্যত কেতবোৰ বিসংগতি, ঠিকাদাৰ গোষ্ঠীৰ মাজত মনোমালিন্য আদিৰ বাবে দলংৰ নিৰ্মাণ প্ৰায় বছৰ ধৰি আধাতে বন্ধ হৈ আছিল। মাজুলীবাসীৰ আৱেগ জড়িত দলংখনিৰ নিৰ্মাণ হঠাৎ বন্ধ হোৱাত আছুকে ধৰি মাজুলীৰ বিভিন্ন দল-সংগঠন, ৰাইজ জাঙুৰ খাই উঠিবলৈ বাধ্য হয়। তেনে পৰিপ্ৰেক্ষিতত স্থানীয় বিধায়ক ভুৱন গামৰ নেতৃত্বত এটি প্ৰতিনিধি দলে দিল্লীত ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহণ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰি দলংখনিৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে পুনৰ আৰম্ভ কৰাৰ দাবী জনায়। সকলো জল্পনা কল্পনা অন্ত পেলাই ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মাৰ বিশেষ প্ৰচেষ্টাত পুৰ্ব্বৰ ঠিকাদাৰক আতঁৰাই এচ পি ছিমলা নামৰ হাৰিয়ানাৰ এটি কনষ্ট্ৰাকশ্বন লিমিটেডক পুনৰ নিবিদাৰ যোগেদি দলং খনৰ নিৰ্ম্মানৰ দায়িত্ব অৰ্পন কৰে। দলংখনৰ ব্যয়ৰ পৰিমাণ পূৰ্ব্বৰ নিৰ্ধাৰিত ৯২৫.৪৭ কোটি টকাৰ পৰা ১০১৯.১৭ কোটি টকালৈও বৃদ্ধি কৰে। তেতিয়াৰ পৰা নতুন ঠিকাদাৰ গোষ্ঠীটিয়ে দুটা বছৰৰ ভিতৰত অৰ্থাৎ ২০২৭ চনৰ ডিচেম্বৰৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে ৰাষ্টীয় ঘাইপথ লোক নিৰ্মাণ বিভাগৰ বিশেষ তদাৰকত কাম আৰম্ভ কৰি আহিছে। অসম বিধান সভাৰ বাজেট অধিৱেশন কালত চৰকাৰে ২০২৭ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰে। নিৰ্ধাৰিত সময় সীমা ভিতৰত যাতে দলং খনি ৰাইজৰ সেৱাত উৎচৰ্গা কৰিব পাৰি তাৰ ওপৰত বিশেষ দৃষ্টি ৰাখি মাজুলীৰ বিধায়ক ভুৱন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে সঘনে নিৰ্মাণস্থলীত উপস্থিত হৈ কামৰ অগ্ৰগতিৰ বুজ লৈ থকা পৰিলক্ষিত। যোৰহাট দিশৰ হাতীশালৰ পৰা মাজুলীলৈ দলংখনিৰ মুঠ দৈৰ্ঘ্য নদীৰ ওপৰত মুঠ ৬.৮১২৫ কিলোমিটাৰ, প্ৰকল্পৰ মুঠ দৈৰ্ঘ্য ৮.০২৫.৫ কিলোমিটাৰ। চৰকাৰীভাৱে নিৰ্ধাৰণ কৰি দিয়া সময়সীমাৰ ভিতৰত অৰ্থাৎ ২০২৭ চনৰ ডিচেম্বৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে নিৰ্মাণকাৰী সন্থাই সম্প্ৰতি দিনে নিশাই দ্ৰুতগতিত নিৰ্মাণ কাৰ্য চলাই থকা পৰিলক্ষিত। নদীৰ দিশলৈ যাতায়তী সুবিধাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি নদীৰ সুতিঁৰ ওপৰত এখনি লোহাৰ দলং নিৰ্মাণৰ কামো অধিক তৎপৰতাৰে চলি আছে। ইয়াৰোপৰি চলিত বছৰৰ নৱেম্বৰ মাহত দলংখনিৰ এটি ৰূপ দেখুৱাবলৈ উঠি পৰি লাগিছে নিৰ্মাণকাৰী সন্থাই। প্ৰয়োজনীয় সকলো সা-সঁজুলিৰ নিৰ্মাণ প্ৰকল্পস্থলীত লোক নিৰ্মাণ বিভাগৰ অভিযন্তা সকলৰ তদাৰকত দ্ৰুতগতিত চলি আছে। নদীৰ মাজৰ খুঁটাৰ নিৰ্মাণৰ হেতু অতিশীঘ্ৰে প্ৰয়োজনীয় জাহাজ অতিসোণ কালে পাবহি বুলি সহকাৰী কাৰ্যবাহী অভিযন্তা বুদ্ধ দেৱ মিলিয়ে দৈনিক জনমভূমিক জানিবলৈ দিয়ে। নিৰ্ধাৰিত সময় সীমালৈ মাজতে মাথোঁ চৈধ্যটি মাহ বাকী থকাৰ পৰিপ্ৰেক্ষিতত আজি দলংখনিৰ অগ্ৰগতি স্থলীতে বুজ লোৱাৰ কালত সমীপৱৰ্তী ৰাইজে নিৰ্মাণ কাৰ্য সন্তোষজনক ভাৱে আগবাঢ়িছে বুলি সংবাদ মাধ্যমত জানিবলৈ দিয়ে। নিৰ্মাণস্থলী লোক নিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা বুদ্ধ দেৱ মিলি, কনিষ্ঠ অভিযন্তা প্ৰণৱজ্যোতি দাস, শাখা সহায়ক কৃষ্ণ কুমাৰ কোৱঁৰ, প্ৰশান্ত পাঠক সহকাৰী প্ৰবন্ধক (এচ পি এচ কনষ্ট্ৰাকশ্বন লিমিটেড), অভিধেশ পাল জ্যেষ্ঠ উপ প্ৰবন্ধক(এচ পি এচ কনষ্ট্ৰাকশ্বন লিমিটেড), সহ আন আন বিষয়া, শ্ৰমিকে নিজৰ দায়িত্বত ব্যস্ত থকা পৰিলক্ষিত। কৰ্তব্যত ব্যস্ত বিষয়া সকলে মাটিৰ পৰা দলংৰ ওপৰ অংশত কৰিলগীয়া কাম কৰিবলৈ ক্ৰমে সাজু কৰি যোৱা প্ৰয়োজনীয় সা-সৰঞ্জাম শাৰী শাৰীকৈ সজাই ৰখা কামৰ অগ্ৰগতিৰ বিষয়ে জানিবলৈ দিয়ে। প্ৰতিবেদকৰে হোৱা কথা বতৰাত যোৰহাট দিশৰ হাতীশালৰ পৰা ব্ৰহ্মপুত্ৰ পাৰ পৰ্যন্ত নিৰ্মাণ কাৰ্য অধিক তৎপৰতাৰে আসোহাৰমুক্ত ভাৱে চলি থকাৰ বিষয়ে অৱগত কৰে। সৰ্ব্বমুঠ ৭১টাৰ ভিতৰত নদীৰ মাজত এটা খুঁটাৰ কাম শীঘ্ৰে নিৰ্মাণৰ সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণৰ কথা উল্লেখ কৰে।

সৰুপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০২৬-২৭ বৰ্ষৰ সাধাৰণ নিৰ্বাচন সম্পন্ন

অসম বাৰ্তা, সৰুপথাৰ, ৯ অক্টোবৰ ঃ সৰুপথাৰ সমজিলাৰ উচ্চ শিক্ষাৰ এক অন্যতম প্ৰাণকেন্দ্ৰ সৰুপথাৰ মহাবিদ্যালয়ত বৃহস্পতিবাৰে ছাত্ৰ-ছাত্ৰীসকলৰ বিপুল উৎসাহ আৰু উদ্দীপনাৰ মাজেৰে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনখন অতি সুকলমে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন হৈ যায়। ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনী বিষয়া সত্যব্ৰত দত্তৰ তত্ত্বাৱধানত আৰু নিৰ্বাচনী নীতি-নিয়মৰ মাজেৰে অনুষ্ঠিত হোৱা এই নিৰ্বাচনী প্ৰক্ৰিয়াত ছাত্ৰ একতা সভাৰ সৰ্বমুঠ ১২টা গুৰুত্বপূৰ্ণ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা দেখা যায় আৰু মুঠ ১৫ গৰাকী উৎসাহী প্ৰাৰ্থীয়ে এই পদসমূহৰ বাবে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হয়, য'ত বেলট পেপাৰ যোগেদি সাব্যস্ত হোৱা ভোটদান প্ৰক্ৰিয়াৰ অন্তত ছাত্ৰ-ছাত্ৰীৰ বিপুল জনসমৰ্থন লাভ কৰি সাধাৰণ সম্পাদক পদত সীমান্ত কোঁৱৰ, সহকাৰী সাধাৰণ সম্পাদক পদত বিশ্বজিৎ বসুমতাৰী, আলোচনী সম্পাদক পদত ঋতু ছেত্ৰী, সাংস্কৃতিক সম্পাদিকা পদত প্ৰিয়ংকা বৰা, ক্ৰীড়া সম্পাদক পদত মায়ংক আগৰৱালা আৰু ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদত দয়ালু হাজোৱাৰীয়ে চূড়ান্ত বিজয় সাব্যস্ত কৰি মহাবিদ্যালয়খনৰ ছাত্ৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত হৈ আগন্তুক বৰ্ষটোৰ বাবে এক নতুন যাত্ৰাৰ সূচনা কৰে। ইপিনে সভাপতি আৰু তৰ্ক সম্পাদক পদৰ বাবে উপযুক্ত প্ৰাৰ্থীৰ মনোনয়ন নথকাৰ ফলশ্ৰুতিত এই পদ দুটা খালী হৈ ৰয়। আনহাতে, এই নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰাৰম্ভিক পৰ্যায়তে ৪টা বিশেষ পদত কোনো প্ৰতিদ্বন্দ্বী নথকাৰ বাবে প্ৰাৰ্থীসকল ক্ৰমে— উপ-সভাপতি হিচাপে বিপ্লৱ শইকীয়া, সমাজ সেৱা সম্পাদিকা হিচাপে ঋষিকা গোস্বামী, ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে পৰিস্মিতা ডেকা আৰু উৎসৱ সম্পাদিকা হিচাপে দিপিকা সোণোৱালে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিজৰ পদত বিজয়ৰ হাঁহি মাৰিবলৈ সক্ষম হয়।

গেলেকী আঞ্চলিক লেখিকা সমাজ গঠন



অসম বাৰ্তা, গেলেকী, ৯ অক্টোবৰ ঃ অসম লেখিকা সমাজ তথা শিৱসাগৰ জিলা লেখিকা সমাজৰ অন্তৰ্গত গেলেকী আঞ্চলিক লেখিকা সমাজখনি গঠন কৰাৰ উদ্দেশ্যে যোৱা ২ অক্টোবৰ, ২০২৬ তাৰিখে আদৰ্শ বিদ্যাপীঠ, গেলেকীৰ প্ৰাংগনত এখনি গাম্ভীৰ্যপূৰ্ণ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। যিহেতু দিনটো আছিল গান্ধী জয়ন্তী, সেয়েহে সভাৰ আৰম্ভণিতে মহামানৱ মহাত্মা গান্ধীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি প্ৰথমটিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক হেমন্তৰাজখুৱাই। ইয়াৰ পাছতে গদাপাণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহ-শিক্ষয়িত্ৰী মামনি শৰ্মা হাজৰিকাই নৱগঠিত আঞ্চলিক সমাজৰ স্থায়িত্ব আৰু উত্তৰোত্তৰ প্ৰগতি কামনা কৰি দ্বিতীয়টি বন্তি প্ৰজ্বলন কৰে। স্থানীয় উদীয়মান শিল্পী মৌচুমী বৰুৱাৰ দ্বাৰা পৰিৱেশিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত বৰগীতেৰে সভাৰ শুভাৰম্ভ কৰা হয়। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী দীপালী সিংহা দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাত আদৰ্শ বিদ্যাপীঠৰ সঞ্চালিকা কুন্তী ৰাণী বড়ায়ে সভাতিৰ উদ্দেশ্য ব্যাখ্যা কৰে। তেওঁ নিজৰ ভাষণত কয় যে গেলেকী অঞ্চলৰ বহু মহিলাৰ অলেখ প্ৰতিভা উপযুক্ত মঞ্চৰ অভাৱত লুপ্ত হৈ যোৱাৰ উপক্ৰম হৈছে। অসমীয়া ভাষা-সংস্কৃতি, সাহিত্য চৰ্চা, নাৰী লেখসকলৰ সৃষ্টিশীল অৱদান আৰু নতুন প্ৰজন্মৰ মাজত সাহিত্য চৰ্চাৰ এক সুদৃঢ় পৰিৱেশ গঢ়ি তোলাৰ মহান লক্ষ্য লৈয়েই এই গেলেকী আঞ্চলিক লেখিকা সমাজ গঠনৰ বাবে সভাখন আয়োজন কৰা হৈছে। নাৰীৰ প্ৰতিভা কেৱল পাৰিবাৰিক জীৱনযাত্ৰাৰ মাজতে সীমাবদ্ধ নাথাকি, নিজৰ প্ৰতিভা বিকশিত কৰাৰ এক অনুকূল পৰিৱেশ সৃষ্টি কৰাৰ দায়িত্বও নাৰী সমাজৰে বুলি তেওঁ মত প্ৰকাশ কৰে। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে অসম লেখিকা সমাজৰ উপ-সভাপতি দীপ্তি গগৈ বৰুৱা আৰু শিৱসাগৰ জিলা লেখিকা সমাজৰ উপদেষ্টা দীপালী গগৈকে ধৰি অঞ্চলটোৰ বহুসংখ্যক গণ্যমান্য ব্যক্তি সাংবাদিক ৰাহিদ আলী আৰু উৎসাহী মহিলা উপস্থিত থাকে।

গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত জিলা কাৰ্যালয় 'শ্বহীদ ভৱন'ত শৰীৰ চৰ্চা কেন্দ্ৰৰ শুভাৰম্ভ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৯ অক্টোবৰ ঃ সদৌ অসম ছাত্ৰ সন্থাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। যুৱ প্ৰজন্মক শাৰীৰিক আৰু মানসিকভাৱে সবল কৰি তোলাৰ উদ্দেশ্যেৰে জিলা ছাত্ৰ সন্থাৰ উদ্যোগত জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয় 'শ্বহীদ ভৱন'ত নিৰ্মিত 'শৰীৰ চৰ্চা কেন্দ্ৰ'ৰ আজি শুভাৰম্ভ কৰা হয়। জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰা আঁত ধৰা অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন উপস্থিত থাকি আনুষ্ঠানিকভাৱে শৰীৰ চৰ্চা কেন্দ্ৰটো মুকলি কৰে। শৰীৰ চৰ্চা কেন্দ্ৰটোৰ শুভাৰম্ভণি অনুষ্ঠানত নুমলীগড় শোধনাগাৰৰ মানৱ সম্পদ বিভাগৰ মহা প্ৰবন্ধক মিণ্টু সন্দিকৈ, আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন শৰীৰ চৰ্চাবিদ কুশল চাংমাই, ধ্ৰুৱ তামোলী, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক দ্বীপেন দত্ত, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা সন্মিলিত মটৰ পৰিবহণ সন্থাৰ সভাপতি পূৰ্ণ ৰাজখোৱা, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামী, সাংগঠনিক সম্পাদক প্ৰিন্স দলে, সদৌ যোৰহাট জিলাৰ ছাত্ৰ সন্থাৰ সভাপতি প্ৰীতমজ্যোতি শইকীয়া, অসম উন্নতি সভাৰ উপ-সভাপতি দেৱজিৎ বৰুৱা, সদৌ গোলাঘাট জিলাৰ ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈৰ লগতে জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, আঞ্চলিক তথা শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উদ্যোক্তাসকলে জানিবলৈ দিয়া অনুসৰি এই পদক্ষেপৰ মূল উদ্দেশ্য হৈছে আজিৰ ড্ৰাগছ আৰু মোবাইলৰ প্ৰতি আসক্ত যুৱ সমাজক সুস্থ পথলৈ আনিবলৈ শৰীৰ চৰ্চাৰ প্ৰয়োজনীয়তা অপৰিসীম। আছুৱে কেৱল জাতীয় আন্দোলনতে নহয়, যুৱ সমাজৰ সৰ্বাংগীণ বিকাশৰ বাবেও কাম কৰি আহিছে আৰু এই শৰীৰ চৰ্চা কেন্দ্ৰ তাৰে এক নিদৰ্শন। এই কেন্দ্ৰটোৰ জৰিয়তে গোলাঘাটৰ যুৱক-যুৱতী সকল উপকৃত হ'ব বুলি আশা কৰা হৈছে। সকলোৰে বাবে এই কেন্দ্ৰটো মুকলি থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

দুৰ্গা পূজা শান্তিপূৰ্ণভাৱে উদযাপনৰ লক্ষ্যৰে কামৰূপ জিলাত প্ৰস্তুতি সভা

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ আগন্তুক দুৰ্গাপূজা কামৰূপ জিলাত শান্তিপূৰ্ণ, সুশৃংখল আৰু সুৰক্ষিতভাৱে উদযাপনৰ লক্ষ্যৰে বৃহস্পতিবাৰে আমিনগাঁৱস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত আদিত্য গগৈৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশিষ বৰুৱাও উপস্থিত থাকে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত আদিত্য গগৈয়ে পূজা সমিতিসমূহৰ সদস্যসকলক উৎসৱৰ সুস্থ পৰিচালনাৰ বাবে প্ৰয়োজনীয় অনুমতি আৰু প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষাৰ বিষয়ত অৱগত কৰে। লগতে সকলো পূজা মণ্ডপত সুৰক্ষা আৰু নাগৰিক সুবিধাসমূহ নিশ্চিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। পূজা সমিতিসমূহক পূজা মণ্ডপত চিচিটিভি কেমেৰা সংস্থাপন, অগ্নিনিৰ্বাপণ ব্যৱস্থা সুনিশ্চিতকৰণ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ বাবে নিৰ্দেশ দিয়া হয়। মহিলা ভক্তসকলৰ বাবে পৃথক শাৰীৰ ব্যৱস্থা, পৰ্যাপ্ত ডাষ্টবিন স্থাপন আৰু নিয়মিতভাৱে সেয়া পৰিচালনা কৰাৰ বাবেও আহ্বান জনোৱা হয়। কোনো ধৰণৰ কাৰ্যকলাপে যাতে জনসাধাৰণৰ অসুবিধাৰ সৃষ্টি নকৰে আৰু উৎসৱসমূহ যাতে সুৰক্ষিত আৰু শৃংখলাবদ্ধভাৱে অনুষ্ঠিত হয়, সেই বিষয়েও গুৰুত্ব আৰোপ কৰা হয়। দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে পূজা মণ্ডপসমূহত সঠিক বৈদ্যুতিক সংযোগ আৰু বৈদ্যুতিক সুৰক্ষা বিধি কঠোৰভাৱে পালন কৰাৰ আহ্বান জনোৱা হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশিষ বৰুৱাই বিশেষকৈ নিশাৰ সময়ত সুৰক্ষা ব্যৱস্থাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ পৰামৰ্শ আগবঢ়ায়। তেওঁ পূজা সমিতিসমূহক সংশ্লিষ্ট আৰক্ষী থানাসমূহৰ সৈতে নিয়মিত যোগাযোগ বজাই ৰাখিবলৈ আৰু বিসৰ্জনস্থলীৰ তথ্য আগতীয়াকৈ আৰক্ষীক জনাবলৈ আহ্বান জনায়। লগতে যিকোনো প্ৰয়োজনত আৰক্ষী প্ৰশাসনৰ পৰা সহায় লাভ কৰিব বুলি আশ্বাস প্ৰদান কৰে। বৈঠকত চক্ৰ বিষয়া চিৰঞ্জিত দাস, তুলসী ৰঞ্জন কলিতা আৰু নিতুল খাটনিয়াৰ; উপ-আৰক্ষী অধীক্ষক টিংকু জ্যোতি চৌধুৰী, দেৱশ্ৰী দাস আৰু পৰীক্ষিত গগৈ; বিভিন্ন বিভাগৰ বিষয়াবৰ্গ আৰু পূজা সমিতিসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

ডুমডুমা সমজিলা প্ৰশাসনৰ উদ্যোগত "সেৱা সংকল্প অভিযান"ৰ অধীনত দিনজোৰা সেৱা শিবিৰৰ সফল সামৰণি

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ অক্টোবৰ ঃ তিনিচুকীয়া জিলাৰ ডুমডুমা সমজিলা প্ৰশাসনৰ উদ্যোগত আজি ৰূপাই চাইডিঙৰ সৌৰভ কলা কৃষ্টি কেন্দ্ৰত "সেৱা সংকল্প অভিযান"ৰ অধীনত দিনজোৰা সেৱা শিবিৰৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে, প্ৰশাসন আৰু নাগৰিকৰ মাজৰ দূৰত্ব হ্ৰাস কৰি "জনসাধাৰণৰ দুৱাৰদলিত চৰকাৰী সেৱা" নিশ্চিত কৰাৰ লক্ষ্যৰে অসম চৰকাৰৰ উদ্যোগত সমগ্ৰ ৰাজ্যজুৰি ১ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈকে এক অভিলাষী জনকল্যাণমুখী পদক্ষেপ হিচাপে "সেৱা সংকল্প অভিযান"ৰ শুভাৰম্ভ কৰা হৈছে। আনহাতে আজিৰ এই "সেৱা সংকল্প অভিযান"ৰ অধীনত দিনজোৰা সেৱা শিবিৰত শিক্ষা, কৃষি, পশুপালন, পঞ্চায়ত ও গ্ৰামোন্নয়ন, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা, জনস্বাস্থ্য-কাৰিকৰী, শ্ৰম কল্যাণ, বিদ্যুৎ, উদ্যোগ-বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান, স্বাস্থ্য ও পৰিয়াল কল্যাণ, সামাজিক ন্যায় আৰু সৰলীকৰণ আদি বিভিন্ন বিভাগে অংশগ্ৰহণ কৰে। শিবিৰটোত একেটা স্থানতে ৰাইজৰ বাবে বিভিন্ন চৰকাৰী আঁচনি আৰু সেৱাৰ সুবিধা আগবঢ়োৱা হয়। অৰুণোদয়, ৰাজহ বিভাগৰ সেৱা, স্বাস্থ্য সেৱা, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, কৃষক ঋণ কাৰ্ড, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি, সেৱা সেতু, প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ, নিজুত মইনা, জন্ম-মৃত্যুৰ প্ৰমাণপত্ৰ, নতুন ৰেচন কাৰ্ড আৰু প্ৰধানমন্ত্ৰী স্বনিধি আদি আঁচনিৰ সেৱা আৰু তথ্য ৰাইজক প্ৰদান কৰা হয়। ইয়াৰ উপৰি বিভিন্ন আঁচনিৰ বাবে নতুনকৈ আবেদন দাখিল কৰাৰ লগতে অনলাইন আবেদন প্ৰক্ৰিয়াতো ৰাইজক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱা হয়। ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা আৰু তিনিচুকীয়াৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱান, ডুমডুমা সমজিলা আয়ুক্ত নুজহাৎ নাছৰিন উক্ত শিৱিৰত উপস্থিত হৈ বিভাগীয় ষ্টলসমূহ পৰিদৰ্শন কৰাৰ লগতে ৰাইজৰ বাবে উপলব্ধ সা-সুবিধাৰ বুজ লয়। আনহাতে আজিৰ সেৱা সংকল্প অভিযান কাৰ্যসূচীত 'বেটি বচাও বেটি পঢ়াও' (BBBP) আঁচনিৰ অধীনত থলুৱা খাদ্যৰ পুথি 'আহাৰিকা'ৰ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে, মহিলা আৰু শিশু বিকাশ বিভাগ, তিনিচুকীয়াৰ SANKALP: Hub for Empowerment of Women, মিছন শক্তিৰ উদ্যোগত আৰু ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া খুশী কানেৰিয়াৰ দিকনিৰ্দেশনাত এই পুথিখন প্ৰস্তুত কৰা হৈছে। সেৱা সংকল্প অভিযান উপলক্ষে কাকপথাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত স্বাস্থ্য আৰু কল্যাণ শিবিৰো আয়োজন কৰা হয়। এই শিবিৰত OPD পৰামৰ্শ, ৰোগ নিৰ্ণয়, কাউন্সেলিং, প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ লগতে চকু, ENT, স্ত্ৰীৰোগ, মানসিক স্বাস্থ্য, অস্থি আৰু ছালৰ ৰোগৰ বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা সেৱা আগবঢ়োৱা হয়। ইয়াৰোপৰি যক্ষ্মা ৰোগৰ আগতীয়া নিৰ্ণয়ৰ বাবে বুকুৰ X-ray সহ TB স্ক্ৰীনিং, দিব্যাংগতা নিৰূপণ আদিৰো ব্যৱস্থা কৰা হয়। সুলভ স্বাস্থ্যসেৱা, আগতীয়া ৰোগ নিৰ্ণয়, প্ৰতিৰোধ আৰু স্বাস্থ্যকৰ জীৱনশৈলীৰ সজাগতাৰ জৰিয়তে ৰাইজৰ দুৱাৰদলিত সুলভ আৰু সম্পূৰ্ণ স্বাস্থ্যসেৱা প্ৰদানৰ প্ৰচেষ্টা চলোৱা হয়।

সুধাকণ্ঠৰ ১৫ সংখ্যক মৃত্যু দিৱসত গোলাঘাটত আন্তঃবিদ্যালয় ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৯ অক্টোবৰ ঃ গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ উদ্যোগত আৰু গোলাঘাট জাতীয় বিদ্যালয়, গোলাঘাট শাখা সাহিত্য সভা, নতুন সাহিত্য পৰিষদ, সুৰ সন্ধানী, সুৰ বাহিনী, উত্তৰ পূৰ্বাঞ্চলীয় সাংস্কৃতিক গোষ্ঠী, সমন্বয় গোলাঘাট, প্ৰগতি চ'ৰা, প্ৰবীণ শিল্পী মঞ্চ, ইউনাইটেড চেম্বাৰচ অব কমাৰ্চ, গোলাঘাট নাগৰিক মঞ্চ, নাগৰিক সমাজ, গোলাঘাট, সৰ্বানন্দ চলিহা সংগীত মহাবিদ্যালয়, সামাজিক অনুষ্ঠান 'ৰামধেনু', সাংস্কৃতিক অনুষ্ঠান 'কৃষ্টিমালা' আদি অনুষ্ঠানৰ সহযোগত অহা ৫ নবেম্বৰত গোলাঘাটত আয়োজন কৰা হৈছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ১৫ সংখ্যক মৃত্যু দিৱস। এই উপলক্ষে যোৱা ৫ অক্টোবৰত গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰেক্ষাগৃহত ছ'চাইটিৰ সভাপতি ডাঃ অজিত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এখন সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এই দিৱসৰ পুৱা 'মানুহে মানুহৰ বাবে' শীৰ্ষক গীতটি পৰিৱেশনেৰে সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন, প্ৰাৰ্থনা সভা, প্ৰসাদ বিতৰণৰ পিছতে সেই মঞ্চতে অনুষ্ঠিত হ'ব গোলাঘাট নগৰৰ শিক্ষানুষ্ঠানসমূহৰ মাজত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ। গোলাঘাট জাতীয় বিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হ'বলগা এই প্ৰতিযোগিতাৰ নিয়মাৱলীসমূহ হৈছে ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত পৰিৱেশন কৰিবলগীয়া গীতসমূহ ড° ভূপেন হাজৰিকাৰ দ্বাৰা ৰচিত আৰু সুৰ আৰোপিত হ'ব লাগিব, প্ৰতিযোগিতা এটা শাখাতহে অনুষ্ঠিত হ'ব। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিব পাৰিব, প্ৰতিযোগিতাত প্ৰতিখন বিদ্যালয়ৰ পৰা ২ জনকৈ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিব পাৰিব। বাদ্যযন্ত্ৰীসকলক উদ্যোক্তাসকলৰ তৰফৰ পৰা যোগান ধৰা হ'ব, প্ৰতিযোগিতাত অংশগ্ৰহণৰ কোনো মাচুল নাই, প্ৰতিযোগিতা অন্ত পৰাৰ লগে লগে পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ হৈছে প্ৰথম পুৰস্কাৰ প্ৰমাণ পত্ৰসহ ৫০০০ টকা, দ্বিতীয় পুৰস্কাৰ প্ৰমাণ পত্ৰসহ ৩০০০ টকা, তৃতীয় পুৰস্কাৰ প্ৰমাণ পত্ৰসহ ২০০০ টকা আৰু বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি গণ্য কৰা হ'ব। ইয়াৰ লগতে সন্ধিয়া 'কৃষ্টিমালা' আৰু সৰ্বানন্দ চলিহা সংগীত মহাবিদ্যালয়ৰ সৌজন্যত অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ সাংস্কৃতিক সম্পাদক উৎপল বৰুৱাই আতঁ ধৰা সভাখনত ৰেকিব শ্বাহ, বনশ্ৰী কাকতি, পাপৰি শইকীয়া বৰা, বৰ্ণালী চলিহাই বক্তব্য প্ৰদান কৰে।

অনুমতি অবিহনে বিজয় শোভাযাত্ৰাত বাধা

নগাঁও প্ৰশাসনৰ দ্বাৰা ১৬৩ ধাৰা জাৰি

অসম বাৰ্তা, পুৰণিগুদাম, ৯ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপনিৰ্বাচনৰ কাইলৈ অনুষ্ঠিত হ'বলগীয়া ভোটগণনাৰ সময়চোৱাত জিলাখনৰ জনসাধাৰণৰ সুৰক্ষা আৰু শান্তি-শৃংখলা ৰক্ষাৰ স্বাৰ্থত নগাঁও জিলাৰ আয়ুক্ত তথা জিলা দণ্ডাধীশ আৰণ্যক শইকীয়াই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি নগাঁও চহৰৰ চৰকাৰী ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পাঁচজন বা তাতোধিক লোকৰ সমাগম নিষিদ্ধ কৰা হৈছে। এই অঞ্চলটোত যানবাহনৰ চলাচলো বন্ধ থাকিব। তদুপৰি উচ্চ প্ৰাবল্যৰ ফটকাৰ বিক্ৰী, ব্যৱহাৰ আৰু কড়িওৱাও নিষেধ কৰা হৈছে। শিক্ষানুষ্ঠান, চিকিৎসালয় আদিৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত যিকোনো প্ৰাবল্যৰ আতচবাজী ব্যৱহাৰ কৰাটো বাৰণ কৰা হৈছে। উপযুক্ত কৰ্তৃপক্ষৰ আগতীয়া অনুমতি অবিহনে সমদল, বিজয় শোভাযাত্ৰা উলিওৱা, মাইকৰ ব্যৱহাৰ আদিও নিষিদ্ধ কৰা হৈছে বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে। অৱশ্যে নিৰ্বাচনৰ ভোট গণনাত জড়িত বিষয়া-কৰ্মচাৰী, নিৰাপত্তাৰক্ষী আদিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা শিথিল কৰি দিয়া হৈছে।

কুকুৰমাৰাত চুলাই মদৰ বিৰুদ্ধে অভিযান চলাই ১০০০ হাজাৰ লিটাৰ চুলাই মদ জব্দ আৰক্ষীৰ

অসম বাৰ্তা, ছয়গাঁও, ৯ অক্টোবৰ ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ কুকুৰমাৰা আৰক্ষীৰ বৃহৎ সফলতা। চুলাই মদৰ বিৰুদ্ধে অভিযান চলাই জব্দ কৰে ১০০০ হাজাৰ লিটাৰ চুলাই মদ। আৰক্ষী বিষয়া কৈলাস কুমাৰ বৰ্মনৰ নেতৃত্বত এই অভিযান। ছয়গাঁও আৰক্ষী থানাৰ অধীনস্থ কুকুৰমাৰা বজাৰত আজি নিশা জব্দ কৰা হয় বৃহৎ পৰিমাণৰ চুলাই মদ। বজাৰখনৰ পিছফালে চুলাই মদ বিক্ৰী কৰি আছিল কেবাজনো লোকে। ঘটনাটো আৰক্ষী বিষয়া কৈল্যাস কুমাৰ বৰ্মনে জানিব পাৰি অভিযানলৈ ৰাওনা হয়। আৰক্ষীক দেখি পলাই পট্টং দিয়ে মদ বেপাৰী আৰু মদ সেৱন কৰিবলৈ অহা লোক সকলে। মদ বিক্ৰী কৰিবলৈ তৰ্জাৰ বেৰৰ ঘৰ সাজি তাৰ পৰা চলাই গৈছিল এটা দুষ্ট চক্ৰই মদৰ বেহা। কুকুৰমাৰা আৰক্ষীয়ে প্ৰায় ১০০০ হাজাৰ লিটাৰ চুলাই মদ ধৰি নষ্ট কৰাৰ লগতে মদ খোৱা স্থান সমূহ ভাঙি দিয়ে। আৰক্ষীয়ে ইয়াৰ পূৰ্বেও চুলাই মদৰ বিৰুদ্ধে অভিযান চলাই গৈছিল।

মাজুলীৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা লখিমী বৰুৱাৰ ৰাজহুৱা ঠাইত স্বচ্ছ অভিযান

অসম বাৰ্তা, উজনি মাজুলী, ৯ অক্টোবৰ ঃ মাজুলীৰ বিশিষ্ট সমাজকৰ্মী, ৰঙাচাহী মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা লখিমী বৰুৱাই বিভিন্ন সময়ত ব্যতিক্ৰমী কাম কাজৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। অৱসৰৰ পাছত বিভিন্ন সাহিত্য কৰ্মৰ লগতে অধ্যাপিকা লখিমী বৰুৱাই মাজুলীৰ ৰাজহুৱা স্থানত স্বচ্ছ অভিযান আৰু গছপুলি ৰোপণ কৰি ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। আজিও অৱসৰপ্ৰাপ্ত অধ্যাপিকা গৰাকীয়ে মাজুলীৰ অফলামুখ ফেৰী ঘাট আৰু দক্ষিণপাট সত্ৰৰ প্ৰৱেশদ্বাৰৰ পৰা মূল পথটো ঝাডু মাৰি পৰিষ্কাৰ কৰে। আজি পুৱাই অৱসৰপ্ৰাপ্ত অধ্যাপিকা লখিমী বৰুৱাই হাতত ঝাডু, পাচি, বেলছা লৈ ৰঙাচাহীৰ নিজৰ ঘৰৰ পৰা ওলাই গৈ অফলামুখ ফেৰী ঘাট পৰিষ্কাৰ কৰে। দীৰ্ঘসময় ধৰি তেওঁ অফলামুখ ফেৰী ঘাটটো সুন্দৰকৈ পৰিষ্কাৰ কৰে। তাৰপিছত তেওঁ শালমৰাৰ জুবিন ক্ষেত্ৰত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি দুপৰীয়া অৱসৰপ্ৰাপ্ত অধ্যাপিকাগৰাকীয়ে দক্ষিণ পাট সত্ৰৰ পথটো পৰিষ্কাৰ কৰে। দক্ষিণ পাট সত্ৰৰ পথটো পৰিষ্কাৰ কৰোঁতে অধ্যাপিকা লখিমী বৰুৱাৰ লগত আজি মাজুলীৰ বিশিষ্ট সাহিত্যিক তথা সমাজকৰ্মী লখিমী শইকীয়া বৰাইও অংশগ্ৰহণ কৰে।

সম্পাদকীয়

হিমাশ্ৰীৰ অকাল মৃত্যু ঃ এটি গভীৰ চিন্তাৰ বিষয়

গুৱাহাটীৰ বি বৰুৱা কলেজৰ উদীয়মান ছাত্ৰী হিমাশ্ৰী বড়োৰ অন্ধ্ৰপ্ৰদেশত অকাল আৰু ৰহস্যজনক মৃত্যুৱে সমগ্ৰ ৰাজ্যবাসীৰে হৃদয় কঁপাই তুলিছে। গুৱাহাটীৰ ছপাইদাং অঞ্চলৰ ধীৰেণ বৰোৰ কন্যা হিমাশ্ৰীয়ে নিজৰ প্ৰতিভাক নতুন উচ্চতালৈ নিয়াৰ সপোন বুকুত বান্ধি নৃত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ বিশাখাপট্টনমলৈ গৈছিল। কিন্তু যোৱা ৩০ ছেপ্টেম্বৰৰ পৰা সন্ধানহীন হৈ থকা এই মেধাৱী ছাত্ৰীগৰাকীৰ নিৰুদ্দেশৰ খবৰে পৰিয়ালটোলৈ যি উদ্বেগ কঢ়িয়াই আনিছিল, শেহতীয়াকৈ তেওঁৰ মৃতদেহ উদ্ধাৰ হোৱাৰ বাতৰিয়ে সমগ্ৰ অঞ্চলটোতে এক গভীৰ শোকাকুল তথা ক্ষোভৰ পৰিৱেশৰ সৃষ্টি কৰিছে। এজনী উচ্চাকাংক্ষী গাভৰুৰ এইদৰে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হোৱা ঘটনাই কেৱল এটা পৰিয়ালক সংগহীন কৰাই নহয়, আমাৰ সমাজ আৰু পৰিবহণ ব্যৱস্থাৰ নিৰাপত্তাৰ ওপৰতো এক ডাঙৰ প্ৰশ্নবোধক চিহ্ন আঁকি দিছে।

হিমাশ্ৰীৰ মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়াও সম্পূৰ্ণৰূপে স্পষ্ট হোৱা নাই যদিও পোহৰলৈ অহা তথ্যসমূহে ঘটনাটো অধিক ৰহস্যঘন আৰু উদ্বেগজনক কৰি তুলিছে। পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি, অন্ধ্ৰপ্ৰদেশৰ পৰা ঘৰলৈ ওভতাৰ পথত চলন্ত বিবেক এ'প্ৰেছৰ পৰা তেওঁক পেলাই দিয়া হৈছিল। ৰে'লখনৰ কেইজনমান যাত্ৰীয়ে পৰিয়ালক এই বিষয়ে তথ্য যোগান ধৰা বুলি জনা গৈছে। ইয়াতকৈও আচৰিত আৰু সন্দেহজনক কথাটো হ'ল— ৰে'লৰ ডবাৰ ভিতৰত আৱৰ্জনাৰ মাজৰ পৰা হিমাশ্ৰীৰ দুটাকৈ বেগ উদ্ধাৰ কৰা হৈছে। এই তথ্যই স্পষ্টভাৱে আঙুলিয়াই দিয়ে যে ঘটনাটো কেৱল এক সাধাৰণ দুৰ্ঘটনা নহ'বও পাৰে; ইয়াৰ আঁৰত কোনো অপৰাধচক্ৰ বা দুষ্কৃতিকাৰী জড়িত থকাৰ সম্ভাৱনাক নস্যাৎ কৰিব নোৱাৰি।

এই ঘটনাই ভাৰতীয় ৰে'লসেৱাত যাত্ৰীৰ, বিশেষকৈ মহিলা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ নিৰাপত্তাক লৈ ডাঙৰ প্ৰশ্ন উত্থাপন কৰিছে। বিবেক এ'প্ৰেছৰ দৰে সুদূৰগামী আৰু গুৰুত্বপূৰ্ণ ৰে'লসমূহত যাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰাত ৰে'ল আৰক্ষী (RPF/GRP) আৰু কৰ্তৃপক্ষ কিমান সফল হৈছে, সেয়া এতিয়া চিন্তনীয়। এজনী ছাত্ৰী চলন্ত ৰে'লৰ পৰা নিৰুদ্দেশ হৈ যোৱা আৰু তেওঁৰ বেগ আৱৰ্জনাৰ মাজত উদ্ধাৰ হোৱা ঘটনাই ৰে'লৰ ডবাৰ ভিতৰত থকা নিৰাপত্তাৰ ফোঁপোলা স্বৰূপটোক উদঙাই দিছে। সুদূৰ বাটছোৱাত যাত্ৰীসকলৰ নিৰাপত্তা কেৱল তেওঁলোকৰ নিজৰ দায়িত্ব হ'ব নোৱাৰে; চৰকাৰ আৰু ৰে'ল প্ৰশাসন ইয়াৰ বাবে সমানেই দায়বদ্ধ।

আনহাতে, ঘটনাৰ প্ৰকৃত সত্য উদঘাটনৰ বাবে অসম চৰকাৰ, ৰাজ্যিক আৰক্ষী আৰু অন্ধ্ৰপ্ৰদেশ আৰক্ষীৰ মাজত ত্বৰিত আৰু সমন্বিত তদন্তৰ অতি প্ৰয়োজন। দুই ৰাজ্যৰ আৰক্ষীয়ে আন্তঃৰাজ্যিক পৰ্যায়ত সক্ৰিয়ভাৱে যোগাযোগ ৰাখি ৰে'লৰ সহ-যাত্ৰীসকলৰ ভাষ্য সংগ্ৰহ কৰা, চিচিটিভি ফুটেজ পৰীক্ষা কৰা আৰু মৰণোত্তৰ পৰীক্ষাৰ ৰিপ'ৰ্টৰ আধাৰত নিষ্পক্ষ তদন্ত চলোৱাটো জৰুৰী। কি পৰিস্থিতিত হিমাশ্ৰী ৰে'লৰ পৰা পৰি গৈছিল, ইয়াত কোনো দুষ্কৃতিকাৰীৰ হাত আছিলনেকি, নে ইয়াৰ আঁৰত আন কোনো গভীৰ ষড়যন্ত্ৰ সোমাই আছে— এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ উন্মোচিত হ'ব লাগিব।

হিমাশ্ৰীৰ এই অকাল আৰু আকস্মিক বিয়োগে কেৱল তেওঁৰ পৰিয়াল আৰু বন্ধুবৰ্গকে নহয়, সমগ্ৰ বি বৰুৱা কলেজ পৰিয়াল তথা ৰাজ্যবাসীক ব্যথিত কৰি তুলিছে। কিন্তু কেৱল শোকপ্ৰকাশ কৰিয়েই আমাৰ দায়িত্ব শেষ হ'ব নোৱাৰে। এই নৃশংস বা ৰহস্যজনক ঘটনাৰ সঠিক তদন্ত হ'ব লাগিব আৰু যদি ইয়াত কোনো অপৰাধী জড়িত হৈ আছে, তেন্তে তেওঁলোকক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিব লাগিব। তেনেকুৱা কৰিলেহে হিমাশ্ৰীৰ আত্মাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব আৰু ভৱিষ্যতে এনেধৰণৰ মৰ্মান্তিক ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিব পৰা যাব।

আহিনৰ আগমন অসমীয়া সমাজ, সংস্কৃতি আৰু প্ৰকৃতিৰ এক অপূৰ্ব দাপোণ

প্ৰদীপ দাস

অসমীয়া ঋতু চক্ৰত এক অনন্য আৰু তাৎপৰ্যপূৰ্ণ ঋতু হ'ল শৰৎ আৰু শৰতক জীৱন্ত কৰি তোলা মাহটোৱেই হ'ল আহিন। ব'হাগে যদি বসন্তৰ কুঁহিপাত আনে, মাঘে যদি ভোগৰ তৃপ্তি দিয়ে, তেন্তে আহিনে কঢ়িয়াই আনে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য, আধ্যাত্মিক ভাৱধাৰা আৰু আগন্তুক সোণালী দিনৰ আশা। ভাদৰ শেষত যেতিয়া বৰষুণৰ প্ৰকোপ ক্ৰমাৎ কমিবলৈ ধৰে, তেতিয়া প্ৰকৃতিয়ে সলনি কৰে নিজৰ সাজ। আকাশ মুকলি হয়, ডাৱৰৰ ফাঁকেৰে অহা কোমল ৰ'দে ভূমি চুমে, নদীৰ পাৰ কঁহুৱা ফুলৰ অৱস্থিতত শুভ্ৰ হৈ উঠে আৰু পুৱাৰ বতাহত শেৱালিৰ মৃদু সুবাস বিয়পি পৰে। আহিনৰ কুঁৱলী আৰু নিয়ৰৰ টোপালবোৰে মনলৈ এক অনাবিল প্ৰশান্তি কঢ়িয়াই আনে আৰু কোলাহলপূৰ্ণ জীৱনৰ তিক্ততা আঁতৰাই এক নিৰ্মল, শান্ত আৰু স্নিগ্ধ অনুভূতি জগাই তোলে। সেয়েহে আহিন কেৱল এটা মাহ নহয়, ই অসমীয়া সমাজ, সংস্কৃতি আৰু প্ৰকৃতিৰ মাজত থকা নিবিড় সম্পৰ্কৰ এক জীৱন্ত প্ৰতিছবি।

অসমীয়া সৌৰ বৰ্ষপঞ্জী অনুসৰি আহিন হৈছে বছৰটোৰ ষষ্ঠটো মাহ। ইংৰাজী কেলেণ্ডাৰৰ সাধাৰণতে ছেপ্টেম্বৰ মাহৰ মাজভাগৰ পৰা অক্টোবৰ মাহৰ মাজভাগলৈকে এই সময়ছোৱা বিস্তৃত হৈ থাকে। জ্যোতিৰ্বিজ্ঞানৰ দৃষ্টিৰে চালে দেখা যায় যে আহিন মাহৰ পূৰ্ণিমা তিথিত চন্দ্ৰই 'অশ্বিনী' নক্ষত্ৰত অৱস্থান কৰে বাবেই এই মাহটোৰ নাম 'আহিন' বা 'আশ্বিন' ৰখা হৈছে। ভাৰতীয় পৰম্পৰাত এই মাহটোক শৰৎ ঋতুৰ দ্বিতীয়টো মাহ হিচাপে গণ্য কৰা হয়। ভৌগোলিকভাৱে এই সময়ত মৌচুমী বায়ুৱে লাহে-লাহে বিদায় লয় আৰু বতাহত আৰ্দ্ৰতা কমিবলৈ ধৰে। দিনৰ উত্তাপ কিছু পৰিমাণে থাকলেও ৰাতিৰ ভাগলৈ এক মৃদু শীতল বতাহে শীতকালৰ আগজাননী দিয়ে। এই সময়ত বৰষুণৰ পৰিমাণ আশাতীতভাৱে কমি যায় আৰু বতাহজাক শুকান হ'বলৈ ধৰে, যিয়ে প্ৰকৃতিৰ লগতে মানুহৰ দৈনন্দিন জীৱনযাত্ৰালৈ এক সহজ পৰিৱেশ কঢ়িয়াই আনে।

আহিনৰ আগমনৰ আটাইতকৈ আকৰ্ষণীয় দিশটো হৈছে ইয়াৰ নৈসৰ্গিক সৌন্দৰ্য। প্ৰকৃতিয়ে বাৰিষাৰ বোকা-পানী জোকাৰি এক নতুন পৰিষ্কাৰ সাজ পৰিধান কৰে। আহিনৰ পুৱা মানেই চোতালত সিঁচৰিত হৈ থকা শুকুলা শেৱালি ফুলৰ এক শুভ্ৰ দলিচা। নিয়ৰসনা দুবৰিৰ বুকুত খহি পৰা কমলা থাৰিৰ এই সৰু সৰু ফুলবোৰে সমগ্ৰ পৰিৱেশটো পবিত্ৰ সুবাসেৰে সুবাসিত কৰি তোলে। চোতালৰ শেৱালিজোপাই যেন নীৰৱে ঘোষণা কৰে আহিনৰ পবিত্ৰ উপস্থিতি। আইতাহঁতে বা সৰু সৰু ল'ৰা-ছোৱালীবিলাকে পুৱাই উঠি শেৱালি ফুল বুটলি মালা গঁথাৰ দৃশ্য অসমৰ গ্ৰাম্য জীৱনৰ এখন চিৰপৰিচিত ছবি। অন্যহাতে নৈৰ পাৰবোৰ এই সময়ত বগা কঁহুৱা ফুলেৰে উপচি পৰে। বতাহত হালি-জালি থকা কঁহুৱা বনৰ শুকুলা ফুলবোৰে যেন আকাশৰ শুকুলা মেঘবোৰক মত্যলৈ নমাই আনে। বৰ্ষাৰ ক'লা মেঘ ফালি আকাশখন গাঢ় নীলা হৈ পৰে। তাত সিঁচৰিত হৈ থাকে সৰু সৰু তুলাৰ দৰে শুকুলা মেঘৰ টুকুৰাবোৰ, যাক 'শৰতৰ মেঘ' বা 'ভেলা মেঘ' বুলি কোৱা হয়। এই মেঘবোৰে কোনো ধৰণৰ ধুমুহা বা বৰষুণৰ ভাবুকি নিদিয়ে, বৰঞ্চ আকাশখনক এখন ধুনীয়া কেনভাছলৈ ৰূপান্তৰিত কৰে। কবি আৰু শিল্পীসকলৰ বাবে আহিনৰ কঁহুৱা এক চিৰন্তন প্ৰেৰণাৰ উৎস। নৈৰ বুকুত নাও চলাই যোৱা নাবিকজনৰ বাবেও কঁহুৱাই এক শান্ত আৰু নিৰাপদ যাত্ৰাৰ সংকেত দিয়ে। নিশালৈ লাহে লাহে নিয়ৰ পৰিবলৈ আৰম্ভ কৰে। পুৱাৰ ভাগত ঘাঁহনিত মুকুতা মণিৰ দৰে জিলিকি থকা নিয়ৰৰ টোপাল আৰু দূৰৈৰ পথাৰত ওলমি থকা পাতল কুঁৱলীয়ে প্ৰকৃতিৰ এক ৰহস্যময় আৰু শান্ত ৰূপ দাঙি ধৰে।

অসমীয়া সমাজ জীৱন মূলত কৃষিভিত্তিক। কৃষকৰ জীৱনৰ সৈতে আহিন মাহৰ সম্পৰ্ক অতি নিবিড়। আহিন মাহটো অসমৰ খেতিয়কসকলৰ বাবে একে সময়তে আশা, আনন্দ আৰু কিছু পৰিমাণে উদ্বেগ বা অভাৱৰো সন্ধিক্ষণ। বাৰিষাৰ পানী আঁতৰি যোৱাৰ লগে লগে পথাৰত ধান গছবোৰে পূৰ্ণতা লাভ কৰিবলৈ ধৰে। সেউজীয়া ধাননিৰ মাজত কৃষকে ভৱিষ্যতৰ সপোন দেখে। খৰাং, বানপানী আৰু গাৰ ঘাম মচি পৰিশ্ৰম কৰা খেতিদৰাৰ চিৰ যৌৱনা সেউজীয়া ৰূপ দেখি কৃষকৰ দুচকু তৃপ্ত হয়। এই সেউজীয়া ৰং কেৱল প্ৰাকৃতিক সৌন্দৰ্য নহয়, ইয়াৰ সৈতে জড়িত হৈ থাকে এটা পৰিয়ালৰ জীৱিকা, ভৱিষ্যতৰ সপোন আৰু কৃষকৰ অক্লান্ত শ্ৰমৰ ফচল। আহিনৰ এই কৃষিনিৰ্ভৰ পৰিৱেশে অসমীয়া সমাজৰ সামূহিক জীৱনকো প্ৰভাৱিত কৰে। গাঁৱৰ জীৱনত পথাৰ, গৰু, নদী, পুখুৰী আৰু ঋতুচক্ৰ — এই সকলোবোৰ ইটো সিটোৰ সৈতে সংযুক্ত। কৃষকৰ কাম-কাজৰ পৰা আৰম্ভ কৰি ঘৰুৱা জীৱনলৈকে ঋতুৰ প্ৰভাৱ অনুভূত হয়। প্ৰকৃতিৰ অৱস্থা অনুসৰিয়েই বহু কামৰ সময় নিৰ্ধাৰিত হয়। এইদৰে আহিনে আমাক মনত পেলাই দিয়ে যে অসমীয়া সমাজৰ শিপা মাটিৰ সৈতে কিমান গভীৰভাৱে সংলগ্ন।

আহিনৰ উৎসৱ-পাৰ্বন ঃ

আহিন মাহক কেন্দ্ৰ কৰি অসমীয়া লোকসংস্কৃতিত বহুতো পৰম্পৰা, লোকবিশ্বাস, লোকাচাৰ আৰু উৎসৱ-পাৰ্বন গঢ় লৈ উঠিছে। এইবোৰে অসমীয়া সমাজৰ গভীৰ জীৱনবোধ আৰু প্ৰকৃতিৰ সৈতে থকা সম্পৰ্কক প্ৰতিফলিত কৰে। বিশেষকৈ আহিন মাহত পুৰণি ধান, চাউল, মাহ আদি ৰ'দত শুকুৱাই ভঁৰাল ঘৰটো চাফ-চিকুণ কৰাৰ পৰম্পৰা আছে। বিশ্বাস কৰা হয় যে আহিন মাহত ঘৰ-দুৱাৰ চাফা কৰিলে ঘৰলৈ লক্ষ্মী দেৱীৰ আগমন ঘটে। আহিনৰ পূৰ্ণিমা তিথিত 'লক্ষ্মী পূজা' পালন কৰা হয়, য'ত সৌভাগ্য আৰু ধন-ধান্যৰ দেৱী লক্ষ্মীক আৰাধনা কৰা হয়। লোকবিশ্বাস অনুসাৰি এই নিশা দেৱী লক্ষ্মীয়ে পৃথিৱী ভ্ৰমণ কৰে আৰু কোনে সাৰে থাকি তেওঁক প্ৰাৰ্থনা কৰিছে তাক লক্ষ্য কৰে। সেইবাবে ইয়াক 'কোজাগৰী' (কো জাগৰ্তি - অৰ্থাৎ কোন সাৰে আছে) পূৰ্ণিমা বুলিও কোৱা হয়।

আহিন মাহটো উৎসৱৰ মাহ। এই মাহতে ধৰ্মীয় উল্লাস আৰু জাতীয় পৰম্পৰাৰ এক সুন্দৰ সমন্বয় দেখিবলৈ পোৱা যায়। আহিন মাহত উদযাপিত আটাইতকৈ ডাঙৰ ধৰ্মীয় আৰু সামাজিক উৎসৱ হৈছে শৰৎকালীন দুৰ্গাপূজা। দেৱী দুৰ্গাৰ মহিষাসুৰ মৰ্দিনী ৰূপক এই সময়ত আৰাধনা কৰা হয়। গাঁও, চহৰ, নগৰ-সমগ্ৰ পৰিৱেশ ধূপ-ধূনা, শংখ-ঘণ্টা আৰু ডবা-কাঁহৰ শব্দই মুখৰিত কৰি তোলে। নতুন সাজ-পোছাক পিন্ধি আবাল-বৃদ্ধ-বনিতা সকলোৱে পূজাৰ মণ্ডপলৈ যায়। দুৰ্গাপূজাই সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত একতা, ভাতৃত্ববোধ আৰু সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই আনে। পাৰ্বত্য অঞ্চলৰ পৰা আৰম্ভ কৰি ভৈয়ামলৈকে সকলোতে এই উৎসৱৰ এক উখল-মাখল পৰিৱেশ সৃষ্টি হয়। অন্যহাতে আহিন মাহত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ জন্ম জয়ন্তী বৰ আদৰ আৰু উলাহেৰে নামঘৰ আৰু সত্ৰসমূহত উৎযাপন কৰা হয়। এই অনুষ্ঠানবোৰে মানুহক আধ্যাত্মিক শান্তি দিয়াৰ লগতে সামাজিক বান্ধোনো শক্তিশালী কৰে। নামঘৰ অসমীয়া সমাজত কেৱল উপাসনাৰ স্থান নহয়। ই আলোচনা, মিলন, সাংস্কৃতিক চৰ্চা আৰু সামাজিক সহযোগিতাৰো কেন্দ্ৰ। ভক্তি, শৃংখলা আৰু সমূহীয়া অংশগ্ৰহণৰ মাজেৰে ইয়াত যি পৰিৱেশ সৃষ্টি হয়, সেয়া অসমীয়া সমাজৰ ঐতিহ্য আৰু মূল্যবোধৰ এক সুন্দৰ প্ৰকাশ।

আহিন মাহৰ শেষৰ দিনটোক সংক্ৰান্তি বুলি কোৱা হয়। এই দিনটো সমগ্ৰ অসমীয়া সমাজৰ বাবে অতি গুৰুত্বপূৰ্ণ, কিয়নো ইয়াৰ পিছৰ দিনটোৰ পৰাই কাতি মাহ আৰম্ভ হয় আৰু এই দিনাই কাতি বিহু পালন কৰা হয়। ঘৰৰ চোতালত তুলসী ভেটিটো চাফ-চিকুণ কৰি তাত তুলসী ৰোপণ কৰা হয় আৰু সাঁজ লাগিয়েই তুলসীৰ তলত চাকি জ্বলাই প্ৰাৰ্থনা কৰা হয়। বিশ্বাস কৰা হয় যে তুলসীৰ প্ৰাৰ্থনাই ঘৰখনলৈ শান্তি কঢ়িয়াই আনে। সংক্ৰান্তিৰ দিনা পথাৰলৈ গৈ ধান গছৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। এই সময়ত ধানৰ গাত যাতে কোনো ধৰণৰ 'গান্ধী পোক' বা আন বেমাৰ নহয়, তাৰ বাবে চকু ৰখা হয় আৰু ভগৱানৰ আশিস বিচাৰি এগছি বন্তি প্ৰজ্বলন কৰা হয়।

অসমীয়া সমাজ জীৱনত আহিনৰ প্ৰভাৱ ঃ

অসমীয়া সমাজ জীৱন মূলত কৃষিভিত্তিক। কৃষকৰ জীৱনৰ সৈতে আহিন মাহৰ সম্পৰ্ক অতি নিবিড়। আহিন মাহটো অসমৰ খেতিয়কসকলৰ বাবে একে সময়তে আশা, আনন্দ আৰু কিছু পৰিমাণে উদ্বেগ বা অভাৱৰো সন্ধিক্ষণ। বাৰিষাৰ পানী আঁতৰি যোৱাৰ লগে লগে পথাৰত ধান গছবোৰে পূৰ্ণতা লাভ কৰিবলৈ ধৰে। সেউজীয়া ধাননিৰ মাজত কৃষকে ভৱিষ্যতৰ সপোন দেখে। খৰাং, বানপানী আৰু গাৰ ঘাম মচি পৰিশ্ৰম কৰা খেতিদৰাৰ চিৰ যৌৱনা সেউজীয়া ৰূপ দেখি কৃষকৰ দুচকু তৃপ্ত হয়। এই সেউজীয়া ৰং কেৱল প্ৰাকৃতিক সৌন্দৰ্য নহয়, ইয়াৰ সৈতে জড়িত হৈ থাকে এটা পৰিয়ালৰ জীৱিকা, ভৱিষ্যতৰ সপোন আৰু কৃষকৰ অক্লান্ত শ্ৰমৰ ফচল। আহিনৰ এই কৃষিনিৰ্ভৰ পৰিৱেশে অসমীয়া সমাজৰ সামূহিক জীৱনকো প্ৰভাৱিত কৰে। গাঁৱৰ জীৱনত পথাৰ, গৰু, নদী, পুখুৰী আৰু ঋতুচক্ৰ— এই সকলোবোৰ ইটো সিটোৰ সৈতে সংযুক্ত। কৃষকৰ কাম-কাজৰ পৰা আৰম্ভ কৰি ঘৰুৱা জীৱনলৈকে ঋতুৰ প্ৰভাৱ অনুভূত হয়। প্ৰকৃতিৰ অৱস্থা অনুসৰিয়েই বহু কামৰ সময় নিৰ্ধাৰিত হয়। এইদৰে আহিনে আমাক মনত পেলাই দিয়ে যে অসমীয়া সমাজৰ শিপা মাটিৰ সৈতে কিমান গভীৰভাৱে সংলগ্ন। আনহাতে, আহিন মাহটো হ'ল এনে এটা সময় যেতিয়া পূৰ্বৰ বছৰৰ ভঁৰালৰ ধান প্ৰায় শেষ হৈ আহে। নতুন ধান ওলাবলৈ এতিয়াও বহুত সময় বাকী থাকে। সেইবাবে এই সময়ছোৱাত গাঁও অঞ্চলত আৰ্থিক অনাটনে দেখা দিয়ে। সেয়ে এই সময়ছোৱাত মানুহ মিতব্যয়ী হ'বলৈ শিকে।

সাহিত্য, সংগীত আৰু শিল্পকলাত আহিনৰ ছাঁ ঃ

অসমীয়া সাহিত্য আৰু গীত-মাতত আহিনৰ এক সুকীয়া স্থান আছে। আহিনৰ সৌন্দৰ্যই কবি, সাহিত্যিক আৰু গীতিকাৰসকলক যুগে যুগে আকৰ্ষিত কৰি আহিছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ পৰা আৰম্ভ কৰি ড° ভূপেন হাজৰিকালৈকে সকলোৱে শৰৎ আৰু আহিনৰ সৌন্দৰ্য নিজৰ সৃষ্টিৰাজিত তুলি ধৰিছে। ভূপেন হাজৰিকাৰ কণ্ঠৰ "কঁহুৱা বন মোৰ অশান্ত মন..." আদি গীতে আহিনৰ প্ৰকৃতি আৰু মানুহৰ মনৰ অনুভূতিক অমৰ কৰি ৰাখিছে। আধুনিক অসমীয়া কবিতাত আহিন হ'ল বিৰহ আৰু মিলনৰ এক অপূৰ্ব মিশ্ৰণ। কঁহুৱাৰ শুভ্ৰতাই মন ফৰকাল কৰাৰ বিপৰীতে লাহে লাহে সৰি পৰা শেৱালিয়ে বুকুত এক ক্ষন্তেকীয়া উদাসীনতা বা জীৱনৰ ক্ষণভংগতাৰ কথাও সোঁৱৰাই দিয়ে। বহুতো চুটি গল্প আৰু উপন্যাসত আহিনৰ পথাৰ আৰু কাতি বিহুৰ সৰল অথচ কৰুণ ছবিখন অতি সুন্দৰভাৱে চিত্ৰিত কৰা হৈছে।

আহিন কেৱল এটা মাহ বা ঋতুচক্ৰৰ এটা অংশই নহয়, ই হ'ল অসমীয়া জীৱনবোধৰ এক গভীৰ পাঠশালা। আহিনে আমাক শিকায় যে ধুমুহা আৰু বৰষুণৰ ক'লা ডাৱৰ সদায় আকাশত নাথাকে। আহিনৰ বুকুত আছে প্ৰকৃতিৰ স্নিগ্ধতা, কৃষকৰ আশা, সমাজৰ মিলন, সংস্কৃতিৰ ঐতিহ্য আৰু মানুহৰ অন্তৰৰ কোমল অনুভূতি। বৰষুণৰ পৰা নিৰ্মলতালৈ, ব্যস্ততাৰ পৰা প্ৰশান্তিলৈ আৰু শ্ৰমৰ পৰা আশালৈ যোৱাৰ এক যাত্ৰা। ইয়াৰ সৌন্দৰ্য বাহ্যিক দৃশ্যত যিমান, তাৰ অন্তৰ্নিহিত অৰ্থতো সিমানেই গভীৰ। অসমীয়া সমাজৰ জীৱনবোধ, সাংস্কৃতিক পৰম্পৰা আৰু প্ৰকৃতি-নিৰ্ভৰ অস্তিত্বক একেলগে প্ৰতিফলিত কৰাৰ বাবেই আহিন সঁচাকৈয়ে অসমীয়া সমাজ, সংস্কৃতি আৰু প্ৰকৃতিৰ এক অপূৰ্ব দাপোণ। কিন্তু সাম্প্ৰতিক সময়ত আধুনিকতাৰ অবাধ বিস্তাৰ, বনাঞ্চল ধ্বংস, দুৰ্যোগ, প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তনে ঋতুৰ স্বাভাৱিক ছন্দত প্ৰভাৱ পেলাইছে। অনিয়মীয়া বৰষুণ, অস্বাভাৱিক উষ্ণতা বা বানপানীৰ দৰে সমস্যাই কৃষিজীৱনকো অনিশ্চিত কৰি তুলিছে। প্ৰকৃতিৰ ৰূপ উপভোগ কৰাৰ অধিকাৰ যেনেকৈ আমাৰ আছে, তেনেকৈ তাক সুৰক্ষিত ৰখাৰ দায়িত্বও আমাৰে। পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত ব্যক্তিগত সচেতনতা আৰু সামাজিক উদ্যোগ দুয়োটাই প্ৰয়োজনীয়। আহিনে আচলতে মানুহ আৰু প্ৰকৃতিৰ মাজৰ সেই চিৰন্তন সম্পৰ্কটোক আমাৰ সন্মুখত মুকলি কৰে। কৃষকৰ ঘাম, পথাৰৰ শস্য, নদীৰ সোঁত, গছৰ সেউজীয়া, চৰাইৰ মাত আৰু ঋতুৰ পৰিৱৰ্তন— এই সকলোবোৰ মিলিহে জীৱনৰ সামগ্ৰিক ছবি এখন গঢ় লৈ উঠে। এই ছবিৰ পৰা কোনো এটা উপাদান আঁতৰাই দিলে তাৰ পূৰ্ণতা নষ্ট হয়। সেয়েহে আহিনক উপলব্ধি কৰা মানে কেৱল শৰতৰ সৌন্দৰ্য উপভোগ কৰা নহয়, নিজৰ মাটি, মানুহ আৰু ঐতিহ্যৰ সৈতে থকা সম্পৰ্ককো অন্তৰৰ পৰা অনুভৱ কৰা।

লেখকৰ ঠিকনা ঃ তিতাবৰ, যোৰহাট

ছ'চিয়েল মিডিয়াৰ '৮০ৰ দশকৰ এআই ট্ৰেণ্ড

বৰ্তমান ছচিয়েল মিডিয়া খোলিলেই চকুত পৰে এটা নতুন ট্ৰেণ্ড। মন্ত্ৰী, বিধায়ক, নেতা-পালি নেতাৰ পৰা আৰম্ভ কৰি চিনেমা জগতৰ তাৰকা আৰু সৰ্বসাধাৰণ ছ'চিয়েল মিডিয়াত সক্ৰিয় ব্যৱহাৰকাৰী— সকলোৱেই যেন বৰ্তমান বুৰ গৈছে ৮০ৰ দশকৰ এআই ট্ৰেণ্ড'ত। কৃত্ৰিম বুদ্ধিমত্তা বা এআই ব্যৱহাৰ কৰি মুহূৰ্তৰ ভিতৰতে নিজৰ বৰ্তমানৰ ফটোখনক ৮০ৰ দশকৰ সাজ-পোছাক আৰু শৈলীলৈ সলনি কৰি সকলোৱে পোষ্ট কৰিছে। দাবী কৰা হৈছে— ইয়াৰ দ্বাৰা হেনো ৮০ৰ দশকৰ হেৰাই যোৱা স্মৃতি ঘূৰি আহিছে। কিন্তু বৰ্তমানৰ চৰা বজাৰদৰ আৰু অৰ্থনৈতিক সংকটৰ মাজত জীৱন সংগ্ৰাম কৰা সাধাৰণ মানুহৰ বাবে এই যান্ত্ৰিক কাৰচাজি কেৱল এক ডিজিটেল ভণ্ডামি আৰু ক্ৰুৰ পৰিহাস যেনহে অনুভৱ হয়।

আজিৰ দিনত বজাৰলৈ গ'লে সাধাৰণ মানুহৰ মূৰত আকাশ ঘহি পৰে। পেট্ৰ'ল-ডিজেলৰ পৰা আৰম্ভ কৰি ৰন্ধন গেছ আৰু প্ৰতিখন শাক-পাচলি, দাইল-চাউলৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে মধ্যবিত্ত আৰু নিম্নবিত্ত সমাজৰ পকেট উদং কৰি দিছে। অথচ, ৮০ৰ দশকত অতি কম টকাৰেই এটা পৰিয়ালে গোটেই মাহটো আনন্দৰে চলিব পাৰিছিল। বজাৰ মূল্য কম থকাৰ বাবে মানুহৰ মাজত আজিৰ দৰে হাহাকাৰ বা মানসিক চাপ নাছিল। আজিৰ দিনত হাজাৰ হাজাৰ টকা খৰচ কৰিও পৰিয়াল এটা চলাবলৈ থতমত খাবলগীয়া অৱস্থাত, ছচিয়েল মিডিয়াত এআই ফটো দি ৮০ৰ দশকৰ সোৱাদ লোৱাৰ ফেশ্বনটোৱে পুৰণি দিনৰ সেই স্বস্তি আৰু শান্তিপূৰ্ণ স্মৃতিক তীব্ৰভাৱে ম্লান কৰা যেন অনুভৱ হয়।



প্ৰকৃতিৰ ধ্বংস আৰু সমাজৰ জটিলতা ঃ

উন্নয়নৰ নামত আজি আমি প্ৰকৃতিৰ বিনন্দীয়া ৰূপ ধূলিসাৎ কৰিছোঁ। অসমৰ মহান মণীষী আনন্দৰাম ঢেকিয়াল ফুকনে এদিন কৈছিল— "অসমৰ হাবি গুচি ফুলবাৰী হ'ব।" কিন্তু আজিৰ যান্ত্ৰিক যুগত সেই কথাশাৰী এক ভয়ংকৰ ৰূপত সঁচা প্ৰমাণিত হৈছে। উন্নয়ন কৰাৰ নামত যধে-মধে গছ কটা হৈছে, পাহাৰ খন্দা হৈছে। যাৰ পৰিণতিত বন্য জীৱ-জন্তুৰ বাসস্থান ধ্বংস পাইছে আৰু হাতী-মানুহৰ সংঘাত চৰম পৰ্যায় পাইছেগৈ। একেদৰে, মানুহৰ মনবোৰো আজি ইজনে সিজনৰ প্ৰতি স্বাৰ্থপৰ আৰু জটিল হৈ পৰিছে। সমাজত হত্যা, লুণ্ঠন আৰু প্ৰৱঞ্চনাৰ ঘটনা দিনক দিনে বৃদ্ধি পাইছে।

পৰিৱৰ্তনৰ নতুন পোহৰ ঃ এক আশাৰ বতৰা

কিন্তু আন্ধাৰ যিমানেই গভীৰ নহওক কিয়, পূব আকাশত ৰেঙণি ওলাবই। ছচিয়েল মিডিয়াৰ এই এআই ট্ৰেণ্ডে হয়তো আমাক ক্ষন্তেকীয়া আমোদ দিছে, কিন্তু ইয়াৰ এটা ইতিবাচক দিশো আছে। এই ট্ৰেণ্ডটোৱেই আজি আমাৰ নতুন প্ৰজন্মক সোঁৱৰাই দিছে যে আমাৰ অতীতটো কিমান সুন্দৰ, শান্ত আৰু নিৰ্ভেজাল আছিল। ই মানুহৰ মনত পুৰণি দিনৰ সেই হেৰাই যোৱা প্ৰমূল্যবোধৰ প্ৰতি এক তীব্ৰ হাবিয়াস আৰু সাৰ পাই উঠা চেতনাৰ সৃষ্টি কৰিছে।

আজিৰ এই জটিল ক্ষণতো বহু সচেতন যুৱক-যুৱতী আৰু সমাজে প্ৰকৃতি সুৰক্ষাৰ বাবে আকৌ কঁকালত টঙালি বান্ধিছে। যধে-মধে গছ কটাৰ বিৰুদ্ধে এতিয়া কেৱল চৰকাৰী আইন নহয়, জনসাধাৰণ নিজে সজাগ হৈ পৰিছে; বন্যপ্ৰাণীক সুৰক্ষা দিবলৈ থলুৱা প্ৰচেষ্টা গঢ়ি উঠিছে। বজাৰত বিষাক্ত ৰাসায়নিক খাদ্যৰ বিপৰীতে এতিয়া পুনৰ থলুৱা, অৰ্গেনিক আৰু প্ৰাকৃতিক কৃষি পদ্ধতিৰ আদৰ বাঢ়িবলৈ ধৰিছে। মানুহে বুজি উঠিছে যে প্ৰযুক্তিৰ যান্ত্ৰিকতাতকৈ বুকুৰ মৰম আৰু আন্তৰিকতাহে আচল।

জোৰ কৰি পুৰণি দিনৰ ৰূপ ল'লেই পুৰণি মূল্যবোধ ঘূৰি নাহে সঁচা, কিন্তু আজিৰ মানুহে সেই পুৰণি শান্তিময় দিনবোৰলৈ ঘূৰি যাবলৈ যি ব্যাকুলতা প্ৰকাশ কৰিছে, সেয়াই আমাক এক উজ্জ্বল ভৱিষ্যতৰ আশা দেখুৱাইছে। ছচিয়েল মিডিয়াৰ এই ডিজিটেল ট্ৰেণ্ডটোৱেই এদিন বাস্তৱ জীৱনৰ এক ডাঙৰ বিপ্লৱলৈ পৰিণত হ'ব, য'ত মানুহে আকৌ ইজনে সিজনক বিশ্বাস কৰিবলৈ শিকিব, প্ৰকৃতি সেউজীয়া হ'ব আৰু সমাজখন মূল্যবৃদ্ধি আৰু জটিলতাৰ ঊৰ্ধ্বলৈ গৈ আকৌ এবাৰ নিৰ্ভেজাল মৰমেৰে উপচি পৰিব। অতীতৰ সোণালী স্মৃতিয়ে আমাৰ বৰ্তমানক সজাই তোলাৰ শক্তি দিওক—তাৰেই কামনাৰে।

শচীন্দ্ৰ কুমাৰ দাস

লেখকৰ ঠিকনা ঃ পলাশবাৰী

AIৰ যুগত ট্ৰেণ্ডতকৈ জৰুৰী সচেতনতা

আজিকালি ফেচবুক, ৱাটছএপ, ইনষ্টাগ্ৰাম আদি সামাজিক মাধ্যম খুলিলেই এখন অদ্ভুত পৃথিৱী চকুত পৰে। কোনোবাই AI-ৰ সহায়ত নিজকে ৰাজকুমাৰ সজাইছে, কোনোবাই আৰক্ষী বিষয়াৰ ৰূপ লৈছে, কোনোবাই আকৌ ৮০ৰ দশকৰ চিনেমাৰ নায়ক-নায়িকাৰ সাজত নিজকে এবাৰ চাইছে। মুহূৰ্ততে যেন সাধাৰণ মানুহজনো পৰ্দাৰ নায়ক হৈ পৰিছে। এখন ফটো, কেইটামান শব্দ আৰু মুহূৰ্ততে AI-ৰ সহায়ত বাস্তৱৰ মানুহজনৰ ৰূপ সলনি হৈ গৈছে। এই বোৰ দেখিবলৈ নিঃসন্দেহে আমোদ-জনক। নিজৰ এখন সাধাৰণ ফটোক কল্পনাৰ জগতলৈ লৈ যোৱাৰ আনন্দও কম নহয়। প্ৰযুক্তিয়ে আমাৰ সৃষ্টিশীলতাৰ বাবে নতুন এখন দুৱাৰ মুকলি কৰি দিছে। কিন্তু এই আনন্দৰ মাজতে সকলোৱে উপলব্ধি কৰা উচিত যে আমি কিমান সচেতনভাৱে এই প্ৰযুক্তি ব্যৱহাৰ কৰিছোঁ? ট্ৰেণ্ড এটা আহিলেই আমি কিয় তাৰ পাছত দৌৰো? আনজনে কৰিলে আমিও যে কৰিবই লাগিব বুলি ভবা এই মানসিকতাই কেতিয়াবা আমাক নিজৰ বিবেচনা শক্তিৰ পৰা আঁতৰাই নিয়ে। সামাজিক মাধ্যমত কোনো এটা বস্তু ভাইৰেল হ'লেই যে সেইটো ভাল, নিৰাপদ বা উপযুক্ত এনে নহয়।



বিশেষকৈ AI-ৰ সহায়ত প্ৰস্তুত কৰা ফটো আৰু তথ্যৰ ক্ষেত্ৰত অলপ সাৱধান হোৱাটো অত্যন্ত প্ৰয়োজনীয়। আমি যিখন ফটো এটা এপত আপলোড কৰিছোঁ সেই ফটোখনৰ লগত থকা আমাৰ ব্যক্তিগত তথ্য, মুখমণ্ডলৰ বৈশিষ্ট্য বা অন্যান্য তথ্য কেনেদৰে ব্যৱহাৰ হ'ব পাৰে, সেই কথা আমি কিমানজনে ভাবোঁ? যিকোনো এটা এপ ব্যৱহাৰ কৰাৰ আগতে তাৰ গোপনীয়তা নীতি, অনুমতি আৰু তথ্য ব্যৱহাৰৰ নিয়ম সম্পৰ্কে অলপ জ্ঞান আহৰণ কৰি লোৱা উচিত। আন এটা ডাঙৰ বিপদ হৈছে AI-এ সৃষ্টি কৰা ফটো বা ভিডিঅ'বোৰক বাস্তৱ বুলি বিশ্বাস কৰা। আজি কাৰোবাক ৰাজকুমাৰৰ ৰূপত সজাই তোলা হৈছে, কাইলৈ হয়তো কোনো বাস্তৱ ঘটনাকেই AI-ৰ সহায়ত সম্পূৰ্ণ বেলেগ ৰূপত দেখুওৱা হ'ব পাৰে। ফটো আৰু ভিডিঅ' দেখিলেই সত্য বুলি মানি লোৱাৰ দিন এতিয়া শেষ হ'ল। মই ভাবো, বৰ্তমান সামাজিক মাধ্যমত আমাৰ এটা সৰু অভ্যাস নতুনকৈ গঢ় লৈ উঠিছে। যিকোনো বস্তু এটা প্ৰথমে দেখি ভাল লগা আৰু তাৰ পিছত সেইটো শ্বেয়াৰ নকৰাকৈ নথকা। কিন্তু এতিয়া সময় আহিছে এই ক্ৰমটো অলপ সলনি কৰাৰ। অৰ্থাৎ, যিকোনো এটা বস্তুৰ সত্যতা প্ৰথমে পৰীক্ষা কৰা আৰু তাৰ পিছতহে শ্বেয়াৰ কৰা। এয়া ক'ব নোৱাৰি যে প্ৰযুক্তি আমাৰ বাবে শত্ৰু। বৰং সঠিক ব্যৱহাৰত এইবোৰ আমাৰ বাবে অতি উপকাৰী হ'ব পাৰে। সকলো বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থাকে। ঠিক সেইদৰে ট্ৰেণ্ডৰ অংশ হোৱাটো বেয়া কথা নহয়। নিজৰ এখন ধুনীয়া ফটো AI-ৰ জৰিয়তে প্ৰস্তুত কৰি আনন্দ লোৱাতো কেতিয়াও দোষ হ'ব নোৱাৰে। কিন্তু সেই আনন্দৰ নামত নিজৰ ব্যক্তিগত তথ্য, পৰিচয়, গোপনীয়তা আৰু বিবেচনাবোধক যেন বিসৰ্জন দিয়া নহয়, তাৰ প্ৰতিও সম্যক দৃষ্টি ৰখা উচিত। আজিৰ এই ডিজিটেল পৃথিৱীখনত আটাইতকৈ প্ৰয়োজনীয় দক্ষতা হয়তো কেৱল AI ব্যৱহাৰ কৰিব জনাটো নহয়; AI-এ দেখুওৱা কথাবোৰৰ মাজত কোনটো সত্য, কোনটো কল্পনা আৰু কোনটো বিপদজ্জনক সেইটো চিনিব পৰাটোহে আচল জ্ঞান। এনেদৰে হয়তো পুনৰ ট্ৰেণ্ড আহিব আৰু যাব। কিন্তু আমাৰ সচেতনতা, ব্যক্তিগত গোপনীয়তা আৰু বিবেচনাবোধ যেন কোনো ট্ৰেণ্ডৰ লগত উটি-ভাহি নাযায়। কাৰণ ডিজিটেল পৃথিৱীত সকলোৱে দৰে হোৱাতকৈ নিজৰ সিদ্ধান্তটো নিজে লোৱাটোৱেই অধিক গুৰুত্বপূৰ্ণ। শেষত মই এটা কথাই কওঁ— 'সাৱধানৰ বিনাশ নাই।'

উৰিশ্মা নাথ

গৰুখুটি, দৰং

আহিন আৰু শৰতৰ পৰশত জীপাল আছিল জুবিনৰ অসম

অজিত বৰুৱা

অসমৰ ঋতুচক্ৰত আহিন আৰু শৰৎ কেৱল এটা মাহ বা এটা ঋতুৰ নাম নহয়, ই হৈছে অসমীয়া মানুহৰ অনুভূতি, স্মৃতি, প্ৰকৃতি, উৎসৱ আৰু সংগীতৰ সৈতে গভীৰভাৱে জড়িত এক সাংস্কৃতিক অভিজ্ঞতা। বৰষুণে ধুৱাই নিয়া সেউজীয়া পথাৰ, দুবৰিৰ আগত জমা হোৱা নিয়ৰৰ মুকুতা, পদূলিত সৰি পৰা শেৱালিৰ শুভ্ৰ দলিচা, নীলা আকাশত ভাঁহি ফুৰা বগা মেঘ, নদীৰ বুকুত প্ৰতিফলিত হোৱা শৰতৰ পোহৰ— এই সকলোবোৰ মিলিয়েই যেন অসমীয়াৰ মনত শৰতৰ এখন নিজস্ব ছবি আঁকে। সেই ছবিখনক আধুনিক অসমীয়া সংগীতৰ ভাষাত অধিক জীৱন্ত, অধিক স্পন্দনশীল আৰু অধিক জনপ্ৰিয় কৰি তোলা শিল্পীসকলৰ ভিতৰত জুবিন গাৰ্গৰ স্থান বিশেষ।

জুবিন গাৰ্গৰ গীতত প্ৰকৃতি কেৱল সৌন্দৰ্যৰ পটভূমি নহয়, প্ৰকৃতি হৈছে অনুভূতিৰ ভাষা। নিয়ৰ তেওঁৰ বাবে কেৱল ৰাতিপুৱাৰ জলকণা নহয়, শেৱালি কেৱল ফুল নহয়, শৰৎ কেৱল ঋতু নহয়। এইবোৰ প্ৰেম, বিষাদ, অপেক্ষা, স্মৃতি, সপোন আৰু জীৱনৰ ক্ষণস্থায়ীতাৰ ৰূপক হৈ পৰে। সেইবাবেই জুবিনৰ কণ্ঠত শৰতৰ গান শুনিলে কেৱল শৰতৰ গান শুনা নুবুজায়, ইয়াৰ জৰিয়তে এনে এখন অসমৰ বিষয়ে শুনো— যি অসমে পথাৰৰ গোন্ধ লয়, নদীৰ সোঁতত কথা কয়, শেৱালিৰ সুবাসত অতীতক বিচাৰে আৰু নিয়ৰৰ টোপালত সাঁচি ৰাখে অনন্ত সোঁৱৰণি।

জুবিনৰ সংগীত জীৱনৰ আৰম্ভণিৰ সৈতে শাৰদীয় সময়ৰো এক বিশেষ সম্পৰ্ক আছে। তেওঁৰ প্ৰথম অডিঅ' এলবাম 'অনামিকা' ১৯৯৩ চনৰ শাৰদীয় পূজাৰ সময়ত মুক্তি পাইছিল বুলি প্ৰকাশিত তথ্যত উল্লেখ আছে। সেই এলবামে অসমীয়া আধুনিক সংগীতত নতুন ধৰণৰ শব্দ, সুৰ আৰু উপস্থাপনৰ সম্ভাৱনা উন্মোচন কৰিছিল। অৰ্থাৎ জুবিনৰ সংগীতৰ জোৱাৰ আৰু অসমৰ শাৰদীয় সাংস্কৃতিক পৰিৱেশৰ মাজত এক ঐতিহাসিক স্মৃতিৰ সম্পৰ্কও গঢ় লৈ উঠিছে।

আহিন আহিলে অসমীয়াৰ মনত প্ৰথমে যিকেইটা শব্দ উজলি উঠে, তাৰ ভিতৰত 'নিয়ৰ', 'শেৱালি', 'কুঁৱলী', 'দুবৰি', 'নীলা আকাশ', 'শৰত' অন্যতম। এই শব্দবোৰ অসমীয়া কবিতা আৰু গীতৰ বহু পুৰণি সম্পদ। কিন্তু জুবিনে এই শব্দবোৰক নতুন প্ৰজন্মৰ কাণত নতুন সুৰেৰে সংস্থাপিত কৰিলে। তেওঁৰ গীতত প্ৰকৃতি আৰু প্ৰেমৰ সীমাৰেখা বহু সময়ত অস্পষ্ট হৈ পৰে। প্ৰকৃতিয়ে যেন প্ৰেমিকাৰ ৰূপ লয় আৰু প্ৰেম যেন প্ৰকৃতিৰ মাজত বিলীন হৈ পৰে। ইয়াৰ এক উজ্জ্বল উদাহৰণ 'নিয়ৰৰে ফুল'। গীতটোৰ মূল গীতিকাৰ নৱকান্ত বৰুৱা আৰু জুবিন গাৰ্গে ইয়াত কণ্ঠদান কৰাৰ লগতে সংগীতৰ সৈতে জড়িত আছিল। গীতটোৰ আৰম্ভণিৰ অতি সংক্ষিপ্ত কিন্তু স্মৰণীয় পংক্তি— "নিয়ৰৰে ফুল, এপাহ ফুলিল"— নিয়ৰক ফুলৰ সৈতে একাকাৰ কৰি তোলে।

এই কেইটা শব্দৰ ভিতৰতে নিহিত হৈ আছে এক গভীৰ নান্দনিকতা। নিয়ৰৰ টোপালক ফুলৰ সৈতে তুলনা কৰাৰ অৰ্থ হ'ল প্ৰকৃতিৰ ক্ষণস্থায়ী সৌন্দৰ্যক এক স্থায়ী কাব্যিক ৰূপ দিয়া। ফুল ফুলে আৰু সৰে, নিয়ৰ পৰে আৰু শুকাই যায়। দুয়োটাৰে অস্তিত্ব ক্ষণিকৰ, কিন্তু সেই ক্ষণিকতাই সৌন্দৰ্যৰ গভীৰতা বৃদ্ধি কৰে। জীৱনো তেনেকুৱাই। যিটো মুহূৰ্ত এতিয়া আমাৰ হাতত, পৰৱৰ্তী মুহূৰ্ততে সেয়া স্মৃতি হৈ পৰে। 'নিয়ৰৰে ফুল'ত নৱকান্ত বৰুৱাৰ কাব্যিক কল্পনা আৰু জুবিনৰ কণ্ঠ মিলি সৃষ্টি কৰা পৰিৱেশটো বিশেষভাৱে শাৰদীয় বুলিব পাৰি। গীতটোত আকাশ, মেঘ, নিয়ৰ, ৰাতি, তৰা আদি চিত্ৰকল্পৰ মাজেৰে এক সপোনময় জগত গঢ় লৈ উঠে।

কিন্তু জুবিনৰ গায়কীৰ বৈশিষ্ট্য হৈছে— তেওঁ শব্দবোৰক কেৱল উচ্চাৰণ নকৰে, অনুভৱ কৰায়। ফলত নিয়ৰৰ কথা গাঁৱতে শ্ৰোতাৰ মনত সঁচাকৈয়ে যেন পুৱাৰ দুবৰিৰ ওপৰত জমা হোৱা টোপালৰ ছবি ভাঁহি উঠে। জুবিনৰ 'শৰতৰে এটি' গীতটো এই আলোচনাৰ ক্ষেত্ৰত আৰু অধিক প্ৰাসংগিক। গীতটোৰ আৰম্ভণিতেই আছে—"শৰতৰে এটি/ সেমেকা ৰাতি"— এই অতি চমু পংক্তিদ্বয়ে শৰতৰ এক সম্পূৰ্ণ অনুভূতি সৃষ্টি কৰে। 'সেমেকা ৰাতি'— এই শব্দযুগলৰ ভিতৰত আছে নিয়ৰৰ শীতলতা, নিশাৰ নীৰৱতা আৰু এক অনিৰ্বচনীয় অপেক্ষা। গীতটোৰ পৰৱৰ্তী ভাবনাত কবিতা লিখিবলৈ বিচৰা এজন সংবেদনশীল মানুহৰ মনোজগত উন্মোচিত হয়। শৰতৰ ৰাতি, নিয়ৰৰ শব্দ, নীৰৱতা আৰু হঠাতে অহা কোনো দৃশ্যই তেওঁৰ ভিতৰৰ সৃষ্টিশীলতাক জগাই তোলে। অৰ্থাৎ ইয়াত শৰৎ বাহিৰৰ প্ৰকৃতি নহয়, শৰৎ হৈছে ভিতৰৰ কবিক জগাই তোলা এক শক্তি।



এই খিনিতেই জুবিনৰ গীতৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য ধৰা পৰে। তেওঁৰ গীতত প্ৰকৃতি আৰু মানুহ পৃথক নহয়। প্ৰকৃতিৰ পৰিৱৰ্তন মানেই মানুহৰ অন্তৰৰ পৰিৱৰ্তন। শৰৎ আহিলে আকাশ পৰিষ্কাৰ হয়, কিন্তু তাৰ লগে লগে মানুহৰ মনতো যেন কোনো অদৃশ্য খিৰিকী খুলি থৈ যায়। সেই খিৰিকীৰে সোমাই আহে স্মৃতি, প্ৰেম আৰু কবিতা।

আহে বা নাহে ঘুমতি গীতটোতো শৰৎ আৰু শেৱালিৰ এক সুন্দৰ সম্পৰ্ক দেখা যায়। গীতটোৰ এটা অতি চমু অংশত "নিয়ৰ" আৰু "শেৱালি"ৰ সংযোগে শৰতৰ স্বাভাৱিক পৰিৱেশটো নিৰ্মাণ কৰিছে। এইখিনিত শেৱালি যেন কেৱল ফুল নহয়, ই অপেক্ষাৰ প্ৰতীক। ৰাতিৰ ভিতৰত ফুলি পুৱাতে সৰি পৰা শেৱালিৰ দৰে কিছুমান অনুভূতিও মানুহৰ জীৱনলৈ আহে আৰু অলপ পিছতে স্মৃতি হৈ ৰয়।

এই ক্ষণস্থায়ীতাৰ অনুভৱ জুবিনৰ বহু গীতৰ অন্তৰাত্মাত আছে। তেওঁৰ কণ্ঠৰ স্বাভাৱিক কৰুণতা আৰু উচ্ছ্বাস— দুয়োটাই এই ঋতুৰ সৈতে বিশেষভাৱে খাপ খায়। শৰৎ নিজেই যেন দ্বৈত অনুভূতিৰ ঋতু। এফালে আকাশ নীলা, বতাহ কোমল, শেৱালি শুভ্ৰ, আনফালে বৰষুণৰ বিদায়ৰ বিষাদ, পুৰণি দিনৰ স্মৃতি আৰু উৎসৱৰ আগমনৰ উৎকণ্ঠা। জুবিনৰ কণ্ঠতো এই দুয়োটা অনুভূতি একেলগে থাকে।

অসমীয়া সমাজত আহিন-শৰৎ মানেই উৎসৱৰো আগমন। দুৰ্গাপূজা, লক্ষ্মীপূজা, কাতি বিহু, বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান—এই সময়খিনি মানুহৰ সমবেত আনন্দৰ সময়। জুবিনৰ সংগীতে এই সমবেত আনন্দকো বিশেষভাৱে স্পৰ্শ কৰিছিল। তেওঁৰ গীত কেৱল ব্যক্তিগত প্ৰেমৰ গান নহয় বহু ক্ষেত্ৰত সেইবোৰ অসমৰ সামূহিক স্মৃতিৰ অংশ হৈ পৰিছিল।

জুবিনৰ সংগীতৰ বিশেষত্ব আছিল তেওঁ আধুনিকতাক গ্ৰহণ কৰিও অসমী আইৰ মাটি এৰি যোৱা নাছিল। ৰক, পপ, ব্লুজ, জাজ অথবা আধুনিক শব্দ-প্ৰযুক্তিৰ বিভিন্ন প্ৰভাৱ থাকিলেও তেওঁৰ বহু গীতৰ অন্তৰাত্মাত আছিল অসমৰ মাটিৰ গোন্ধ। অনামিকাৰ ক্ষেত্ৰতো পশ্চিমীয়া ৰক সংগীতৰ মূৰ্চনাৰ সৈতে অসমীয়া আধুনিক গীতৰ সংমিশ্ৰণৰ কথা আমি পাওঁ। এই সংমিশ্ৰণেই হয়তো তেওঁৰ সংগীতক নতুন প্ৰজন্মৰ সৈতে সংযোগ স্থাপন কৰাত সহায় কৰিছিল।

আহিনৰ কথা ক'লে অসমৰ দুবৰিৰ কথা ক'বই লাগিব। দুবৰিৰ ওপৰত নিয়ৰৰ টোপাল আৰু সেই টোপালৰ ওপৰত পৰি থকা পুৱাৰ সূৰ্যৰ পোহৰ—অসমীয়া কল্পনাত ইয়াতকৈ স্বাভাৱিক শৰতৰ ছবি কমেই আছে। নৱকান্ত বৰুৱাৰ বিখ্যাত শাৰদীয় কল্পনাতো নিয়ৰ, শেৱালি আৰু দুবৰিৰ এই আন্তঃসম্পৰ্ক দেখা যায়। জুবিনে এনে পৰম্পৰাগত প্ৰকৃতি-চেতনাক আধুনিক শ্ৰোতাৰ মাজলৈ সুৰৰ জৰিয়তে লৈ আহিছিল।

ইয়াত এটা কথা বিশেষভাৱে উল্লেখযোগ্য- জুবিনৰ গীতত 'অসম' বহু সময়ত কোনো ভৌগোলিক মানচিত্ৰ হিচাবে ধৰা দিয়া নাই। তেখেতৰ দৃষ্টিত অসম হৈছে এটা অনুভৱ। সেই অনুভৱৰ ভিতৰত আছে ব্ৰহ্মপুত্ৰ, পথাৰ, বৰষুণ, শৰৎ, শেৱালি, নিয়ৰ, বিহু, গাঁও, নগৰ, প্ৰেম আৰু মানুহ। সেয়ে "জুবিনৰ অসম" বুলি ক'লে আমি কেৱল তেওঁৰ জন্মভূমি বা কৰ্মভূমিক নুবুজোঁ, বুজোঁ তেওঁৰ গীতৰ ভিতৰত নিৰ্মিত এখন সাংস্কৃতিক অসমক।

এই অসমখন বিশেষকৈ আহিন-শৰতত যেন অধিক স্পষ্ট হৈ উঠে। বৰষুণৰ দীঘলীয়া অধ্যায়ৰ অন্তত আকাশ মুকলি হয়। পথাৰ সেউজীয়া হৈ থাকে। নদীৰ পানী কিছু স্থিৰ হয়। বতাহত উৎসৱৰ আগজাননী থাকে। পদূলিত শেৱালি সৰে। দূৰৰ নামঘৰৰ ঘণ্টাধ্বনি অথবা পূজাৰ ঢাকৰ শব্দই পৰিৱেশ সলনি কৰে। এই সামগ্ৰিক পৰিৱেশৰ সৈতে জুবিনৰ গীতৰ এক অন্তৰংগ সাদৃশ্য আছে।

তেওঁৰ নিয়ৰৰে ফুলৰ দৰে গীতত শৰৎ হৈছে স্মৃতিৰ ঋতু। শৰতৰে এটিত শৰৎ হৈছে সৃষ্টিশীলতাৰ ঋতু। আহে বা নাহে ঘুমতিত শৰৎ হৈছে প্ৰেম আৰু অপেক্ষাৰ ঋতু। এই তিনিটা গীতৰ মাজেৰে চালে দেখা যায় যে জুবিনে শৰতক একমাত্ৰ অৰ্থত ব্যৱহাৰ কৰা নাই। তেওঁ শৰৎক কেতিয়াবা প্ৰেমৰ, কেতিয়াবা বিষাদৰ, কেতিয়াবা সৃষ্টিৰ আৰু কেতিয়াবা সোঁৱৰণিৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। এইখিনিতেই জুবিনৰ গীতৰ সাহিত্যিক মূল্যও নিহিত হৈ আছে। জনপ্ৰিয় গীতৰ ভাষা সাধাৰণতে সহজ হয়। কিন্তু সহজ মানেই অগভীৰ নহয়। "নিয়ৰৰে ফুল"ৰ দৰে অতি সৰল শব্দবন্ধই এক গভীৰ দাৰ্শনিক প্ৰশ্ন উত্থাপন কৰিব পাৰে—ফুলিল কোন? সৰিল কোন? সৌন্দৰ্য কিমান দিন থাকে? মানুহৰ জীৱন আৰু অনুভূতিৰ ক্ষেত্ৰতো একেই প্ৰশ্ন প্ৰযোজ্য।

শৰতৰ এই ক্ষণস্থায়ী সৌন্দৰ্যই জুবিনৰ কণ্ঠত এক বিশেষ আবেগ লাভ কৰে। তেওঁৰ কণ্ঠৰ গাঢ়তা আৰু উচ্চাৰণৰ স্বাভাৱিকতা গীতৰ শব্দৰ সৈতে একাত্ম হৈ যায়। সেয়ে তেওঁ যেতিয়া নিয়ৰ বা শেৱালিৰ কথা গায়, সেইবোৰ অভিধানৰ শব্দ হৈ নাথাকে, শ্ৰোতাৰ ব্যক্তিগত স্মৃতিৰ অংশ হৈ পৰে।

এজন মানুহে হয়তো শৈশৱত ঘৰৰ পদূলিত শেৱালি বুটলিছিল। কোনোবাই হয়তো বিদ্যালয়লৈ যোৱাৰ বাটত দুবৰিৰ ওপৰত নিয়ৰ দেখিছিল। কোনোবাই হয়তো শৰতৰ আকাশ চাই প্ৰথম কবিতা লিখিছিল। কোনোবাই হয়তো পূজাৰ বন্ধত গাঁৱলৈ উভতি গৈছিল। বহুজনৰ বাবে জুবিনৰ গীত সেই ব্যক্তিগত স্মৃতিবোৰৰ সৈতে সংযোগ স্থাপন কৰা এক সুবীয়া সেতু। সেইবাবেই জুবিনৰ সংগীতক কেৱল 'জনপ্ৰিয় সংগীত' বুলি সীমাবদ্ধ কৰি চোৱা উচিত নহয়। জনপ্ৰিয়তাৰ মাজেৰেও এটা যুগৰ সামাজিক-সাংস্কৃতিক স্মৃতি সংৰক্ষিত হৈ থাকে। অসমৰ নব্বৈৰ দশকৰ পৰা পৰৱৰ্তী প্ৰজন্মলৈ জুবিনৰ কণ্ঠই বহু পৰিৱৰ্তন প্ৰত্যক্ষ কৰিছে। কিন্তু প্ৰকৃতিৰ সৈতে তেওঁৰ সম্পৰ্ক অটুট আছিল। সময় সলনি হৈছে, শ্ৰোতাৰ ৰুচি সলনি হৈছে, সংগীতৰ প্ৰযুক্তি সলনি হৈছে; তথাপিও নিয়ৰ, শেৱালি, শৰৎ, আকাশ আৰু বতাহৰ দৰে প্ৰকৃতিৰ চিৰন্তন প্ৰতীকবোৰ তেওঁৰ গীতত নতুন নতুন অৰ্থ লৈ ঘূৰি আহিছে।

জুবিনৰ গীতৰ শৰৎ সেয়ে কেলেণ্ডাৰৰ শৰৎ নহয়। ই অনুভৱৰ শৰৎ। এই শৰতত অতীত আছে, বৰ্তমান আছে, ভৱিষ্যতৰ আশাও আছে। এই শৰতত প্ৰেম আছে, কিন্তু প্ৰেমৰ সৈতে বিচ্ছেদৰ আশংকাও আছে। আনন্দ আছে, কিন্তু আনন্দৰ ভিতৰতে স্মৃতিৰ বিষাদো আছে। সৌন্দৰ্য আছে, কিন্তু সৌন্দৰ্য যে ক্ষণস্থায়ী সেই উপলব্ধিও আছে।

এইখিনিতে নিয়ৰৰে ফুলৰ শিৰোনাম-টোৱেই যেন এক সম্পূৰ্ণ দৰ্শন। নিয়ৰক ফুল বুলি কোৱা মানে ক্ষণিকক চিৰন্তনৰ মৰ্যাদা দিয়া। জুবিনৰ সংগীতৰ শক্তিও তাতেই- তেওঁ ক্ষণিক অনুভূতিক সুৰৰ মাজেৰে দীঘলীয়া স্মৃতিত পৰিণত কৰিব পাৰিছিল।

আহিনৰ পুৱাৰ দৰে তেওঁৰ কিছুমান গীত কোমল, শৰতৰ আবেলিৰ দৰে কিছুমান গীত বিষাদময়, পূজাৰ ঢাকৰ দৰে কিছুমান গীত উচ্ছল আৰু শৰতৰ গভীৰ নিশাৰ দৰে কিছুমান গীত অন্তৰ্মুখী। এই বহুৰূপী সংগীত-চৰিত্ৰই জুবিনক অসমীয়া সংগীতৰ এক অনন্য শিল্পী কৰি তুলিছে।

শৰতৰ সৈতে অসমৰ কৃষিজীৱনৰো গভীৰ সম্পৰ্ক আছে। বৰষুণৰ অন্তত পথাৰে নতুন ৰূপ লয়। কৃষকৰ মনত নতুন আশাৰ জন্ম হয়। দূৰৰ ধাননিৰ সেউজীয়া ঢৌ আৰু নীলা আকাশৰ সংমিশ্ৰণে অসমীয়া গ্ৰাম্যজীৱনৰ এক চিৰপৰিচিত দৃশ্য সৃষ্টি কৰে। জুবিনৰ বহু গীতত গ্ৰাম্য অসমক পটভূমি হিচাপে লোৱা দেখা পোৱা যায়। যদিও প্ৰতিটো গীতত পোনপটীয়াকৈ 'শৰৎ' শব্দটো নাথাকে, তথাপি প্ৰকৃতি, মাটি আৰু মানুহৰ আন্তঃসম্পৰ্কই সেই শাৰদীয় অনুভৱ বহন কৰে।

এইখিনিতে জুবিনৰ সংগীতৰ গণমুখী চৰিত্ৰৰ কথাও আহে। তেওঁ নগৰীয়া যুৱসমাজৰ ভাষাত যেনেকৈ কথা কৈছিল, তেনেকৈ গাঁৱৰ মানুহৰ অনুভূতিকো সুৰ দিছিল। তেওঁৰ সংগীতত অসমীয়া সমাজৰ বিভিন্ন স্তৰৰ মানুহে নিজকে বিচাৰি পাইছিল। সেইবাবেই তেওঁৰ গীতৰ শৰৎ কোনো নিৰ্দিষ্ট শ্ৰেণীৰ শৰৎ নহয়— ই সকলোৰে শৰৎ।

এজন বৃদ্ধৰ বাবে ই হ'ব পাৰে যৌৱনৰ স্মৃতি। এজন যুৱকৰ বাবে ই হ'ব পাৰে নতুন প্ৰেমৰ আৰম্ভণি। এজন কবিৰ বাবে ই হ'ব পাৰে সৃষ্টিৰ ঋতু। এজন কৃষকৰ বাবে ই হ'ব পাৰে পথাৰৰ আশাৰ সময়। এজন শিশুৰ বাবে ই হ'ব পাৰে পূজাৰ আনন্দ। জুবিনৰ গীতে এই সকলো অনুভূতিক একেলগে ধৰি ৰাখিব পাৰে।

শৰতৰ আকাশৰ দৰে তেওঁৰ সংগীতৰো এক বিস্তৃতি আছে। কেতিয়াবা গাঢ় নীলা, কেতিয়াবা বগা মেঘেৰে ভৰা, কেতিয়াবা ৰৌদ্ৰোজ্জ্বল, কেতিয়াবা সন্ধিয়াৰ কোমল পোহৰেৰে ৰঞ্জিত। কিন্তু সকলো ৰূপৰ মাজতে থাকে এক অসমীয়া সুৰ।

আজিৰ ডিজিটেল যুগত সংগীত শুনাৰ পদ্ধতি সলনি হৈছে। কেছেট, চিডি, ৰেডিঅ' আৰু মঞ্চৰ পৰা সংগীত মোবাইল ফোন, ষ্ট্ৰীমিং প্লেটফৰ্ম আৰু সামাজিক মাধ্যমলৈ আহিছে। তথাপিও শৰৎ আহিলে জুবিনৰ গীতৰ প্ৰাসংগিকতা কমি যোৱা নাই। কাৰণ ঋতু সলনি হ'লেও মানুহৰ অনুভৱ সলনি হোৱা নাই। আজিও নিয়ৰ পৰে, শেৱালি ফুলে, নীলা আকাশ দেখা যায় আৰু মানুহে কোনোবা এজনক মনত পেলায়। সেয়েহে 'মনলৈ অহা' মানুহজনৰ সৈতে জুবিনৰ গীতৰ গভীৰ সম্পৰ্ক আছে। তেওঁৰ গীত বহুজনৰ ব্যক্তিগত জীৱনৰ soundtrack হৈ পৰিছে। প্ৰেমৰ দিন, বিচ্ছেদৰ দিন, বিদ্যালয়-কলেজৰ দিন, বন্ধুত্বৰ দিন, গাঁৱৰ পৰা নগৰলৈ অহাৰ দিন— বহু স্মৃতিৰ সৈতে তেওঁৰ গীত সংযুক্ত। ফলত জুবিনৰ গীত শুনা মানে বহুজনৰ বাবে কেৱল সংগীত শুনা নুবুজায়, যেন ই নিজৰ অতীতৰ সৈতে পুনৰ সাক্ষাৎ কৰা তেনে অৰ্থ প্ৰকাশ কৰে।

আহিন-শৰতৰ এই আলোচনাত সেয়ে জুবিনক কেৱল গায়ক হিচাপে চালে বিষয়টো অসম্পূৰ্ণ হৈ ৰয়। তেওঁ আছিল এক সাংস্কৃতিক স্মৃতিৰ নিৰ্মাতা। তেওঁৰ কণ্ঠই অসমীয়া প্ৰকৃতিৰ বহু প্ৰতীকক নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি ৰাখিছে। 'নিয়ৰ', 'শেৱালি', 'শৰত', 'আকাশ', 'ৰাতি', 'সপোন'— এই শব্দবোৰ তেওঁৰ গীতত পুনৰাবৃত্তি হ'লেও একেবাৰে একে অৰ্থত নাহে। প্ৰতিবাৰেই নতুন অনুভৱৰ সৈতে আহে।

শৰতৰ সৌন্দৰ্যৰ মাজত এক গভীৰ বিষাদ থাকে— এই সত্যটো জুবিনৰ সংগীতৰ সৈতে বিশেষভাৱে মিল খায়। শেৱালি ফুলে, কিন্তু সৰি যায়। নিয়ৰ জিলিকে, কিন্তু শুকাই যায়। সন্ধিয়া নামে, কিন্তু পুৱা আহে। প্ৰেম আহে, কেতিয়াবা আঁতৰি যায়। মানুহ আহে, এদিন গুচি যায়। সংগীতহে কেতিয়াবা স্মৃতিৰ ৰূপত ৰৈ যায়।

এই অৰ্থত জুবিনৰ গীত নিজেই যেন নিয়ৰৰ ফুল। এটা সময়ত সৃষ্টি হৈছিল, কোনো এটা সন্ধিয়া বা নিশাত কাৰোবাৰ হৃদয়ত জন্ম লৈছিল, কিন্তু পিছলৈ লাখ লাখ মানুহৰ স্মৃতিৰ অংশ হৈ ৰ'ল। নিয়ৰৰে ফুলৰ কাব্যিক প্ৰতীকৰ সৈতে তেওঁৰ সমগ্ৰ সংগীতজীৱনৰ এক আশ্চৰ্য সাদৃশ্য ইয়াতেই দেখা যায়।

অসমীয়া সংগীতৰ ইতিহাসত জুবিন গাৰ্গৰ অৱদানৰ মূল্যায়ন সময়ে আৰু অধিক গভীৰ কৰিব। কিন্তু সাধাৰণ শ্ৰোতাৰ স্মৃতিত তেওঁৰ মূল্যায়ন ইতিমধ্যে সম্পন্ন হৈছে। কাৰণ তেওঁলোকৰ জীৱনৰ বহু ঋতুৰ সৈতে জুবিনৰ কণ্ঠ জড়িত। বসন্তৰ প্ৰেম, বৰষুণৰ বিষাদ, শীতৰ নীৰৱতা আৰু আহিন-শৰতৰ নিয়ৰ-শেৱালি—প্ৰতিটো ঋতুতে তেওঁৰ কোনোবা নহয় কোনোবা গীত যেন মানুহৰ কাষত আছে।

আহিন আহিলে সেয়ে অসমৰ আকাশলৈ চালে কেৱল বগা মেঘ নেদেখি জুবিনৰ গীতৰ কোনো এটা সুৰো যেন শুনা যায়। দুবৰিৰ ওপৰত নিয়ৰ দেখিলে কোনোবা এটা গীতৰ পংক্তি মনত পৰে। পদূলিত শেৱালি সৰি থাকিলে অতীতৰ কোনোবা সন্ধিয়া উভতি আহে। শৰতৰ সেমেকা ৰাতিত দূৰৰ পৰা অহা কোনোবা সুৰে মনত পেলায়— অসমীয়া সংগীতৰ এটা দীঘলীয়া অধ্যায়ত জুবিনৰ কণ্ঠ কিমান গভীৰভাৱে সোমাই আছে।

জুবিনে অসমক কেৱল গীততেই গোৱা নাছিল, তেওঁ অসমৰ ঋতুক অনুভৱৰ ভাষালৈ ৰূপান্তৰ কৰিছিল। সেইবাবেই তেওঁৰ শৰৎ প্ৰকৃতিৰ শৰৎ হৈ নাথাকে— মানুহৰ শৰৎ হৈ পৰে। তেওঁৰ নিয়ৰ কেৱল পানীৰ টোপাল নহয়— স্মৃতি। তেওঁৰ শেৱালি কেৱল ফুল নহয়— অপেক্ষা। তেওঁৰ আকাশ কেৱল আকাশ নহয়— সপোন। তেওঁৰ ৰাতি কেৱল ৰাতি নহয়— অন্তৰৰ সৈতে হোৱা এক নিভৃত আলাপ।

আজি আহিনৰ পুৱাত যদি কোনোবাই পদূলিত সৰি থকা শেৱালিৰ মাজেৰে খোজ কাঢ়ে, যদি কোনোবাই দুবৰিৰ আগত জিলিকি থকা নিয়ৰলৈ চাই অলপ সময় ৰৈ যায়, যদি কোনোবাই নীলা আকাশৰ তলত জুবিনৰ কোনো এটা গীত শুনে, তেন্তে অনুভৱ কৰিব— এজন শিল্পী শাৰীৰিকভাৱে নাথাকিলেও তেওঁৰ কণ্ঠই এটা ভূখণ্ডৰ ঋতু-স্মৃতিৰ সৈতে জীয়াই থাকিব পাৰে। সেইবাবেই ক'ব পাৰি— আহিন আৰু শৰতৰ পৰশত জীপাল আছিল জুবিনৰ অসম। সেই অসমত আছিল শেৱালিৰ সুবাস, নিয়ৰৰ কোমলতা, নীলা আকাশৰ বিস্তৃতি, প্ৰেমৰ উষ্ণতা আৰু স্মৃতিৰ বিষাদ। সেই অসম আছিল মাটিৰ, মানুহৰ আৰু মনৰ অসম। জুবিনে সেই অসমক সুৰ দিছিল, অসমে তেওঁক দিছিল অগণন হৃদয়ৰ ভালপোৱা।

শৰৎ আহিব, আহিন আহিব, নিয়ৰ পৰিব, শেৱালি ফুলিব আৰু সৰিব। ঋতু সলনি হৈ থাকিব। কিন্তু কোনোবা নিৰ্মল শৰৎ নিশা দূৰৰ পৰা ভাঁহি অহা জুবিনৰ কণ্ঠই আকৌ সোঁৱৰাই দিব— অসমৰ প্ৰকৃতি আৰু অসমীয়াৰ হৃদয়ৰ মাজত যি অদৃশ্য সুৰৰ সেতু, সেই সেতুৰ এটা শক্তিশালী স্তম্ভ হৈ ৰৈ গ'ল জুবিন গাৰ্গ। আৰু সেইবাবেই জুবিনৰ অসমক বুজিবলৈ কেৱল তেওঁৰ গীত শুনিলেই নহয়, তেওঁৰ গীতৰ মাজেৰে অসমক অনুভৱ কৰিব লাগে। আহিনৰ নিয়ৰত, শেৱালিৰ সুবাসত, শৰতৰ নীলা আকাশত, পথাৰৰ সেউজীয়াত আৰু কোনোবা অকলশৰীয়া সন্ধিয়াৰ সুৰত— আজিও যেন সেই অসম জীপাল হৈ আছে।

আহিন আৰু অসমীয়া জাতীয় জীৱন

ললিত নাথ

নীলা আকাশত ভাঁহি থকা চপৰাচপৰ শুকুলা ডাঁৱৰ, নদীৰ পাৰৰ নৃত্যৰতা কঁহুৱা আৰু পুৱাৰ পোহৰত মুকুতাৰ দৰে জিলিকি উঠা নিয়ৰকণা— এই সকলোবোৰেই কঢ়িয়াই আনে আহিনৰ আগমনী বতৰা। গ্ৰীষ্মৰ তাপ আৰু বাৰিষাৰ বোকা-পানীৰ অন্ত পেলাই নামি অহা শৰতৰ এই বিমল পৰিৱেশে অসমীয়া জাতীয় জীৱনলৈ কঢ়িয়াই আনে এক সুকীয়া মাদকতা। আহিন অসমীয়া গ্ৰাম্য সমাজৰ আশা-আকাংক্ষা, অভাৱ-অনাটন আৰু উৎসৱ-পাৰ্বণৰ এক অপূৰ্ব সমাহাৰ।

কবি-সাহিত্যিকৰ বাবেও আহিন এক বিশেষ অনুভৱৰ সময়। পথাৰৰ গোন্ধ, শেৱালিৰ সুবাস আৰু শৰতৰ পৰিৱেশে বহু পুৰণি স্মৃতি জগাই তোলে। ড° নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত আহিনৰ পথাৰৰ গোন্ধৰ মাজেৰে পিতৃ-মাতৃৰ স্মৃতি সজীৱ হৈ উঠিছে— "আহিনৰ পথাৰৰ গোন্ধ কেনেবাকৈ নাকত আহি লাগিলে মই হেৰাই পাওঁ মোৰ দেউতাক দেৱনাৰ জাপ ভঙা গামোচাৰ সুবাসত মই হেৰাই পাওঁ মোৰ আইক।"

কবি নৱকান্ত বৰুৱাইও আহিনৰ আগমনৰ ছবি অতি সৰল আৰু মনোগ্ৰাহী ৰূপত প্ৰকাশ কৰিছে— "আহিনক কোনে আনে নিয়ৰে ক'লে শেৱালিয়ে শেৱালিয়ে ক'লে নিয়ৰে আনে দুবৰিয়ে ক'লে কোমল হাঁহিৰে দুয়োজনে দুয়োজনে।"

এই কবিতাৰ পংক্তিসমূহত আহিনৰ আগমনৰ সৈতে প্ৰকৃতিৰ বিভিন্ন উপাদানৰ সম্পৰ্ক সুন্দৰভাৱে প্ৰকাশ পাইছে। সেয়ে আহিন অসমীয়া সাহিত্যত কেৱল এটা ঋতুৰ পৰিচয় নহয়; ই স্মৃতি, অনুভৱ আৰু সৃষ্টিৰো এক গুৰুত্বপূৰ্ণ উৎস।

আহিনৰ সৈতে অসমীয়া সমাজৰ উৎসৱ-পাৰ্বণৰো গভীৰ সম্পৰ্ক আছে। গণেশ চতুৰ্থী, বিশ্বকৰ্মা পূজা, দুৰ্গাপূজা, লক্ষ্মীপূজা, কালীপূজা আৰু ৰাস মহোৎসৱ আদি উৎসৱে এই সময়ছোৱাক উৎসৱমুখৰ কৰি তোলে। বিশেষকৈ দুৰ্গাপূজাৰ সময়ত শংখ, ঘণ্টা, ঢাক-ঢোলৰ ধ্বনিৰে পৰিৱেশ মুখৰিত হয়। পূজা-মণ্ডপৰ সজ্জা, প্ৰতিমা আৰু ভক্তিৰ পৰিৱেশে মানুহৰ মনত ধৰ্মীয় অনুভূতি জগাই তোলে। উৎসৱ-পাৰ্বণে সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহক একত্ৰিত কৰি সামাজিক সম্প্ৰীতিৰো পৰিৱেশ সৃষ্টি কৰে।

কিন্তু উৎসৱৰ এই আনন্দৰ আঁৰত আহিনৰ আন এক বাস্তৱ ছবিও আছে। অসমীয়া কৃষক সমাজৰ বাবে আহিন আশা আৰু আকাংক্ষাৰ এক সন্ধিক্ষণ। বাৰিষাৰ পৰিশ্ৰমৰ অন্তত পথাৰৰ ধান গেঁৰ ধৰিবলৈ আৰম্ভ কৰে। সেউজীয়া ধাননিৰ দৃশ্যই কৃষকৰ মনত নতুন শস্যৰ আশা জগায়। কিন্তু নতুন ধান চপাবলৈ এতিয়াও সময় বাকী। আনহাতে, পুৰণি শস্যৰ মজুত কমি আহে। ফলত বহু কৃষক পৰিয়ালৰ বাবে এই সময়ছোৱা অভাৱ-অনাটনৰ সময় হৈ পৰে। এই পৰিস্থিতিৰ বাবেই আহিনৰ সংক্ৰান্তিৰ সময়ত পালন কৰা কাতি বিহুক কঙালী বিহু বুলিও কোৱা হয়।

কাতি বিহু অসমীয়া কৃষিজীৱনৰ সৈতে গভীৰভাৱে জড়িত। এই দিনা তুলসীৰ তলত, ভঁৰালত আৰু পথাৰত চাকি জ্বলোৱা হয়। কৃষকে পথাৰৰ শস্যৰ মংগল আৰু ভাল উৎপাদনৰ বাবে প্ৰাৰ্থনা কৰে। আকাশবন্তি প্ৰজ্বলনৰ সৈতেও পথাৰৰ শস্য সুৰক্ষাৰ লোকবিশ্বাস জড়িত হৈ আছে। কাতি বিহু আনন্দ-উল্লাসৰ উৎসৱ নহয়; ইয়াৰ মূল অন্তৰ্নিহিত ভাৱ হ'ল সংযম, ভক্তি আৰু একনিষ্ঠ প্ৰাৰ্থনা। অভাৱৰ সময়তো আশাক জীয়াই ৰখাৰ এই মানসিকতাই কঙালী বিহুক অসমীয়া সংস্কৃতিত এক সুকীয়া মৰ্যাদা দিছে।

বৰ্তমান সময়ত কৃষক সমাজৰ এই পৰম্পৰাগত জীৱন নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। জলবায়ু পৰিৱৰ্তনৰ ফলত বৰষুণৰ ধৰণ সলনি হৈছে। কেতিয়াবা অকাল বানপানী, কেতিয়াবা খৰাং আৰু কেতিয়াবা অনিয়মীয়া বতৰে কৃষিক ক্ষতিগ্ৰস্ত কৰিছে। গৰাখহনীয়া আৰু বানপানীয়েও বহু কৃষক পৰিয়ালক বিপদত পেলাইছে। সেয়ে কৃষিৰ পৰম্পৰাগত জ্ঞানৰ লগতে আধুনিক প্ৰযুক্তি, উন্নত বীজ, জলসিঞ্চন, বতৰৰ আগজাননী আৰু কৃষি-বীমাৰ দৰে ব্যৱস্থাক অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন হৈছে। কৃষকৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে প্ৰাকৃতিক দুৰ্যোগৰ পৰা তেওঁলোকক সুৰক্ষা দিয়াটোও সমানেই জৰুৰী।

আহিনৰ আগমনৰ লগে লগে শৰৎ ঋতুৱে প্ৰকৃতিক এক স্বচ্ছ আৰু স্নিগ্ধ ৰূপ দিয়ে। নীলা আকাশ, শুভ্ৰ মেঘ, কঁহুৱা, শেৱালি, নিয়ৰ আৰু পদুমে শৰতৰ স্বকীয় পৰিচয় গঢ়ি তোলে। মহাকবি কালিদাসে 'ঋতুসংহাৰ'ত শৰতৰ ৰূপক এগৰাকী নৱবধূৰ সৈতে তুলনা কৰি এক মনোৰম বৰ্ণনা আগবঢ়াইছে। তেওঁৰ বৰ্ণনাত কঁহুৱা, পদুম, হাঁহ আৰু শালিধানৰ মাজেৰে শৰতৰ সৌন্দৰ্য প্ৰকাশ পাইছে। ভাৰতীয় সাহিত্যত শৰতক সৌন্দৰ্য, স্বচ্ছতা আৰু প্ৰশান্তিৰ ঋতু হিচাপে বিশেষ স্থান দিয়া হৈছে।

শৰতৰ সৈতে মানুহৰ শৈশৱৰ স্মৃতিৰো নিবিড় সম্পৰ্ক আছে। নিয়ৰসিক্ত দুবৰি গচকি শেৱালি বুটলা, পুৱাৰ কোমল ৰ'দ, গাঁৱৰ পথাৰ আৰু নদীৰ পাৰৰ কঁহুৱা— এইবোৰ বহুজনৰ শৈশৱৰ স্মৃতিৰ অংশ। সময়ৰ পৰিৱৰ্তনৰ লগে লগে জীৱন-যাপনৰ ধৰণ সলনি হৈছে যদিও শৰৎ আহিলে সেই পুৰণি দিনবোৰৰ কথা মনলৈ আহে। এই স্মৃতিয়েই শৰতক মানুহৰ বাবে অধিক আপোন কৰি তোলে।

শৰতৰ প্ৰকৃতিৰ বৈচিত্ৰ্যও উল্লেখযোগ্য। নৈৰ পাৰৰ কঁহুৱা, বিল-পুখুৰীৰ পদুম-ভেট, ধাননি পথাৰৰ সেউজীয়া ৰূপ আৰু নীলা আকাশত পৰিভ্ৰমী চৰাইৰ জাক— এই সকলোবোৰে গ্ৰাম্য অসমৰ এক স্বাভাৱিক ছবি দাঙি ধৰে। কৃষকৰ বাবে এই সময় নতুন শস্যৰ আশাৰ সময়। আনহাতে, প্ৰকৃতিৰ এনে ৰূপে শিল্পী আৰু সাহিত্যিকৰ সৃষ্টিশীল মনকো প্ৰভাৱিত কৰে। এই কাৰণেই শৰতৰ সৈতে অসমীয়া সাহিত্য আৰু সংগীতৰ সম্পৰ্ক অতি নিবিড়।

শৰতৰ সাংস্কৃতিক আৰু আধ্যাত্মিক তাৎপৰ্যও কম নহয়। শৰতৰ পূৰ্ণিমাৰ সৈতে শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ সম্পৰ্ক ভাৰতীয় ভক্তি পৰম্পৰাত বিশেষভাৱে উল্লেখযোগ্য। কৃষ্ণৰ বাঁহীৰ সুৰ, গোপীসকলৰ ভক্তি আৰু ৰাসলীলাৰ মাজেৰে প্ৰেম, ভক্তি আৰু আত্মসমৰ্পণৰ ভাৱ প্ৰকাশ পাইছে। অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত ৰাস মহোৎসৱে এই পৰম্পৰাক স্থানীয় সংস্কৃতিৰ সৈতে সংযোগ কৰি আজিও জীয়াই ৰাখিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যতো শৰতৰ প্ৰকৃতিৰ সুন্দৰ বৰ্ণনা পোৱা যায়— "পৃথিৱীৰ সব কৰ্দ্দম গুছিল ভৈল গৈল পথ সচ্ছল। যত জলমানে সব স্বচ্ছ ভৈল শৰতে হৰিল মন। শৰত সমান নাহি সুখকাল হৰৈ দুখ অনুক্ৰমে।"

বৰ্ষাৰ অন্তত পৃথিৱীৰ বোকা আঁতৰি পথ-ঘাট স্বচ্ছ হোৱা, জলাশয়ৰ পানী নিৰ্মল হৈ উঠা আৰু প্ৰকৃতিৰ পৰিৱৰ্তিত ৰূপে মানুহৰ মনত আনন্দৰ সৃষ্টি কৰাৰ কথাই এই পদত প্ৰকাশ পাইছে। শংকৰদেৱৰ দৃষ্টিত শৰতৰ সৌন্দৰ্যৰ এক মানসিক তাৎপৰ্যও আছে— ই মানুহৰ দুখ-কষ্ট কিছু পৰিমাণে লাঘৱ কৰে।

অসমীয়া সংগীততো শৰতৰ ৰূপ বিশেষভাৱে প্ৰকাশ পাইছে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কণ্ঠত শাৰদী ৰাণী গীতত শৰৎ এক আপোন আৰু মনোমোহা ৰূপত প্ৰকাশিত হৈছে— "শাৰদী ৰাণী তোমাৰ হেনো নাম তুমি মোৰ নিচেই আপোন সদ্যস্নাতা ৰূপহী মোৰ পুৱতি নিশাৰ সপোন।"

শৰতক লৈ ৰচিত সাহিত্য আৰু সংগীতে প্ৰমাণ কৰে যে এই ঋতুৰ সৈতে অসমীয়া মানুহৰ সম্পৰ্ক কেৱল প্ৰকৃতি উপভোগৰ মাজতে সীমাবদ্ধ নহয়। ইয়াৰ সৈতে জড়িত হৈ আছে শৈশৱৰ স্মৃতি, প্ৰেম, ভক্তি, সৌন্দৰ্যবোধ আৰু সৃষ্টিশীলতা। আহিনৰ প্ৰকৃতিৰ এই স্নিগ্ধ ৰূপৰ বিপৰীতে বানপানী, গৰাখহনীয়া আৰু অভাৱত জুৰুলা হোৱা মানুহৰ জীৱনো আমাৰ চকুৰ আগত থাকে। সেয়ে আহিনৰ আনন্দক উপলব্ধি কৰাৰ সময়তে সমাজৰ দুখ-কষ্টৰ প্ৰতিও সংবেদনশীল হোৱা প্ৰয়োজন। উৎসৱৰ আনন্দ তেতিয়াহে অৰ্থপূৰ্ণ হয়, যেতিয়া সমাজৰ দুৰ্বল আৰু বঞ্চিত লোকসকলেও তাৰ অংশীদাৰ হ'ব পাৰে।

সামগ্ৰিকভাৱে আহিন কেৱল দিনপঞ্জীৰ এটা মাহ নহয়; ই অসমীয়া জাতীয় জীৱনৰ প্ৰকৃতি, কৃষি, সংস্কৃতি, সাহিত্য আৰু সামাজিক বাস্তৱতাৰ সৈতে জড়িত এক গুৰুত্বপূৰ্ণ সময়। ইয়াত আছে উৎসৱৰ আনন্দ, কৃষকৰ আশা, কঙালী বিহুৰ সংযম, শৰতৰ সৌন্দৰ্য আৰু জীৱনসংগ্ৰামৰ কঠিন বাস্তৱতা। বৰ্তমানৰ যান্ত্ৰিক আৰু নগৰমুখী জীৱনৰ মাজতো আহিনে আমাক প্ৰকৃতি আৰু নিজৰ শিপাৰ সৈতে সম্পৰ্কৰ কথা সোঁৱৰাই দিয়ে।

শৰতৰ আগমন যেন মানুহৰ মনতো নতুন আশাৰ সৃষ্টি কৰে। অশান্তি, বিভেদ আৰু হতাশাৰে ভৰা সময়ত শৰতৰ স্বচ্ছতা আৰু স্নিগ্ধতাই আমাৰ মনলৈ আনক শান্তি আৰু উদাৰতাৰ ভাৱ। আহিনৰ নিয়ৰসনা পুৱা, শেৱালিৰ সুবাস আৰু পথাৰৰ সেউজীয়া আশাই অসমীয়া সমাজলৈ কঢ়িয়াই আনক একতা, সম্প্ৰীতি আৰু সমৃদ্ধিৰ বতৰা।

দিছপুৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব

প্ৰভাৱ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। মন্ত্ৰীসভাই মত প্ৰকাশ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা জীৱনৰ মূল ভেটি হৈছে সেৱা, কৰ্তব্যনিষ্ঠা আৰু ৰাষ্ট্ৰপ্ৰেম। তেওঁ ৰাষ্ট্ৰীয় স্বাৰ্থক সদায় সৰ্বোচ্চ স্থান দি জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে নিৰন্তৰভাৱে কাম কৰি আহিছে। কেবিনেটৰ মতে প্ৰধানমন্ত্ৰীৰ বাবে শাসন আৰু জনসেৱা কেৱল দায়িত্ব পালন নহয়, ই তেওঁৰ জীৱনজোৰা সাধনা। তেওঁৰ সমগ্ৰ ৰাজহুৱা জীৱন ভাৰতৰ সাৰ্বভৌমত্ব, ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু জনতাৰ আকাংক্ষাৰ প্ৰতি দায়বদ্ধতাৰে পৰিচালিত হৈ আহিছে। অসম মন্ত্ৰীসভাই কয় যে 'ৰাষ্ট্ৰ প্ৰথম'ৰ নীতি প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বৰ মূল আধাৰ। ২০১৪ চনৰ পৰা তেওঁৰ নেতৃত্বত গ্ৰহণ কৰা অগণন পদক্ষেপৰ ব্যাপকতা আৰু প্ৰভাৱৰ অন্যতম স্পষ্ট উদাহৰণ হৈছে দাৰিদ্ৰ্যৰ পৰা বৃহৎ সংখ্যক লোকৰ মুক্তি আৰু তেওঁলোকৰ বাবে মৰ্যাদাসম্পন্ন, নিৰাপদ জীৱনৰ পথ মুকলি হোৱা। নীতি আয়োগৰ তথ্য অনুসৰি ২০১৩-১৪ৰ পৰা ২০২২-২৩ৰ ভিতৰত প্ৰায় ২৫ কোটি লোক অতি দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। এই তথ্যই জনতাৰ মৌলিক প্ৰয়োজন পূৰণৰ লগতে প্ৰতিগৰাকী নাগৰিকৰ মৰ্যাদা, নিৰাপত্তা আৰু বিকাশৰ সুযোগ নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে বুলি মন্ত্ৰীসভাই মন্তব্য কৰে। কেবিনেটৰ মতে বঞ্চনা আৰু অভাৱৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ গভীৰ উপলব্ধিয়েই অন্ত্যোদয়ৰ প্ৰতি তেওঁৰ অটল বিশ্বাসৰ পৰিচায়ক। উন্নয়নৰ সুফল সমাজৰ অন্তিমগৰাকী ব্যক্তিলৈকে যাতে পায়, সেই লক্ষ্যকে অন্ত্যোদয়ৰ মূল কথা হিচাপে গণ্য কৰি প্ৰধানমন্ত্ৰীয়ে কাম কৰি আহিছে। মোদীৰ নেতৃত্বত অন্ত্যোদয় কেৱল এক আদৰ্শ হিচাপে থকা নাই, বৰং শাসনব্যৱস্থাৰ এক জীৱন্ত সংকল্পলৈ ৰূপান্তৰিত হৈছে বুলি অসম মন্ত্ৰীসভাই স্বীকাৰ কৰে। মন্ত্ৰীসভাই আঙুলিয়াই দিয়ে যে কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সাহস আৰু প্ৰতিকূলতাক সম্ভাৱনালৈ ৰূপান্তৰিত কৰাৰ দৃঢ়তা প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বৰ অন্যতম বৈশিষ্ট্য। ক'ভিড মহামাৰীৰ পিছত ৰাছিয়া-ইউক্ৰেইন সংঘাত, পশ্চিম এছিয়াত বৰ্ধিত উত্তেজনা আৰু দ্ৰুত পৰিৱৰ্তনশীল বিশ্ব ৰাজনীতিয়ে সৃষ্টি কৰা অনিশ্চয়তাৰ সময়তো তেওঁৰ নেতৃত্বত ভাৰতে ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত ৰাখি উন্নয়নৰ যাত্ৰা অব্যাহত ৰাখিছে। এই সহনশীলতা, সাহস আৰু অটল দৃঢ়তা ভাৰতৰ সনাতন জীৱনদৰ্শনৰ সৈতে জড়িত বুলি মন্ত্ৰীসভাই মত পোষণ কৰে। বৈঠকত 'কল্যাণেই সৰলীকৰণ' নীতিসম্পৰ্কেও আলোচনা হয়। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত গৃহ, অনাময়, বিদ্যুৎ, খোৱাপানী আৰু বিত্তীয় সেৱাৰ দৰে মৌলিক সুবিধাৰ প্ৰাপ্তিয়ে পৰিয়ালসমূহক অধিক নিৰাপদ আৰু মৰ্যাদাপূৰ্ণ জীৱন যাপনৰ সুযোগ দিছে। কৃষকৰ কল্যাণ আৰু সৰলীকৰণৰ ক্ষেত্ৰত 'অন্নদাতা সুখী ভৱ'ৰ আদৰ্শক বিশেষ গুৰুত্ব দিয়া হৈছে। নাৰী সৰলীকৰণৰ ক্ষেত্ৰতো মৰ্যাদা, সমান সুযোগ, উদ্যমিতা, আৰ্থিক স্বাধীনতা আৰু সামাজিক নেতৃত্বলৈ নাৰীক উন্নয়নৰ মূলসুঁতিত সংযুক্ত কৰাৰ প্ৰচেষ্টা চলিছে। শ্ৰমৰ মৰ্যাদাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ নীতি স্পষ্ট; দেশ গঢ়াৰ কামত নীৰৱে অৱদান আগবঢ়োৱা শ্ৰমযোগীসকলৰ প্ৰতি তেওঁ যথোচিত সন্মান আৰু স্বীকৃতি প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। জনসাধাৰণৰ বাবে সুলভ আৰু মানসম্পন্ন চিকিৎসা নিশ্চিত কৰাটো কেৱল চৰকাৰী সেৱা নহয়, ই মানৱীয় মৰ্যাদা, নিৰাপত্তা আৰু সামাজিক ন্যায়ৰ মৌলিক অধিকাৰ বুলি প্ৰধানমন্ত্ৰীয়ে বিবেচনা কৰি আহিছে। আয়ুষ্মান ভাৰত আৰুজন ঔষধি কেন্দ্ৰৰ দৰে পদক্ষেপে সাধাৰণ পৰিয়ালক চিকিৎসাৰ অত্যধিক ব্যয়ৰ পৰা সুৰক্ষা দি জৰুৰী স্বাস্থ্যসেৱা আৰু ঔষধ সহজলভ্য কৰি তুলিছে বুলি মন্ত্ৰীসভাই উল্লেখ কৰে। স্বচ্ছতাৰ ক্ষেত্ৰত 'স্বচ্ছ ভাৰত' ধাৰণাটোৱে পৰিষ্কাৰ-পৰিচ্ছন্নতাক এক ব্যাপকজন আন্দোলনলৈ ৰূপান্তৰিত কৰিছে। 'জন অংশীদাৰিত্ব'ৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ নিৰন্তৰ অংগীকাৰকো মন্ত্ৰীসভাই ভূয়সী প্ৰশংসা কৰে। প্ৰযুক্তিৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে ইয়াক কেৱল কাৰ্যকাৰিতা বৃদ্ধিৰ আহিলা হিচাপে নহয়, সমতা আৰু সহজলভ্যতাৰ শক্তিশালী মাধ্যম হিচাপে গণ্য কৰিছে। ডিজিটেল ইণ্ডিয়া, ইউপিআই আৰু জেম ট্ৰিণিটিয়ে ধন পৰিশোধ, চৰকাৰী সুবিধা আৰু ৰাজহুৱা সেৱাসমূহক নাগৰিকৰ অধিক ওচৰলৈ লৈ আহিছে। 'আত্মনিৰ্ভৰ ভাৰত'ৰ আহ্বানৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে আগবঢ়োৱা সুদূৰপ্ৰসাৰী অৱদানৰ বিষয়েও মন্ত্ৰীসভাই প্ৰত্যয় প্ৰকাশ কৰে। ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা আৰু ৰাষ্ট্ৰীয় একতাৰ প্ৰতি তেওঁৰ চিৰস্থায়ী অৱদানকো কেবিনেটে স্বীকৃতি আৰু প্ৰশংসা জনায়। দেশক ঔপনিৱেশিক মানসিকতাৰ পৰা মুক্ত কৰি 'বিকাশো, ঐতিহ্যও' মন্ত্ৰৰ জৰিয়তে জনসাধাৰণক নিজৰ ঐতিহ্যলৈ গৌৰৱান্বিত কৰাৰ প্ৰধানমন্ত্ৰীৰ দৃঢ়তাক মন্ত্ৰীসভাই শলাগ লয়। ২০৪৭ চনৰ 'বিকশিত ভাৰত'ৰ প্ৰধান ৰূপকাৰ হিচাপে যুৱপ্ৰজন্মক স্থান দিয়াৰ মনোভাৱকো তেওঁলোকে অভিবাদন জনায়। আধুনিক এক্সপ্ৰেছৱে', বন্দে ভাৰত ৰে'ল, সম্প্ৰসাৰিত মেট্ৰ' নেটৱৰ্ক, বিমানবন্দৰ আৰু ডিজিটেল আন্তঃগাঁথনি নিৰ্মাণে ভৱিষ্যত ভাৰতৰ কায়িক আৰু ডিজিটেল ভেটি গঢ়ি তোলাত অৱদান যোগাইছে। গ্ৰাম্য ভাৰতৰ ৰূপান্তৰ প্ৰধানমন্ত্ৰী মোদীৰ নীতিৰ অন্যতম স্তম্ভ। তেওঁ গাঁওসমূহক ৰাষ্ট্ৰৰ উন্নয়ন যাত্ৰাৰ কেন্দ্ৰবিন্দুত স্থান দি গ্ৰাম উদয়ক ভাৰত উদয়ৰ অবিচ্ছেদ্য অংগ হিচাপে গ্ৰহণ কৰিছে। প্ৰতিটো অঞ্চল ভাৰতৰ উত্থানৰ অংশীদাৰ হ'ব লাগিব আৰু ভৌগোলিক অৱস্থান কেতিয়াও সুযোগ লাভৰ ক্ষেত্ৰত হেঙাৰ হ'ব নালাগে-এই দৃষ্টিভংগীক মন্ত্ৰীসভাই প্ৰশংসা কৰে। 'জয় জৱান, জয় কিষাণ, জয় বিজ্ঞান'ৰ ৰাষ্ট্ৰীয় আহ্বানৰ সৈতে গৱেষণা আৰু উদ্ভাৱনৰ মনোভাৱ সংযোজন কৰি 'জয় বিজ্ঞান, জয় অনুসন্ধান'ৰ মন্ত্ৰৰে ভাৰতৰ বৈজ্ঞানিক যাত্ৰাক আগুৱাই নিয়াৰ পদক্ষেপো শলাগৰ যোগ্য বুলি কেবিনেটে মন্তব্য কৰে। 'সবকা সাথ, সবকা বিকাশ'ৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ নিৰন্তৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰতো মন্ত্ৰীসভাই আস্থা প্ৰকাশ কৰে। অসম তথা উত্তৰ-পূবৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ অৱদান সম্পৰ্কে মন্ত্ৰীসভাই কয় যে পৰিৱৰ্তনৰ প্ৰকৃত মূল্যাংকন অসম আৰু উত্তৰ-পূবত দেখা পোৱা লক্ষণীয় পৰিৱৰ্তনতো প্ৰতিফলিত হৈছে। প্ৰধানমন্ত্ৰীয়ে অসম আৰু উত্তৰ-পূবৰ প্ৰতি ধাৰাবাহিকভাৱে দেখুওৱা অসাধাৰণ ব্যক্তিগত মনোযোগ আৰু স্নেহৰ বাবে মন্ত্ৰীসভাই কৃতজ্ঞতা প্ৰকাশ কৰে। ৰচ বছৰতকৈও কম সময়ত প্ৰধানমন্ত্ৰীয়ে ৩৬ বাৰ অসম ভ্ৰমণ কৰাটো তাৎপৰ্যপূৰ্ণ। 'মন কী বাত' অনুষ্ঠানতো তেওঁ ধাৰাবাহিকভাৱে অসমৰ কথা উল্লেখ কৰি ৰাজ্যখনৰ উন্নয়ন, ঐতিহ্য আৰু সংস্কৃতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰি আহিছে। বহু সময়ত নিজকে অসমৰ ৰাষ্ট্ৰদূত বুলি উল্লেখ কৰি ডিঙিত পৰম্পৰাগত ফুলাম গামোচা পৰিধান কৰি তেওঁ অসমৰ প্ৰতি স্নেহ আৰু আন্তৰিকতাৰ প্ৰতীক হৈ পৰিছে। মন্ত্ৰীসভাৰ মতে প্ৰধানমন্ত্ৰী মোদীয়ে অসম আৰু উত্তৰ-পূবৰ প্ৰতি সকলোৰে দৃষ্টিভংগী সলনি কৰিছে। উত্তৰ-পূবক তেওঁ 'অষ্টলক্ষ্মী' লৈ আৰু দেশৰ বিকাশৰ নতুন ইঞ্জিন তথা প্ৰগতিৰ চালিকাশক্তিলৈ ৰূপান্তৰিত কৰিছে। জিএছটি অনুমোদন কৰা দেশৰ প্ৰথমখন ৰাজ্য হিচাপে অসমে যেতিয়া এই ঐতিহাসিক পদক্ষেপ লৈছিল, তেতিয়া প্ৰধানমন্ত্ৰীৰ মুখেৰে স্বতঃস্ফূৰ্তভাৱে উচ্চাৰিত 'A for Assam' কথাষাৰে অসমৰ প্ৰতি থকা আন্তৰিকতা আৰু স্বীকৃতিৰ অনুভূতি প্ৰকাশ কৰিছিল। তেওঁ অসম ভ্ৰমণৰ সময়ত ৰাজ্যখনৰ অসাধাৰণ সভ্যতাগত ঐতিহ্য আৰু ভাৰত গঢ়াৰ ক্ষেত্ৰত অসমৰ অৱদানৰ বিষয়েও ধাৰাবাহিকভাৱে উল্লেখ কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত অসমৰ যোগাযোগ আৰু আন্তঃগাঁথনি, উদ্যোগ আৰু বিনিয়োগ, শান্তি আৰু নিৰাপত্তা, শিক্ষা আৰু স্বাস্থ্যসেৱা, শক্তি আৰু অৰ্থনৈতিক বিকাশ, পৰ্যটন আৰু বিমান পৰিবহণ, লগতে অসমৰ সমৃদ্ধ সাংস্কৃতিক আৰু সভ্যতাগত ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী পৰিৱৰ্তন ঘটিছে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত অসমে ভাৰত আৰু দক্ষিণ-পূব এছিয়াৰ বজাৰ আৰু সমাজৰ মাজত এক গুৰুত্বপূৰ্ণ সেতু হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি মন্ত্ৰীসভাই উল্লেখ কৰে। কেবিনেটে অসমত পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগ ব্যৱস্থাৰ অভূতপূৰ্ব সম্প্ৰসাৰণৰ শলাগ লয়। শিলচৰ-সৌৰাষ্ট্ৰ কৰিড'ৰ, ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'বলগীয়া ঐতিহাসিক গহপুৰ-নুমলীগড় দ্বৈত সুৰংগ পথ, কাজিৰঙা এলিভেটেড কৰিড'ৰ, গুৱাহাটী ৰিং ৰোড, মৰাণৰ বাইপাছত নিৰ্মাণ কৰা উত্তৰ-পূবৰ প্ৰথমটো জৰুৰীকালীন বিমান অৱতৰণ সুবিধা, ৰে'লপথৰ বৈদ্যুতিকৰণ, গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন অত্যাধুনিক টাৰ্মিনেল, জাগীৰোডৰ ছেমিকণ্ডাক্টৰ কেন্দ্ৰ, নুমলীগড়ৰ বায়'ইথানল প্ৰকল্প আদিৰ বাবে মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। ইফালে, নৰেন্দ্ৰ মোদীৰ শাসনকালতে ২০২৪ চনত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাত অসম মন্ত্ৰীসভাই সন্তুষ্টি প্ৰকাশ কৰে। ড° ভূপেন হাজৰিকাক ভাৰতৰত্ন সন্মানেৰে বিভূষিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ ঐকান্তিক প্ৰচেষ্টাৰ শলাগ লোৱা হয়। বীৰ লাচিত বৰফুকনৰ প্ৰতি ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি আগবঢ়োৱা আৰু বীৰত্ব, বিচক্ষণতা তথা দেশপ্ৰেমক ৰাষ্ট্ৰীয়ভাৱে পুনৰ প্ৰতিষ্ঠা কৰাৰ পদক্ষেপৰ বাবেও কেবিনেটে কৃতজ্ঞতা প্ৰকাশ কৰে। অসমৰ সাংস্কৃতিক ঐতিহ্য বিহুক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা ভূমিকাৰ বাবে অসম মন্ত্ৰীসভাই কৃতজ্ঞতা জনায়। একেদৰে বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য বাগুৰুম্বা আৰু চাহ জনগোষ্ঠীৰ ঐতিহাসিক ঝুমইৰ বিনন্দিনী অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণ বিশেষ গুৰুত্বপূৰ্ণ বুলি স্বীকাৰ কৰা হয়। মা কামাখ্যা দিব্য পৰিযোজনাৰ জৰিয়তে অসমৰ আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি ৰাষ্ট্ৰীয় মনোযোগ আকৰ্ষণ কৰাৰ বাবে মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰীক প্ৰশংসা কৰে। 'এক্ট ইষ্ট' নীতিৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীৰ প্ৰতিও কেবিনেটে সন্তুষ্টি প্ৰকাশ কৰে।

লাভলীনাৰ বক্সিং একাডেমীৰ বাবে

অনুমোদন জনাইছে। শুকুৰবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যিক কেবিনেট বৈঠকত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লাভলীনা বৰগোহাঁই বক্সিং একাডেমী স্থাপনৰ বাবে আবণ্টিত ভূমিৰ প্ৰিমিয়াম মাচুল প্ৰতি বিঘাত মাত্ৰ ৰ টকালৈ হ্ৰাস কৰাৰ প্ৰস্তাৱত কেবিনেটে অনুমোদন জনায়। এই সিদ্ধান্তৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে সামাজিক মাধ্যমত এক পোষ্টত লিখিছে, "অসমৰ গৌৰৱ লাভলীনা বৰগোহাঁইৰ হাতত ধৰি ৰাজ্যখনৰ পৰা আৰু অধিক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বক্সাৰ গঢ়ি তোলাৰ লক্ষ্যৰে অসম চৰকাৰে এক পদক্ষেপ গ্ৰহণ কৰিছে। পলাশবাৰী ৰাজহ চক্ৰত লাভলীনা বক্সিং একাডেমী স্থাপনৰ বাবে এক নিৰ্দিষ্ট ভূমি আবণ্টনৰ ক্ষেত্ৰত প্ৰিমিয়াম মাচুল মাত্ৰ ৰ টকালৈ হ্ৰাস কৰাৰ প্ৰস্তাৱত আজি কেবিনেটে অনুমোদন জনাইছে।" ভাৰতীয় ক্ৰীড়ালৈ বক্সাৰ তথা অলিম্পিক পদক বিজয়ী লাভলীনাৰ কৃতিত্ব, অৱদান আৰু উচ্চাকাংক্ষী খেলুৱৈসকলক অনুপ্ৰাণিত কৰাত তেওঁৰ ভূমিকাক স্বীকৃতি দি ৰাজ্য চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। পলাশবাৰী ৰাজহ চক্ৰৰ চয়নী মৌজাৰ অন্তৰ্গত হুদুমপুৰ গাঁৱত থকা, বিঘা ভূমিৰ ক্ষেত্ৰত চৰকাৰে এই নিৰ্ণয় লৈছে। কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে এই প্ৰস্তাৱৰ কথা ঘোষণা কৰি কয়, "চয়নী মৌজাৰ পলাশবাৰী ৰাজহ চক্ৰৰ হুদুমপুৰত লাভলীনা বৰগোহাঁয়ে এখন লাভলীনা বক্সিং একাডেমী নিৰ্মাণৰ বাবে প্ৰয়াস কৰিছিল। এই বক্সিং একাডেমী স্থাপনৰ বাবে ৩ বিঘা মাটিৰ প্ৰিমিয়াম আমি মাত্ৰ ১ টকালৈ হ্ৰাস কৰো। অৰ্থাৎ ৰ টকাতে লাভলীনা বৰগোহাঁয়ে এতিয়া, বিঘা মাটি লাভ কৰিব আৰু তেওঁ নিজৰ বক্সিং একাডেমীখন নিৰ্মাণ কৰিব পাৰিব।" উল্লেখ্য যে পলাশবাৰীৰ প্ৰস্তাৱিত লাভলীনা বৰগোহাঁই বক্সিং একাডেমী হ'ব বক্সাৰগৰাকীৰ অসমৰ দ্বিতীয়খন একাডেমী। ইয়াৰ পূৰ্বে উত্তৰ গুৱাহাটীৰ বৰচন্দ্ৰাত ২০২৫ চনত প্ৰথমখন লাভলীনা বক্সিং একাডেমী উদ্বোধন কৰা হৈছিল।

হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুত

পৰিয়াল তথা সংবাদ মাধ্যমৰ খবৰ অনুসৰি, ৰে'লৰ দবাটোত থকা কিছুমান পুৰুষ যাত্ৰীয়ে হিমাশ্ৰীক অশ্লীল ইংগিত দিছিল। ইয়াৰ ফলত তেওঁ হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ লগতে নিজকে অসুৰক্ষিত অনুভৱ কৰিছিল। এই কথা তেওঁ পৰিয়ালৰ লোককো জনাইছিল। পৰৱৰ্তী সময়ত আৰক্ষীয়ে কোনো দুৰ্বৃত্তই যুৱতীগৰাকীক চলন্ত ৰে'লৰ পৰা ঠেলি পেলাই দিয়াৰ সন্দেহ প্ৰকাশ কৰে। আনহাতে, যুৱতীগৰাকীৰ পৰিয়ালৰ লোকে এই ঘটনাত আৰক্ষীৰ অৱহেলাৰ অভিযোগ উত্থাপন কৰিছে বুলিও গৌৰৱ গগৈয়ে উল্লেখ কৰে। তেওঁ ৰে'লযাত্ৰাত যুৱতীসকলৰ সুৰক্ষা সম্পৰ্কেও গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে। গগৈয়ে লগতে কয় যে এন চি আৰ বিৰ 'ক্ৰাইম ইন ইণ্ডিয়া' প্ৰতিবেদন অনুসৰি ২০২৪ চনত সমগ্ৰ ভাৰতত চৰকাৰী ৰে'ল আৰক্ষীয়ে মহিলা আৰু শিশুৰ বিৰুদ্ধে পঞ্জীয়ন কৰা অপৰাধমূলক গোচৰৰ সংখ্যা ৪৮৮টা আৰু মানৱদেহ ব্যৱসায় সংক্ৰান্তিয় গোচৰ ১, ৪২২ টা। ৰে'লযাত্ৰাত প্ৰয়োজনীয় সুৰক্ষা সন্দৰ্ভত চৰকাৰে একাধিকবাৰ পদক্ষেপ লোৱা বুলি দাবী কৰি আহিছে যদিও যাত্ৰাৰ সময়ত ৰে'লত অসুৰক্ষিত অনুভৱ কৰা এগৰাকী যুৱতীও এতিয়াও সুস্থ-সবল অৱস্থাত ঘৰলৈ উভতি নাহে বুলি তেওঁ অভিযোগ কৰে। ইফালে, উত্তৰ-পূব সীমান্ত ৰে'ল বিভাগৰ জনসম্পৰ্কৰক্ষী বিষয়া কপিল শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "অন্ধ্ৰপ্ৰদেশৰ দক্ষিণ উপকূলীয় ৰে'ল বিভাগত এক লোমহৰ্ষক কাণ্ড সংঘটিত হৈছে। বৰ্তমান এই কাণ্ডৰ তদন্ত অব্যাহত আছে। ইতিমধ্যে উত্তৰ-পূব সীমান্ত ৰে'ল বিভাগৰ হৈ অন্ধ্ৰপ্ৰদেশৰ ৰাজ্যিক আৰক্ষী বিভাগৰ লগতে ৰে'ল আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।" শৰ্মাই লগতে কয়, "নিৰুদ্দিষ্ট যুৱতীগৰাকীৰ পৰিয়ালে ৰে'ল বিভাগৰ সৈতে যোগাযোগ কৰিছিল। পৰিয়ালে দিয়া তথ্য তথা চিচিটিভি ফুটেজৰ ভিত্তিত ৰে'ল বিভাগৰ লগতে ৰে'ল আৰক্ষীয়ে অনুসন্ধান চলাই দক্ষিণৰ ৰাজ্যখনৰ এখন হাবিৰ দাঁতিত নিথৰ হৈ পৰি ৰোৱা যুৱতীগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত যুৱতীগৰাকীৰ পৰিচয় লাভ কৰিবলৈ সক্ষম হয়।" উল্লেখ্য, বহিঃৰাজ্যত সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰিবলৈ যোৱা এগৰাকী অসমীয়া যুৱতী মৃতদেহ হৈ ঘৰলৈ ঘূৰি আহিছে। অন্ধ্ৰপ্ৰদেশৰ টিকুলামপুৰৰ ৰে'লপথৰ সমীপৰ এখন হাবিৰ দাঁতিত ৰে'ল আৰক্ষীয়ে যুৱতীগৰাকীক মৃত অৱস্থাত প্ৰত্যক্ষ কৰি পৰিয়ালৰ সৈতে যোগাযোগ কৰে। নিহত যুৱতীগৰাকী গুৱাহাটী মহানগৰীৰ সমীপৰ বোন্দা চপাইদঙৰ হিমাশ্ৰী বড়ো বুলি চিনাক্ত হোৱাৰ পিছতেই এই ৰহস্যজনক মৃত্যুৱে ৰাজ্যত চাঞ্চল্যৰ সৃষ্টি কৰে। মহানগৰীৰ বি. বৰুৱা মহাবিদ্যালয়ত অধ্যয়নৰত হিমাশ্ৰী বড়ো সৰুৰে পৰা সৃষ্টিশীল কাম-কাজ, গীত-নৃত্য আদিৰ সৈতে জড়িত আছিল। অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনমত অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণৰ উদ্দেশ্যে তেওঁ তালৈ গৈছিল। অনুষ্ঠান সামৰি পৰীক্ষা থকাৰ বাবে ছ অক্টোবৰত ২২৫০৩নং বিবেক এক্সপ্ৰেছেৰে বিশাখাপট্টনমৰ পৰা গুৱাহাটীস্থিত ঘৰলৈ অকলশৰে উভতিছিল। কিন্তু ৰে'লত উঠাৰ কিছু সময়ৰ পিছৰে পৰা কেইজনমান যুৱকে হিমাশ্ৰীক বিভিন্ন ধৰণে হাৰাশাস্তি কৰি আছিল বুলি যুৱতীগৰাকীয়ে নিজেই মাতৃ তথা কিছু আত্মীয়ক জনাইছিল। এই সম্পৰ্কে তেওঁ নিজৰ ম'বাইলত কিছু দৃশ্যও বন্দী কৰি ৰাখিছিল। মাতৃক এই কথা জনোৱাৰ কিছু সময়ৰ পিছতে হিমাশ্ৰীৰ সংযোগ বিচ্ছিন্ন হৈ পৰে আৰু তাৰ পিছৰে পৰা তেওঁ নিৰুদ্দেশ হৈ পৰে। ঘটনাৰ পিছদিনা অৰ্থাৎ ৭ অক্টোবৰত হিমাশ্ৰী বড়োৰ মৃতদেহ ৰে'ল আৰক্ষীয়ে অন্ধ্ৰপ্ৰদেশৰ টিকুলামপুৰৰ ৰে'লপথৰ সমীপৰ এখন হাবিৰ দাঁতিত উদ্ধাৰ কৰে। ইফালে, শুকুৰবাৰে পুৱা বিটিচিৰ কাৰ্যবাহী প্ৰমুখ মুছাহাৰীৰ সৈতে চপাইদংস্থিত হিমাশ্ৰী বড়োৰ বাসগৃহত উপস্থিত হৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰী চৰণ বড়োৱে যুৱতীগৰাকীৰ পিতৃ-মাতৃক সাক্ষাৎ কৰে। এই দুখ সহ্য কৰিব পৰাকৈ পৰিয়ালটোক শক্তি আৰু সাহস দিবলৈ মন্ত্ৰীগৰাকীয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। তদুপৰি দোষীক চিনাক্ত কৰি আইনৰ আওতালৈ আনি উচিত শাস্তি প্ৰদানৰ জৰিয়তে পৰিয়ালটোক ন্যায় দিবলৈ তেওঁ প্ৰশাসনক আহ্বান জনায়। ডিমৰীয়া সমষ্টিৰ বিধায়ক ড° তপন দাসেও হিমাশ্ৰী বড়োৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰে। বিধায়ক দাসে সামাজিক মাধ্যমত শোক প্ৰকাশ কৰি কয়, "অন্ধ্ৰপ্ৰদেশত আমাৰ ডিমৰীয়া সমষ্টিৰ অন্তৰ্গত চপাইদঙৰ এগৰাকী প্ৰতিভাসম্পন্ন যুৱতী হিমাশ্ৰী বড়োৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছো। আজি হিমাশ্ৰীৰ পিতৃ-মাতৃক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰিলোঁ।" বিধায়কগৰাকীয়ে লগতে কয়, "কোনো শব্দই এই অপূৰণীয় ক্ষতি পূৰাব নোৱাৰে। হিমাশ্ৰীৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক আৰু সৰ্বশক্তিমানে তেওঁৰ পৰিয়ালক এই শোক সহ্য কৰিবলৈ শক্তি আৰু সাহস দিয়ক। ওঁম শান্তি।" তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, এই ঘটনাত প্ৰকৃততে কোন জড়িত আছিল নে যুৱতীগৰাকীয়ে নিজৰ ম'বাইলত কৰা ভিডিঅ'ই তেওঁৰ জীৱনলৈ অমানিশা কঢ়িয়াই আনিলে, সেয়া এতিয়াও পোহৰলৈ অহা নাই। ই এক হত্যাকাণ্ড বুলি যুৱতীগৰাকীৰ পৰিয়ালৰ লোকে দাবী কৰি উচিত ন্যায়ৰ আশা কৰিছে।

চিজেপিৰ শনিবাৰৰ প্ৰতিবাদৰ

গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছে। শনিবাৰৰ প্ৰতিবাদৰ প্ৰতি লক্ষ্য ৰাখি দিল্লী আৰক্ষীয়ে বিশেষ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। আনহাতে, চিজেপিৰ এই প্ৰতিবাদৰ প্ৰেক্ষাপটত কেন্দ্ৰীয় চৰকাৰে দিল্লীৰ মেট্ৰ' চলাচল, ৰে'ল চলাচল, নতুনকৈ হোটেল বুকিং আৰু ইণ্টাৰনেট সেৱাৰ ক্ষেত্ৰত কিছু আংশিক প্ৰতিবন্ধকতা আৰোপ কৰিছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰা এই আংশিক নিষেধাজ্ঞাৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত এক ৰাজহুৱা স্বাৰ্থৰ আবেদন দাখিল কৰা হয়। চিপিআইএমৰ সাধাৰণ সম্পাদক এম এ বেবীয়ে দাখিল কৰা এই আবেদন শুকুৰবাৰে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ন্যায়াধীশ ভি মোহনাৰ বিচাৰপীঠে গ্ৰহণ কৰে। আবেদনখন বিবেচনা কৰি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে যে জনসাধাৰণৰ স্বাৰ্থ জড়িত হৈ থকাৰ বাবে চৰকাৰে সকলো ৰাজহুৱা যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে বন্ধ কৰাৰ অধিকাৰ নাই। নিয়ন্ত্ৰণ কেতিয়াও সম্পূৰ্ণ নিষেধাজ্ঞালৈ ৰূপান্তৰিত হ'ব নালাগে। সেয়েহে ন্যায়ালয়ে মেট্ৰ' আৰু ৰে'ল সেৱাৰ ওপৰত আৰোপ কৰা সম্পূৰ্ণ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। উচ্চতম ন্যায়ালয়ে কয়, "মাখি এটা মাৰিবলৈ হাতুৰীৰ প্ৰয়োগ কৰাৰ প্ৰয়োজন নাই।" সাধাৰণ জনতাৰ দৈনন্দিন জীৱন-যাত্ৰা ব্যাহত হ'ব নালাগে বুলিও ন্যায়ালয়ে মন্তব্য কৰে। মুখ্য ন্যায়াধীশ সূৰ্যকান্তই কয় যে আইন-শৃংখলা বৰ্তাই ৰাখিবলৈ প্ৰশাসনে যি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে, সেয়া কৰা উচিত; কিন্তু সম্পূৰ্ণ বন্ধ গ্ৰহণযোগ্য নহয়। ইফালে, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ পূৰ্বে চিজেপিৰ নেতা আশুতোষ ৰাংকাই কয় যে চৰকাৰে মেট্ৰ', ৰে'ল চলাচল আৰু গাড়ী চলাচল বন্ধ কৰিছে। তেওঁ লগতে কয় যে সাধাৰণ জনতাৰ দৈনন্দিন জীৱন ব্যাহত কৰি দিলেও প্ৰতিবাদ থমকি নাযায়; শনিবাৰে যন্তৰ-মন্তৰত প্ৰতিবাদ অনুষ্ঠিত হ'ব। সেয়েহে, শনিবাৰৰ চিজেপিৰ প্ৰতিবাদ আৰু উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাক লৈ সমগ্ৰ দিল্লীত এক বিশেষ পৰিস্থিতিৰ সৃষ্টি হৈছে। ৰাজহুৱা যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে বন্ধ নকৰি আইন-শৃংখলা ৰক্ষা কৰাৰ নিৰ্দেশে সাধাৰণ জনতাৰ কিছু স্বস্তি আনিব বুলি আশা কৰা হৈছে।

'Love you, Nagaon'

নগাঁও লোকসভা সমষ্টি ২০১৯ চনত কংগ্ৰেছে দখল কৰিছিল। ইয়াৰ পূৰ্বেও সমষ্টিটো কংগ্ৰেছৰ দখলত আছিল। কিন্তু ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত ৰাজনৈতিক সমীকৰণ কিছু সলনি হয়। কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দল ত্যাগ কৰাৰ পিছত সমষ্টিটিত কংগ্ৰেছৰ উত্তৰাধিকাৰীৰ অভাৱ যেন অনুভৱ কৰা গৈছিল। এই পটভূমিত কংগ্ৰেছে দখল কৰা সমষ্টিটো পুনৰুদ্ধাৰৰ বাবে বিজেপিয়ে সুচিন্তিত ৰণনীতি গ্ৰহণ কৰে। নগাঁও জিলা আয়ুক্ত হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা দেৱাশিস শৰ্মাক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰি মুখ্যমন্ত্ৰীকে আদি কৰি বিজেপিৰ সকলো ৰথী-মহাৰথী নিৰ্বাচনী প্ৰচাৰত জঁপিয়াই পৰে। অৱশেষত এই প্ৰচেষ্টা সাৰ্থক হয় আৰু উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাই বিপুল জনাদেশ লাভ কৰে। বিজয়ৰ পিছত মুখ্যমন্ত্ৰী ডক্স শৰ্মাই সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ এখন বিশেষ ফটো শ্বেয়াৰ কৰি লিখে, 'Love you, Nagaon ‘। সাধাৰণ জনতাৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰা আৰু সামাজিক মাধ্যমৰ জৰিয়তে জনতাক আকৰ্ষিত কৰি ৰখা মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্বাচনৰ পিছতো জনতাক পাহৰি নাযায় বুলি এই ফটোখনৰ জৰিয়তে উমান দিছে। তেওঁ বিজয়ী প্ৰাৰ্থী দেৱাশিস শৰ্মাক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে নিৰ্বাচনী প্ৰচাৰত অক্লান্ত পৰিশ্ৰম কৰা বিজেপিৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে লিখে, "বেলটতো পদুম, ই ভি এমতো পদুম মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিয়ে এক নিৰ্ণায়ক বিজয় সাব্যস্ত কৰিছে। পূৰ্বে কংগ্ৰেছৰ দখলত থকা এই সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই জয়লাভে এক বিশেষ তাৎপৰ্য বহন কৰিছে। এইবেলি কংগ্ৰেছ তৃতীয় স্থানলৈ অৱনমিত হৈছে।" তেওঁ লগতে লিখে, "এই ঐতিহাসিক বিজয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি অসমৰ প্ৰতিটো সমষ্টি আৰু সমাজৰ প্ৰতিটো স্তৰৰ জনসাধাৰণৰ আস্থা তথা এখন বিকশিত ভাৰত তেখেতৰ দূৰদৰ্শী সংকল্পৰ প্ৰতি অসমৰ ৰাইজৰ অবিচল বিশ্বাস প্ৰতিফলিত কৰিছে। নগাঁও সমষ্টিবাসীয়ে প্ৰদান কৰা এই বিপুল জনাদেশৰ বাবে প্ৰতিগৰাকী সন্মানীয় ভোটাৰক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।" বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰী শৰ্মাই লিখে, "ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন ডাঙৰীয়াৰ মাৰ্গদৰ্শনত উৎসাহ, নিষ্ঠা আৰু অদম্য উদ্যমেৰে নিৰ্বাচনী প্ৰচাৰত অক্লান্ত পৰিশ্ৰম কৰা আমাৰ প্ৰতিগৰাকী কাৰ্যকৰ্তালৈও আন্তৰিক কৃতজ্ঞতা। ৰাইজৰ এই আস্থা আৰু আশীৰ্বাদক সাৰথি কৰি আমি অধিক উদ্যমেৰে অসমৰ বিকাশৰ যাত্ৰা আগুৱাই নিয়াৰ সংকল্প গ্ৰহণ কৰিছোঁ।"

কংগ্ৰেছৰ দুৰ্গ দখল বিজেপিৰ

মহলত বিশেষ চৰ্চা চলিছে। ৭ লাখৰো অধিক ভোট লাভ কৰি জয়ী হোৱা শৰ্মাই নগাঁও লোকসভা সমষ্টিত বিজেপিৰ শক্তিশালী নিৰ্বাচনী স্থিতি প্ৰতিফলিত কৰিলে। বিপৰীতে, দ্বিতীয় স্থানত থকা বদৰুদ্দিন আজমল আৰু তৃতীয় স্থানত থকা শিৰামণি বৰাৰ ফলাফলেও সমষ্টিটোৰ নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাৰ ছবিখন স্পষ্ট কৰি তুলিছে। চূড়ান্ত ফলাফল ঃ দেৱাশিস শৰ্মা (বিজেপি) ঃ ৭, ১০, ৬২২টা ভোট (৪৯.০৮%), বদৰুদ্দিন আজমল (AIUDF) :. 5, 70, 41টা ভোট (৩৯.৩৯%) আৰু শিৰামণি বৰা (ßAÑË¢¶åÃ)Ê. ৰ, ২৮, ৭৪৩টা ভোট (৮.৮৯%)। উল্লেখযোগ্য যে, দেৱাশিস শৰ্মাৰ ১, ৪০, ২০৯টা ভোটৰ ব্যৱধানত জয়েই নগাঁও লোকসভা উপ-নিৰ্বাচনৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হিচাপে পৰিগণিত হৈছে।

হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুক

উল্লেখ্য যে, বহিঃৰাজ্যত সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰিবলৈ যোৱা বোন্দা চপাইদঙৰ হিমাশ্ৰী বড়ো নামৰ অসমীয়া যুৱতীগৰাকী নিথৰ দেহ হৈ ঘৰলৈ ঘূৰি আহিছে। অন্ধ্ৰপ্ৰদেশৰ টিকুলামপুৰৰ ৰে'লপথৰ সমীপৰ এখন হাবিৰ দাঁতিত ৰে'ল আৰক্ষীয়ে যুৱতীগৰাকীক মৃত অৱস্থাত প্ৰত্যক্ষ কৰিছিল। পৰৱৰ্তী সময়ত পৰিয়ালে দিয়া তথ্য তথা চিচিটিভি ফুটেজৰ ভিত্তিত ৰে'ল বিভাগে ৰে'ল আৰক্ষীৰ সৈতে অনুসন্ধান চলাই মৃত যুৱতীগৰাকী অসমৰ হিমাশ্ৰী বড়ো বুলি চিনাক্ত কৰিছিল। এই ঘটনাৰ পটভূমিত ৰাজ্যজুৰি শোক আৰু ক্ষোভৰ প্ৰকাশ চলি থকাৰ সময়তে মুখ্যমন্ত্ৰীৰ এই পদক্ষেপে তদন্তৰ গতিশীলতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। ইফালে, যুৱতীগৰাকীৰ পৰিয়ালে দোষীক চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদানৰ জৰিয়তে ন্যায় প্ৰদানৰ দাবী জনাই আহিছে।

কামাখ্যা ৰে'ল ষ্টেচনত ৫৭জন

শ্ৰীনগৰৰ পৰা অহা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে, বৈধ নথি-পত্ৰ অবিহনে ৰাজ্যখনত বসবাস কৰি থকা বুলি সন্দেহ কৰা বিদেশী নাগৰিকক চিনাক্ত কৰাৰ উদ্দেশ্যে অসমত আৰক্ষী আৰু নিৰাপত্তা সংস্থাসমূহে ধাৰাবাহিকভাৱে অভিযান চলাই আহিছে। এই অভিযানৰ অংশ হিচাপেই কামাখ্যা ৰে'ল ষ্টেচনত এই লোকসকলক আটক কৰা হয়। অৱশ্যে, আটকাধীন ৫৭জন লোকৰ পৰিচয় অথবা তেওঁলোকৰ পৰা উদ্ধাৰ হোৱা নথি-পত্ৰৰ বিষয়ে কৰ্তৃপক্ষই এতিয়ালৈকে কোনো সবিশেষ তথ্য প্ৰকাশ কৰা নাই। তেওঁলোকৰ প্ৰকৃত নাগৰিকত্ব আৰু জম্মু-কাশ্মীৰৰ পৰা অসমলৈ অহাৰ আঁৰৰ পৰিস্থিতি জানিবলৈ অধিক পৰীক্ষা-নিৰীক্ষা চলোৱা হ'ব বুলি আশা কৰা হৈছে। ইয়াৰ পূৰ্বেও শেহতীয়া দিনকেইটাত গুৱাহাটীত কেইবাটাও অভিযান চলাই সন্দেহজনক লোকক আটক কৰা হৈছে। যোৱা ৮ অক্টোবৰত মহানগৰীৰ পৰা বাংলাদেশী নাগৰিক বুলি সন্দেহ কৰা চাৰিজন লোকক আটক কৰিছিল দিছপুৰ আৰক্ষীয়ে। তেওঁলোকৰ পৰিচয়, নাগৰিকত্ব আৰু গুৱাহাটীলৈ অহাৰ পৰিস্থিতিৰ বিষয়ে জানিবলৈ আৰক্ষীয়ে সোধা-পোছা আৰম্ভ কৰে। ইয়াৰ আগতে দুদিন ধৰি চলোৱা পৃথক অভিযানত গুৱাহাটী আৰক্ষীয়ে বাংলাদেশী নাগৰিক বুলি সন্দেহ কৰা ১৭জন লোকক আটক কৰিছিল। ইয়াৰে পাঁচজনক পল্টন বজাৰ ৰে'ল ষ্টেচনত লোকমান্য তিলক টাৰ্মিনাছ এক্সপ্ৰেছত যাত্ৰা কৰি থকা অৱস্থাত আটক কৰা হৈছিল। পৰৱৰ্তী সময়ত আৰক্ষীৰ তদন্তত ভিনটেজ হোম নামৰ এখন হোটেলৰ তথ্য পোহৰলৈ আহে। অভিযোগ অনুসৰি, হোটেলখনত এই পাঁচজন লোকক থকাৰ ব্যৱস্থা কৰি দিয়া হৈছিল। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে হোটেলখনৰ স্বত্বাধিকাৰী, দুজন মেনেজাৰ আৰু এজন সন্দেহযুক্ত মুখ্য সহযোগীক গ্ৰেপ্তাৰ কৰে। আন এটা অভিযানত শান্তি হোটেলৰ পৰা বাংলাদেশী নাগৰিক বুলি সন্দেহ কৰা ৰজন লোকক আটক কৰা হয়। তেওঁলোকক বহিষ্কাৰ কৰাৰ উদ্দেশ্যে প্ৰযোজ্য অনুপ্ৰৱেশকাৰী আইন অনুসৰি আৰক্ষীয়ে প্ৰয়োজনীয় প্ৰক্ৰিয়া আৰম্ভ কৰে। কামাখ্যা ৰে'ল ষ্টেচনত ৫৭জন লোকক আটক কৰাৰ ঘটনাই ৰাজ্যখনত অবৈধ বিদেশী নাগৰিক চিনাক্ত কৰাৰ উদ্দেশ্যে চলি থকা অভিযানক পুনৰ চৰ্চালৈ আনিছে। আটকাধীন লোকসকলৰ নাগৰিকত্ব নিশ্চিত কৰাৰ লগতে তদন্তৰ পৰৱৰ্তী পদক্ষেপ সন্দৰ্ভত কৰ্তৃপক্ষৰ আনুষ্ঠানিক বক্তব্যলৈ অপেক্ষা কৰা হৈছে।

দক্ষিণ আফ্ৰিকাৰ নাভানেথেম

মানৱতাৰ বিৰুদ্ধে অপৰাধ আৰু নৰহত্যাৰ দৰে গোচৰসমূহৰ বিচাৰ প্ৰক্ৰিয়া নিশ্চিত কৰাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। নাভানেথেম নাভি পিল্লাই এগৰাকী দক্ষিণ আফ্ৰিকাৰ আইনবিদ। তেওঁৰ জন্ম ১৯৪১ চনৰ ২৩ ছেপ্টেম্বৰত দক্ষিণ আফ্ৰিকাৰ ডাৰবানত হৈছিল। তেওঁ তামিল মূলৰ এগৰাকী দক্ষিণ আফ্ৰিকাৰ নাগৰিক। জানিব পৰা মতে, তেওঁৰ ককাক-আইতাক ১৮৯০ চনত কুঁহিয়াৰৰ বাগিচাত কাম কৰিবলৈ চুক্তিবদ্ধ শ্ৰমিক হিচাপে ভাৰতৰ পৰা দক্ষিণ আফ্ৰিকাৰ নাটাললৈ গৈছিল। তেতিয়াৰ পৰা তাত বসবাস কৰা তামিল পৰিয়াল নাৰায়ণস্বামী নাইডু আৰু শান্তমা নাইডুৰ অষ্টম সন্তান আছিল নাভানেথেম। ১৯৬৩ চনত কলা শাখাৰ স্নাতক ডিগ্ৰী লাভ কৰা নাভানেথেমে ১৯৬৫ চনত আইন শাখাৰ স্নাতক ডিগ্ৰী লাভ কৰে। বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰাৰ পিছত তেওঁ অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰে আৰু অপৰাধমূলক প্ৰতিৰক্ষা অধিবক্তা এন টি নাইকাৰৰ অধীনত কাৰ্যনিৰ্বাহ কৰি বৰ্ণবাদ বিৰোধী আইনী প্ৰতিৰক্ষাত যোগদান কৰে। তেওঁ ২০০৮-১৪ চনলৈ ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ উচ্চায়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। লগতে পিল্লাই দক্ষিণ আফ্ৰিকাৰ উচ্চ ন্যায়ালয়ৰ প্ৰথমগৰাকী অনা-শ্বেতাংগ মহিলা ন্যায়াধীশ আছিল। তেওঁ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়ালয়ৰ ন্যায়াধীশ আৰু ৰাৱাণ্ডাৰ বাবে গঠিত আন্তঃৰাষ্ট্ৰীয় অপৰাধ ট্ৰিবিউনেলৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। উল্লেখ্য, শান্তি আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে নাভানেথেম নাভি পিল্লাইৰ এই স্বীকৃতিয়ে বিশ্বজুৰি মানৱাধিকাৰ আৰু ন্যায়ৰ প্ৰচেষ্টাক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

পশ্চিমবংগৰ উপ-নিৰ্বাচনত

চন্দ্ৰনাথ ৰথৰ মাতৃ হাছিৰাণী ৰথে এক লাখ বাইশ হাজাৰৰো অধিক ভোটৰ ব্যৱধানত জয়লাভ কৰিছে। ইয়াৰ লগে লগে নন্দীগ্ৰামত শুভেন্দু অধিকাৰীৰ পূৰ্বৰ জয়ৰ ব্যৱধানৰ অভিলেখ ভংগ হৈছে। চঙ্খৰছ চনৰ বিধানসভা নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নন্দীগ্ৰামৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি শুভেন্দু অধিকাৰীয়ে ৮১, ২৩০টা ভোটৰ ব্যৱধানত জয়ী হৈছিল। ২০২১ চনত তেওঁ তৃণমূল নেত্ৰী মমতা বেনাৰ্জীক পৰাস্ত কৰি সমষ্টিটোত পুনৰ জয়ৰ ধাৰা অব্যাহত ৰাখিছিল; সেইবাৰ জয়ৰ ব্যৱধান আছিল মাত্ৰ ৰ, ৯৫৬টা ভোট। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনতো নন্দীগ্ৰামত শুভেন্দু অধিকাৰী জয়ী হৈছিল। কিন্তু উপ-নিৰ্বাচনত তেওঁৰ প্ৰয়াত সহযোগী চন্দ্ৰনাথ ৰথৰ মাতৃ হাছিৰাণী ৰথে পূৰ্বৰ সকলো অভিলেখ অতিক্ৰম কৰি বৃহৎ জয় সাব্যস্ত কৰিছে। আনহাতে, ৰেজিনগৰ সমষ্টিতো বিজেপিৰ প্ৰাৰ্থী শখাৰভ চৰকাৰে বৃহৎ ব্যৱধানত জয়লাভ কৰিছে। তেওঁ ৭২, ৭১০টা ভোটৰ ব্যৱধানত প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰিছে। দুয়োটা সমষ্টিৰ ফলাফলে বিজেপিৰ বাবে নতুন ৰাজনৈতিক সমীকৰণৰ ইংগিত দিছে বুলি চৰ্চা চলিছে। নিৰ্বাচনৰ ফলাফললৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে দাবী কৰে যে এইবাৰৰ উপ-নিৰ্বাচনত কোনো বোমা বিস্ফোৰণ বা গুলীচালনাৰ ঘটনা সংঘটিত হোৱা নাই। ক'তো পুনৰ ভোটগ্ৰহণৰো প্ৰয়োজন হোৱা নাই। নতুন চৰকাৰৰ দিনত ৰাজ্যখনত ভয়মুক্ত পৰিৱেশ গঢ় লৈ উঠিছে বুলি তেওঁ মন্তব্য কৰে। শুভেন্দু অধিকাৰীৰ দাবী অনুসৰি, সংখ্যালঘু লোকসকলেও চৰকাৰৰ সৈতে থাকিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। নন্দীগ্ৰামত হাছিৰাণী ৰথে তেওঁৰ জয়ৰ অভিলেখ ভংগ কৰা বুলিও তেওঁ উল্লেখ কৰে। আনকি ৰেজিনগৰত বিজেপিয়ে লাভ কৰা অধিকাংশ ভোট সংখ্যালঘু লোকৰ পৰা আহিছে বুলিও দাবী কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে।

ৰতন টাটাই উত্তৰ-পূবক মৰ্যাদা

ড° শৰ্মাই কয় যে অসমত প্ৰতি বছৰে কৰ্কট ৰোগে হাজাৰ হাজাৰ লোকৰ প্ৰাণ কাঢ়ি লোৱাৰ সময়ত ৰতন টাটাই সমগ্ৰ ৰাজ্যৰ ১৭খন চিকিৎসালয় গঢ়াৰ ক্ষেত্ৰত সহায় কৰিছিল। তেওঁ অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনক এক 'ধাৰণাৰ পৰা জীৱনৰেখালৈ' লৈ গৈছিল। এইদৰে তেওঁ অসমৰ জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত এক স্থায়ী আৰু মানৱীয় প্ৰভাৱ এৰি থৈ গৈছে। তেওঁ জাগীৰোডত টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প স্থাপন কৰাৰ দ্বাৰাও অসমৰ প্ৰতি একে আস্থা প্ৰদৰ্শন কৰিছিল। এই প্ৰকল্প চলিত বৰ্ষৰ শেষৰ ফালে কাৰ্যক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে উদ্যোগটোক আৱৰি ৰখা চহৰখনৰ নাম 'ৰতন টাটা ইলেকট্ৰনিকছ চিটী' হিচাপে ৰখা হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত মুখ্যমন্ত্ৰীয়ে কয়, "আজি ৰতন টাটাৰ 'পুণ্যতিথি' উপলক্ষে মই কেৱল এজন উদ্যোগপতিক স্মৰণ কৰা নাই, তাৰ বিপৰীতে এনে এজন বন্ধুকো স্মৰণ কৰিছোঁ যিয়ে অসমক বাছি লৈছিল, যিদৰে খুব কমসংখ্যক বাহিৰৰ লোকেহে সেইটো কৰিছিল।" তেওঁ লগতে কয়, "তেওঁৰ আমাৰ ৰাজ্য ভ্ৰমণৰ কথা মোৰ এতিয়াও মনত আছে। কোনো খৰখেদা নকৰাকৈ সদায় আৱেগিক উষ্ণতাৰে সাক্ষাৎ কৰিছিল আৰু সদায় সুধিছিল যে আমাৰ জনসাধাৰণৰ বাবে আৰু কি কৰিব পৰা যাব, কিন্তু তেওঁৰ কোম্পানীৰ বাবে আৰু কি নিৰ্মাণ কৰিব পৰা যাব সেয়া নহয়।" মুখ্যমন্ত্ৰীয়ে কয় যে যেতিয়া কৰ্কট ৰোগে প্ৰতি বছৰে নীৰৱে হাজাৰ হাজাৰ লোকৰ প্ৰাণ কাঢ়ি লৈছিল, তেতিয়া ৰতন টাটাই কেৱল চেক পঠিয়াই আঁতৰি যোৱা নাছিল। বৰং তেওঁ অসমৰ লগত বহিছিল, ৰাজ্যজুৰি ১৭খন চিকিৎসালয়ৰ মেপ বনাইছিল আৰু অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনক এটা ধাৰণাৰ পৰা জীৱনৰেখালৈ লৈ গৈছিল। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে ৰতন টাটাই এবাৰ তেওঁক কৈছিল যে তেওঁৰ অন্তিম বছৰবোৰ স্বাস্থ্য সেৱাৰ বাবে সমৰ্পিত কৰিছিল। "সেই প্ৰতিশ্ৰুতিবোৰ জীৱন্ত হৈ থকা অসম এখন ৰাজ্য হৈ পৰিল, "বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, "সেই একে আস্থাৰ কাৰণেই আমি যেতিয়া অসমক প্ৰযুক্তিৰ কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাৰ কথা কৈছিলোঁ, তেতিয়া তেওঁ এক মুহূৰ্তৰ বাবেও সন্দেহ কৰা নাছিল।" মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চলিত বৰ্ষৰ শেষৰ ফালে যেতিয়া জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প কাৰ্যক্ষম হ'ব আৰু ভাৰতৰ ভিতৰতে প্ৰথমটো এনে উদ্যোগ হ'ব, তেতিয়া ই অসমৰ বাবে তেওঁৰ সপোনৰ বাস্তৱায়িত হ'ব। উপযুক্তভাৱে এই উদ্যোগটো অৱস্থিত চহৰখনে তেওঁৰ নাম 'ৰতন টাটা ইলেকট্ৰনিকছ চিটী' হিচাপে বিলাই ফুৰিব। মুখ্যমন্ত্ৰীয়ে কয়, "তেওঁ উত্তৰ-পূবক স্বাস্থ্য সেৱা আৰু উদ্যোগ খণ্ডত উচ্চাকাংক্ষাৰ মৰ্যাদা প্ৰদান কৰিছিল। আজিৰ দিনটোত অসমে কেৱল এজন মহান ভাৰতীয়ক হেৰুওৱাৰ বাবে শোক প্ৰকাশ কৰাই নাই; আমি আমাৰ ওপৰত বিশ্বাস ৰখা এজন ব্যক্তিক সন্মান জনাইছোঁ।" উল্লেখ্য যে ২০২৪ চনৰ ৯ অক্টোবৰত ৮৬ বছৰ বয়সত দেশ তথা বিশ্বৰ বিশিষ্ট উদ্যোগপতি ৰতন টাটাৰ মৃত্যু হৈছিল। তেওঁক অসম চৰকাৰৰ সৰ্বোচ্চ সন্মান 'অসম গৌৰৱ বঁটা'ৰে মৰণোত্তৰভাৱে সন্মানিত কৰা হৈছিল। ৰতন টাটাৰ মৃত্যুতিথিত অসমবাসীয়ে তেওঁৰ অৱদান আৰু স্মৃতিক শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

বৰাক উপত্যকাত সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সপ্তম দ্বি-বাৰ্ষিক অধিৱেশন

শ্ৰীভূমিত শক্তিশালী অভ্যৰ্থনা সমিতি গঠন



অসম বাৰ্তা, দুলীয়াজান, ৯ অক্টোবৰ ঃ অহা ২০২৭ বৰ্ষৰ ২৭, ২৮, ২৯ আৰু ৩০ জানুৱাৰীত চাৰিদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে বৰাক উপত্যকাৰ নৱগঠিত শ্ৰীভূমি জিলাৰ আদৰকোনাত অনুষ্ঠিত হ'বলৈ গৈ আছে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সপ্তম দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন আৰু 'চুতীয়া মহোৎসৱ'। বৰাক উপত্যকাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ছাত্ৰ সন্থাৰ এই বিশাল অনুষ্ঠানটোক লৈ সমগ্ৰ অঞ্চলটোতে এতিয়াৰে পৰা ব্যাপক উচাহ আৰু উদ্দীপনা পৰিলক্ষিত হৈছে। এই অধিৱেশনৰ জৰিয়তে অসমৰ খিলঞ্জীয়া চুতীয়া জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি, বীৰত্ব আৰু ঐতিহ্যক বৰাক উপত্যকাত তুলি ধৰাৰ এক প্ৰয়াস কৰা হ'ব। অধিৱেশন আৰু মহোৎসৱখন সুচাৰুৰূপে তথা সফলতাৰে পৰিচালনা কৰাৰ উদ্দেশ্যে শেহতীয়াকৈ আদৰকোনাৰ সাধনী ভৱনত এখন গুৰুত্বপূৰ্ণ ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল, বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি আৰু ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই সভাতেই অধিৱেশনখন পৰিচালনা কৰিবলৈ এখন শক্তিশালী আৰু কৰ্মঠ অভ্যৰ্থনা সমিতি গঠন কৰা হয়। ৰাজহুৱা সভাত সৰ্বসন্মতিক্ৰমে গঠিত হোৱা এই অভ্যৰ্থনা সমিতিখনৰ সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে ৰামকৃষ্ণ নগৰ সমষ্টিৰ বিধায়ক বিজয় মালাকাৰক। সেইদৰে কাৰ্যকৰী সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰিছে ক্ৰমে বিশ্বৰূপ ভট্টাচাৰ্য আৰু উপেন্দ্ৰ চুতীয়াই। আনহাতে, অভ্যৰ্থনা সমিতিখনৰ সাধাৰণ সম্পাদক হিচাপে জয়ন্ত চুতীয়া আৰু দীপক বৰাক নিৰ্বাচিত কৰা হৈছে। মূল সমিতিৰ লগতে বিভিন্ন বিভাগীয় উপ-সমিতি গঠন কৰি অধিৱেশনখন সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ প্ৰস্তুতি আৰম্ভ কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। উল্লেখ্য যে, চাৰিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই সপ্তম দ্বি-বাৰ্ষিক অধিৱেশন আৰু চুতীয়া মহোৎসৱত প্ৰতিনিধি সভা, বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, শৈক্ষিক আৰু জাতীয় সমস্যাক লৈ আলোচনা চক্ৰ, স্মৃতিগ্ৰন্থ উন্মোচন আৰু বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ প্ৰতিনিধি আৰু শুভাকাংক্ষীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বৰাক-ব্ৰহ্মপুত্ৰৰ মাজত এক সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে। এই বিশাল আয়োজন সন্দৰ্ভত সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মহেন বৰা আৰু সাধাৰণ সম্পাদক ৰাজু চুতীয়াই এক বিবৃতিত কয় যে, "অহা ২০২৭ চনৰ জানুৱাৰী মাহত শ্ৰীভূমি জিলাৰ আদৰকোনাত অনুষ্ঠিত হ'বলগীয়া আমাৰ সপ্তম দ্বি-বাৰ্ষিক অধিৱেশন আৰু চুতীয়া মহোৎসৱ অসমৰ জাতীয় জীৱনৰ বাবে এক গুৰুত্বপূৰ্ণ অনুষ্ঠান হিচাপে পৰিগণিত হ'ব।" লগতে দুয়োগৰাকী শীৰ্ষ নেতাই এই অধিৱেশন আৰু চুতীয়া মহোৎসৱখন সৰ্বাংগীণভাৱে সফল কৰি তুলিবলৈ জাতি, ধৰ্ম, বৰ্ণ আৰু ভাষা নিৰ্বিশেষে বৰাক উপত্যকাৰ লগতে সমগ্ৰ অসমৰ সকলো শ্ৰেণীৰ ৰাইজৰে আন্তৰিক সহায়, সহযোগিতা আৰু দিহা-পৰামৰ্শ একান্তভাৱে কামনা কৰিছে। ইতিমধ্যে আদৰকোনাকে ধৰি সমগ্ৰ শ্ৰীভূমি জিলাত অধিৱেশনক লৈ ব্যাপক প্ৰস্তুতি আৰম্ভ হোৱা পৰিলক্ষিত হৈছে আৰু স্থানীয় ৰাইজৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে আয়োজকসকলক অধিক উৎসাহিত কৰি তুলিছে।

বোকাখাতত মন্ত্ৰী অতুল বৰা, মৰঙিত বিধায়ক মৃণাল শইকীয়া আৰু দেৰগাঁৱত বিধায়ক মৃদুল কুমাৰ দত্তৰ দ্বাৰা উদ্বোধন

মৰঙি, বোকাখাত, দেৰগাঁও আৰু গোলাঘাট নগৰত স্বাস্থ্য আৰু কল্যাণ শিবিৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৯ অক্টোবৰ ঃ সেৱা সংকল্প অভিযানৰ অধীনত ইতিমধ্যে চলি থকা কাৰ্যসূচীৰ অন্তৰ্গত স্বাস্থ্য আৰু কল্যাণ শিবিৰসমূহৰ আজিৰ দিনটোত গোলাঘাট জিলাত চাৰিটাকৈ স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ আয়োজন কৰা হয়। ইয়াৰে ভিতৰত মৰঙি উন্নয়ন খণ্ড, গোলাঘাট পশ্চিম উন্নয়ন খণ্ড, বোকাখাত, দেৰগাঁও দক্ষিণ উন্নয়ন খণ্ড আৰু গোলাঘাট পৌৰসভাৰ কাৰ্যালয়ত গোলাঘাট নগৰবাসীৰ বাবে স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অবিৰত জনসেৱাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱাৰ এক উদ্যাপন আৰু ইয়াৰে প্ৰতি শ্ৰদ্ধা জনাই দেশজুৰি সেৱা সংকল্প অভিযান অব্যাহত আছে। আজি অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰত আটাইকেইটা শিবিৰ মিলাই দুই হাজাৰতকৈ অধিক লোকে স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰে। ইয়াৰে মৰঙিত ৭৯০ জন, দেৰগাঁও দক্ষিণ খণ্ডত ১০৫৬ জন, গোলাঘাট পশ্চিম খণ্ডত ৬৯২জন আৰু গোলাঘাট পৌৰ নিগমৰ কাৰ্যালয়ত অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰত ১৬৩জন লোকৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন হয়। সেৱা সংকল্প অভিযানৰ শুভ উদ্বোধনী অনুষ্ঠানত বোকাখাতত মন্ত্ৰী অতুল বৰা, মৰঙি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ চৌহদত খুমটাই বিধানসভা সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া আৰু দক্ষিণ দেৰগাঁও খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ চৌহদত দেৰগাঁৱৰ বিধায়ক মৃদুল কুমাৰ দত্তই স্বাস্থ্য আৰু কল্যাণ শিবিৰ মুকলি কৰে। সকলো চৰকাৰী বিভাগৰ সংহত অংশগ্ৰহণেৰে সেৱা সংকল্প অভিযান অনুষ্ঠিত হৈছে। বিশেষজ্ঞ চিকিৎসকৰ উপস্থিতিৰ উপৰিও এম বি বি এছ চিকিৎসক, আয়ুস চিকিৎসক, মৌলিক স্বাস্থ্য পৰীক্ষা, অসংক্ৰামক ৰোগ চিনাক্তকৰণ, ৰোগ নিৰ্ধাৰণ পৰীক্ষা, ঔষধ বিতৰণকে আদি কৰি যোগাসন, আভা নম্বৰ সৃষ্টি, আয়ুষ্মান ভাৰতৰ অধীনত ই-কে.ৱাই.চি, স্বাস্থ্যসন্মত জীৱনশৈলীৰ বিষয়ে সজাগতা সৃষ্টিৰ দৰে বিভিন্ন সেৱা গোলাঘাট স্বাস্থ্য বিভাগৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে। স্বাস্থ্য শিবিৰত বিনামূলীয়াভাৱে এক্স-ৰে আৰু ইচিজি সেৱাও উপলব্ধ থাকে। ৰাষ্ট্ৰীয় মোবাইল ইউনিট, ১০৮ এম্বুলেন্স সেৱা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ স্বাস্থ্য কৰ্মী সকল, বহুমুখী স্বাস্থ্যকৰ্মী, ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ বিষয়া-কৰ্মচাৰী, ৰাষ্ট্ৰীয় যক্ষ্মা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ স্বাস্থ্যকৰ্মী সকল, সামূহিক স্বাস্থ্য বিষয়া, আশা ছুপাৰভাইছৰ, আশা কৰ্মী সকলকে আদি কৰি অন্যান্য স্বাস্থ্য কৰ্মীসকলে স্বাস্থ্য সেৱা আগবঢ়ায়।

মাজুলী বিশ্ববিদ্যালয়ত ভাষা বিষয়ক গুৰুত্বপূৰ্ণ আলোচনা সম্পন্ন

অসম বাৰ্তা, মাজুলী, ৯ অক্টোবৰ ঃ মাজুলী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত এলানি ভাষা বিষয়ক গুৰুত্বপূৰ্ণ আলোচনা আজি সম্পন্ন হয়। আলোচনাত সমল ব্যক্তি হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° উপেন ৰাভা হাকাছামদেৱে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা অৰ্পনা কোঁৱৰে বক্তৃতা আগবঢ়ায়। প্ৰাধ্যাপিকা অৰ্পণা কোঁৱৰে অসমীয়া ভাষাৰ গাঁথনিক বিশ্লেষণ সম্পৰ্কে বক্তৃতা আগবঢ়োৱাৰ পিছত প্ৰাধ্যাপক হাকাছামে অসমীয়া ভাষাৰ বৈবিধতা ঃ জাতি, বৰ্গ, বৃত্তি আৰু বয়সৰ ভিত্তিত ভাষা-ৰূপৰ প্ৰকাৰ ভেদ বিষয়ক গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰে। উল্লেখযোগ্য যে দুয়োগৰাকী ভাষাৰ গৱেষকে ভাষা বিষয়ক যথেষ্ট গুৰুত্বপূৰ্ণ তথ্য ডাঙি ধৰে। বিভাগৰ অধ্যাপক - অধ্যাপিকা, গৱেষক-গৱেষিকা আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠানটো গাম্ভীৰ্যপূৰ্ণভাৱে সম্পন্ন হৈ যায়। বক্তৃতা অনুষ্ঠানটোৰ আদৰণী ভাষণ প্ৰদান কৰে বিভাগৰ মুৰব্বী অধ্যাপক ড° উৎপল নাৰায়ণ গোস্বামীয়ে।

আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত শঙ্কৰদেৱ মহাবিদ্যালয়ৰ চেম্পিয়নৰ খিতাপ অৰ্জন



অসম বাৰ্তা, বান্দৰদেৱা, ৯ অক্টোবৰ ঃ লখিমপুৰ জিলাৰ ঐতিহ্য মণ্ডিত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত দুৰ্দান্ত প্ৰদৰ্শনেৰে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে পথালিপাহাৰস্থিত শঙ্কৰদেৱ মহাবিদ্যালয়ে। প্ৰতিযোগিতাখনত মহাবিদ্যালয়খনৰ খেলুৱৈসকলে অসাধাৰণ ক্ৰীড়া নৈপুণ্য, দলীয় সংহতি আৰু অদম্য মনোবলৰ পৰিচয়েৰে ছেমি ফাইনেলত খেৰাজখাত মহাবিদ্যালয়ক পৰাস্ত কৰাৰ পিছত ফাইনেলত মাধৱদেৱ বিশ্ববিদ্যালয়কো পৰাস্ত কৰি গৌৰৱোজ্জ্বল বিজয় সাব্যস্ত কৰে। এই সাফল্যৰ মাজতে শঙ্কৰদেৱ মহাবিদ্যালয়ৰ ছাত্ৰ মিণ্টু বসুমতাৰীয়ে শ্ৰেষ্ঠ গ'লৰক্ষক (Best Goalkeeper) হিচাপে স্বীকৃতি লাভ কৰি মহাবিদ্যালয় খনলৈ গৌৰৱ কঢ়িয়াই আনে। আনহাতে, মহাবিদ্যালয়খনৰ দুগৰাকী প্ৰতিভাৱান খেলুৱৈ ক্ৰমে সঞ্জীৱ খালখো আৰু প্ৰাণজিৎ নাথে যুটীয়াভাৱে শ্ৰেষ্ঠ খেলুৱৈ (Man of the Series)ৰ সন্মান লাভ কৰি নিজৰ প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সোণাৰাম কলিতা, প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু সমগ্ৰ মহাবিদ্যালয় পৰিয়াল বৰ্গৰ উৎসাহজনক সমৰ্থন তথা ড° নিপন হালৈৰ তত্ত্বাৱধান আৰু নিৰ্দেশনাই এই গৌৰৱময় সাফল্যত বিশেষ ভূমিকা পালন কৰিছে। শঙ্কৰদেৱ মহাবিদ্যালয়ৰ এই ঐতিহাসিক বিজয়ে কেৱল মহাবিদ্যালয়খনৰে নহয়, সমগ্ৰ অঞ্চলটোৰ বাবেও গৌৰৱ আৰু আনন্দৰ বতৰা কঢ়িয়াই আনিছে। খেলুৱৈসকলৰ এই অনবদ্য সাফল্যই ভৱিষ্যতেও নতুন প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি উৎসাহিত কৰাৰ লগতে মহাবিদ্যালয়খনৰ গৌৰৱোজ্জ্বল যাত্ৰাক অধিক সমৃদ্ধ কৰিব বুলি আশা কৰা হৈছে।

গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ এই ঐতিহাসিক সংগ্ৰামক পুলিচ লগাই স্তব্ধ কৰিব নোৱাৰি ঃ দেৱব্ৰত শইকীয়া

অসম বাৰ্তা, নামতি, ৯ অক্টোবৰ ঃ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ এই ঐতিহাসিক সংগ্ৰামক পুলিচ লগাই স্তব্ধ কৰিব বিচৰা বি জে পি নেতৃত্বাধীন চৰকাৰৰ এক ভ্ৰষ্টাচাৰৰ নিদৰ্শন। এইয়া কেতিয়াও সম্ভৱ হৈ নুঠিব। এইদৰে আক্ষেপ প্ৰকাশ কৰে অসম বিধানসভাৰ বিৰোধী দলৰ প্ৰাক্তন দলপতি তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই। এক বিবৃতিৰ তেখেতে কয়, নতুন দিল্লীত দেশৰ নিৰ্বাচন আয়োগৰ কাৰ্যালয়ৰ বাহিৰত ভোটাৰ তালিকাৰ পৰা কোটি কোটি প্ৰকৃত ভোটাৰৰ নাম কৰ্তন আৰু নিৰ্বাচনী অনিয়মৰ প্ৰতিবাদ জনোৱা ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ সন্মানীয় নেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী ৱাদ্ৰাজীৰ নেতৃত্বত হোৱা শান্তিপূৰ্ণ প্ৰতিবাদক কেন্দ্ৰীয় চৰকাৰে যিদৰে পুলিচৰ জৰিয়তে দমন কৰিবলৈ চেষ্টা কৰিলে, সেয়া অতি কঠোৰ ভাৱে গৰিহণাৰ যোগ্য। দেৱব্ৰত শইকীয়াই লগতে কয়, এখন গণতান্ত্ৰিক দেশত বিৰোধী দলপতি আৰু সাংসদসকলে নিৰ্বাচন আয়োগক সাক্ষাৎ কৰি দেশৰ জনতাৰ যুক্তিসংগত প্ৰশ্ন উত্থাপন কৰিব বিচৰাটো কি অপৰাধ নেকি? মোদী চৰকাৰে লাঠী আৰু বেৰিকেডেৰে বিৰোধী নেতাসকলক বেআইনীভাৱে আটক কৰিব পাৰে, আনকি মহিলা নেত্ৰীৰ সৈতেও আৰক্ষীয়ে অশালীন আচৰণ কৰিব পাৰে, কিন্তু তেওঁলোকে আমাৰ কণ্ঠ চিৰদিনৰ বাবে ৰোধ কৰিব নোৱাৰে। এয়া কোনো ব্যক্তিগত যুঁজ নহয়, এয়া ১৪০ কোটি ভাৰতীয়ৰ ভোটাধিকাৰ আৰু বাবা চাহেব আম্বেদকাৰৰ সংবিধান ৰক্ষাৰ যুঁজ। দিল্লীৰ এই দমন-পীড়নৰ বিৰুদ্ধে অসমতো ভাৰতীয় জাতীয় কংগ্ৰেছ দলে তীব্ৰ প্ৰতিবাদ গঢ়ি তুলিব আৰু শেষলৈকে এই যুঁজ অব্যাহত ৰাখিব। গণতন্ত্ৰ আৰু সাংবিধানিক প্ৰতিষ্ঠানসমূহ ৰক্ষাৰ বাবে সকলো সজাগ নাগৰিক একগোট হোৱাৰ বিনম্ৰ আহ্বান জনাইছে দেৱব্ৰত শইকীয়াই।

শিল-বালি-চিমেণ্টেৰে নিৰ্মাণ কৰিছে বিভিন্ন দেৱ-দেৱীৰ প্ৰতিমূৰ্তি, চৰকাৰী সহায়ৰ অপেক্ষাত প্ৰতিভাৱান শিল্পী

গোলাঘাটৰ বৰজানৰ নীৰৱ ভাস্কৰ্যশিল্পী গুনিন্দ্ৰ বৰাৰ শিল্প সাধনা

অসম বাৰ্তা, মেৰাপানী, ৮ অক্টোবৰ ঃ প্ৰতিভা প্ৰকাশৰ বাবে সদায় যে বৃহৎ মঞ্চৰ প্ৰয়োজন হয়, সেই কথাক যেন মিছা প্ৰমাণ কৰিছে গোলাঘাট জিলাৰ মাটিখোলা গাঁও পঞ্চায়তৰ অন্তৰ্গত ১নং বৰজান গাঁৱৰ এগৰাকী যুৱ ভাস্কৰ্যশিল্পীয়ে। কোনো ধৰণৰ বিশেষ প্ৰচাৰ বা চৰ্চাৰ আঁৰত নথকাকৈ নিজৰ ঘৰতে নীৰৱে শিল্প সাধনা অব্যাহত ৰাখি ভাস্কৰ্য শিল্পৰ ক্ষেত্ৰত নিজস্ব পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে গুনিন্দ্ৰ বৰাই। সৰুৰে পৰা শিল্পকলাৰ প্ৰতি আগ্ৰহী গুনিন্দ্ৰ বৰাই ২০১৭ চনৰ পৰা দৈয়াং অঞ্চলৰ পুলিবাগানৰ বিশিষ্ট ভাস্কৰ্যশিল্পী অজিত তামুলীক গুৰু হিচাপে মানি ভাস্কৰ্য শিল্পৰ শিক্ষা গ্ৰহণ কৰে। গুৰুৰ পৰা লাভ কৰা জ্ঞান আৰু নিজৰ অধ্যৱসায়ৰ জৰিয়তে সময়ৰ লগে লগে বিভিন্ন ধৰণৰ ভাস্কৰ্য নিৰ্মাণৰ ক্ষেত্ৰত দক্ষতা অৰ্জন কৰে শিল্পীগৰাকীয়ে। নিজৰ ঘৰখনকে যেন এক শিল্পশালালৈ ৰূপান্তৰিত কৰি গুনিন্দ্ৰ বৰাই সহযোগী শিল্পীৰ সহায়ত শিল, বালি, চিমেণ্ট আৰু ৰড ব্যৱহাৰ কৰি বিভিন্ন ভাস্কৰ্য নিৰ্মাণ কৰি আহিছে। তেওঁৰ হাতৰ পৰশত নিৰ্জীৱ সামগ্ৰীয়ে লাভ কৰিছে জীৱন্ত ৰূপ। নামসিংহ, জয়-বিজয়, লক্ষ্মী, সৰস্বতী, শ্ৰীকৃষ্ণ, নাৰদকে ধৰি বিভিন্ন দেৱ-দেৱীৰ প্ৰতিমূৰ্তি নিখুঁত ৰূপত নিৰ্মাণ কৰি ইতিমধ্যে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে তেওঁ। বিশেষকৈ অখণ্ড ভাগৱত পাঠস্থলীৰ নৈমিষাৰণ্যৰ সাজ-সজ্জাৰ বাবে নিৰ্মাণ কৰা ঋষি-মুনি, দেৱ-দেৱীৰ বিভিন্ন প্ৰতিমূৰ্তিয়ে শিল্পীগৰাকীৰ দক্ষতাৰ পৰিচয় বহন কৰিছে। ধৰ্মীয় অনুষ্ঠান তথা নামঘৰৰ সৌন্দৰ্যবৰ্ধনৰ বাবেও ভাস্কৰ্য নিৰ্মাণ কৰি আহিছে গুনিন্দ্ৰ বৰাই। বিভিন্ন নামঘৰৰ সিংহদ্বাৰ, তোৰণ আদি নিৰ্মাণৰ ক্ষেত্ৰতো তেওঁৰ শিল্পকৰ্মই ৰাইজৰ মাজত সমাদৰ লাভ কৰিছে। শেহতীয়াকৈ অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ কামত ব্যস্ত হৈ আছে শিল্পীগৰাকী। জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিটো নিখুঁত আৰু আকৰ্ষণীয় ৰূপত নিৰ্মাণ কৰাৰ বাবে তেওঁ বিশেষভাৱে চেষ্টা অব্যাহত ৰাখিছে। শিল্পীগৰাকীৰ হাতত প্ৰাণ পাই উঠা ভাস্কৰ্যসমূহ প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে তেওঁৰ প্ৰতিভাৰ প্ৰশংসা কৰিছে। আনহাতে, প্ৰতিভা থকাৰ পাছতো আৰ্থিক সমস্যাই শিল্পীগৰাকীৰ শিল্প সাধনাৰ পথত বাধাৰ সৃষ্টি কৰিছে। আৰ্থিকভাৱে দুৰ্বল গুনিন্দ্ৰ বৰাই নিজৰ সীমিত সামৰ্থ্যৰ ভিতৰতে শিল্পকৰ্ম অব্যাহত ৰাখিছে। বিভিন্ন স্থানৰ পৰা ভাস্কৰ্য নিৰ্মাণৰ কাম লাভ কৰিলেও প্ৰয়োজনীয় সা-সামগ্ৰী ক্ৰয়, সহযোগী শিল্পীৰ পাৰিশ্ৰমিক আৰু অন্যান্য ব্যয় বহন কৰাটো তেওঁৰ বাবে সহজ নহয়। শিল্পীগৰাকীয়ে জানিবলৈ দিয়া মতে, বৰ্তমানলৈকে তেওঁৰ শিল্পকৰ্মৰ বাবে চৰকাৰৰ পৰা কোনো ধৰণৰ আৰ্থিক অনুদান বা এককালীন সাহায্য লাভ কৰা নাই। চৰকাৰী সহায় লাভৰ আশাত সংশ্লিষ্ট পক্ষৰ ওচৰত প্ৰয়োজনীয় নথি-পত্ৰ দাখিল কৰিছিল যদিও বৰ্তমানলৈকে কোনো ইতিবাচক ফল লাভ কৰা নাই বুলি তেওঁ জানিবলৈ দিয়ে। গুনিন্দ্ৰ বৰাৰ মতে, উপযুক্ত আৰ্থিক সহায় আৰু চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰিলে তেওঁ ভাস্কৰ্য শিল্পৰ ক্ষেত্ৰত অধিক নতুন কাম কৰাৰ লগতে যুৱ প্ৰজন্মৰ মাজতো এই শিল্পৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিব পাৰিব। বিশেষকৈ স্থানীয় পৰ্যায়ত থকা এনে প্ৰতিভাৱান শিল্পীসকলক চৰকাৰীভাৱে চিনাক্ত কৰি প্ৰশিক্ষণ, আৰ্থিক সাহায্য আৰু প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰিলে অসমৰ ভাস্কৰ্য শিল্পৰ ক্ষেত্ৰখন অধিক সমৃদ্ধ হ'ব বুলি মত প্ৰকাশ কৰিছে সচেতন মহলে। নিজৰ প্ৰতিভাক সম্বল কৰি কোনো ধৰণৰ চৰ্চাৰ আশা নকৰাকৈ নীৰৱে শিল্প সাধনা কৰি অহা গুনিন্দ্ৰ বৰা এতিয়া কেৱল ১নং বৰজান গাঁৱৰে নহয়, সমগ্ৰ অঞ্চলটোৰ বাবে এক আশাৰ প্ৰতীক হৈ পৰিছে। উপযুক্ত পৃষ্ঠপোষকতা আৰু চৰকাৰী সহায় লাভ কৰিলে এই নীৰৱ শিল্পীগৰাকীয়ে ভৱিষ্যতে ভাস্কৰ্য শিল্পৰ ক্ষেত্ৰখনত আৰু অধিক উজলি উঠাৰ সম্ভাৱনা আছে।

বাধ্যতামূলক চিচিটিভি কেমেৰা, নিশাৰ ভাগত থাকিব লাগিব স্বেচ্ছাসেৱক

নগাঁও জিলাৰ পূজা সমিতিলৈ জিলা প্ৰশাসনৰ নিৰ্দেশনা

অসম বাৰ্তা, নগাঁও, ৯ অক্টোবৰ ঃ শাৰদীয় দুৰ্গোৎসৱ সুচাৰুৰূপে আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে নগাঁও জিলা প্ৰশাসনে পূজা সমিতিসমূহৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ ভিতৰত প্ৰতিখন পূজা মণ্ডপত চিচিটিভি কেমেৰা স্থাপন কৰাটো বাধ্যতামূলক কৰা হৈছে। জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত পূজা সমিতিসমূহৰ সৈতে অনুষ্ঠিত বৈঠকত এই নিৰ্দেশনাসমূহ স্পষ্ট কৰি দিয়া হয়। বৈঠকত জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডীয়ে পূজাৰ অনুমতিৰ বাবে অতি শীঘ্ৰে প্ৰয়োজনীয় আবেদন দাখিল কৰিবলৈ সমিতিসমূহক আহ্বান জনায়। পূজা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত স্থানীয় চক্ৰ বিষয়া, সংশ্লিষ্ট আৰক্ষী থানা, অসম শক্তি বিতৰণ প্ৰতিষ্ঠান আৰু অগ্নিনিৰ্বাপক বাহিনীৰ পৰা আপত্তিবিহীন প্ৰমাণপত্ৰ গ্ৰহণ কৰিব লাগিব। ব্যক্তিগত ভূমিত পূজা অনুষ্ঠিত কৰিলে ভূমিৰ গৰাকীৰ পৰাও আপত্তিবিহীন পত্ৰ লোৱাটো বাধ্যতামূলক কৰা হৈছে। সভাত অতিৰিক্ত আয়ুক্ত গোপাল শৰ্মাই পূজা সমিতিসমূহৰ কৰণীয় আৰু দায়িত্ব সন্দৰ্ভত বিস্তৃতভাৱে অৱগত কৰে। প্ৰতিখন পূজা মণ্ডপত পৰ্যাপ্ত সংখ্যক স্বেচ্ছাসেৱক নিয়োজিত কৰাৰ লগতে নিশাৰ ভাগতো নিৰাপত্তাৰ দিশটো বিশেষভাৱে গুৰুত্ব দিবলৈ নিৰ্দেশ দিয়া হয়। নিশাৰ কৰ্তব্যত নিয়োজিত স্বেচ্ছাসেৱকসকল মাদকদ্ৰব্য সেৱনকাৰী নহয়, সেই বিষয়টো নিশ্চিত কৰিবলৈও পূজা সমিতিসমূহক আহ্বান জনোৱা হৈছে। লগতে স্বেচ্ছাসেৱকসকলৰ নামৰ তালিকা সংশ্লিষ্ট আৰক্ষী থানাত দাখিল কৰাৰ লগতে সমিতিৰ ফালৰ পৰা তেওঁলোকক পৰিচয়-পত্ৰ প্ৰদানৰ ব্যৱস্থা কৰিবলৈ কোৱা হয়। পূজা সমিতিসমূহৰ সৈতে পৰৱৰ্তী পৰ্যায়ত চক্ৰ বিষয়াসকলৰ নেতৃত্বতো পৃথক বৈঠক অনুষ্ঠিত কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে নগাঁও জিলাত এইবাৰ প্ৰায় ৪১৭খন শাৰদীয় দুৰ্গা পূজা অনুষ্ঠিত হোৱাৰ কথা। পূজাসমূহ যাতে শৃংখলাবদ্ধ, সুৰক্ষিত আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়, সেই উদ্দেশ্যে জিলা প্ৰশাসনে পূজা সমিতিসমূহৰ সৈতে এই বৈঠক অনুষ্ঠিত কৰে বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জানিবলৈ দিয়ে।

নৰেন্দ্ৰ মোদীৰ নামেৰে নামকৰণ হ'ব নয়দা-জেৱাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ

তথ্য সদৰি কৰে। মুখ্যমন্ত্ৰী আদিত্যনাথে কয়, জেৱাৰত থকা নয়দা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ ৰাজ্যখনক উপহাৰ দিয়াৰ বাবে উত্তৰ প্ৰদেশ মন্ত্ৰী পৰিষদে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰিছে। এই বিমানবন্দৰ উত্তৰ প্ৰদেশৰ সৰ্ববৃহৎ বিমানবন্দৰ হ'ব আৰু ভৱিষ্যতে দেশৰ অন্যতম বৃহৎ বিমান পৰিবহণ কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব। সেয়ে কেবিনেটে ইয়াৰ নাম 'নৰেন্দ্ৰ মোদী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ, নয়দা-জেৱাৰ' ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কেবিনেটে প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্ব, প্ৰেৰণাদায়ী পথনিৰ্দেশ আৰু ৰাজ্যৰ প্ৰতি তেওঁৰ অটল সমৰ্পণকো সাদৰে স্বীকৃতি জনাইছে। উপ-মুখ্যমন্ত্ৰী কেশৱ প্ৰসাদ মৌৰ্যই এই সিদ্ধান্তক স্বাগত জনাই কয় যে নৰেন্দ্ৰ মোদীৰ নামেৰে নয়দা-জেৱাৰ বিমানবন্দৰৰ নামকৰণে ৰাজ্য আৰু দেশৰ জনসাধাৰণৰ মাজত সুখৰ বাৰ্তা প্ৰেৰণ কৰিব। তেওঁ ইয়াক অতি উপযুক্ত আৰু মৰ্যাদাসম্পন্ন নাম বুলি অভিহিত কৰে। উল্লেখ্য, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত বৰ্ষৰ ২৮ মাৰ্চত এই বিমানবন্দৰ উদ্বোধন কৰিছিল। তাৰ পিছত ১৫ জুনত লকঞ্জৌৰ পৰা অহা ইণ্ডিগ' বিমানে প্ৰথমবাৰৰ বাবে ইয়াত অৱতৰণ কৰে। চুইজাৰলেণ্ডৰ জুৰিখ এয়াৰপৰ্ট ইণ্টাৰনেশ্যনেল এজিৰ সহযোগী প্ৰতিষ্ঠান য়ামুনা ইণ্টাৰনেশ্যনেল এয়াৰপৰ্ট প্ৰাইভেট লিমিটেডে উত্তৰ প্ৰদেশ চৰকাৰৰ হৈ কাৰ্যকৰী সংস্থা নয়দা ইণ্টাৰনেশ্যনেল এয়াৰপৰ্ট লিমিটেডৰ সহযোগত এই বিমানবন্দৰ নিৰ্মাণ কৰিছিল। বিমানবন্দৰটো এছিয়াৰ ভিতৰতে আটাইতকৈ ডাঙৰ আৰু বিশ্বৰ চতুৰ্থ বৃহত্তম বিমানবন্দৰ হিচাপে বিকশিত কৰাৰ পৰিকল্পনা আছে। ১১,২৮২ কোটি টকা ব্যয়েৰে নিৰ্মিত এই বিমানবন্দৰৰ প্ৰথম পৰ্যায়ৰ বাৰ্ষিক ক্ষমতা ১.২ কোটি যাত্ৰী। আগন্তুক কেইবছৰমানৰ ভিতৰত এই ক্ষমতা ৭ কোটিলৈ বৃদ্ধি কৰাৰ লক্ষ্য আছে। ইয়াত ৩৯০০ মিটাৰ দীঘল ৰাণৱেৰ লগতে আধুনিক নেভিগেচন ব্যৱস্থাও আছে।

জুবিন হত্যা গোচৰত জামিন লাভ

অনুমোদন জনোৱা হয়। এই সন্দৰ্ভত গুৱাহাটী উচ্চন্যায়ালয়ৰ এগৰাকী অধিবক্তাই সংবাদ মাধ্যমক কয় যে ন্যায়ালয়ৰ আনুষ্ঠানিক কাম-কাজ সম্পূৰ্ণ হোৱাৰ পিছত অমৃতপ্ৰভা মহন্তই মুকলি বতাহত উলাব পাৰিব। অৱশ্যে এই বিষয়ে এতিয়াও সঠিক তথ্য পোৱা নাই। উল্লেখ্য, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত সাগৰত থকা এখন ইয়টত আন কেবাজনো প্ৰবাসী অসমীয়াৰ সৈতে অমৃতপ্ৰভা মহন্তও উপস্থিত আছিল। আৰম্ভণিতে তেওঁ এই কথা স্বীকাৰ কৰা নাছিল। কিন্তু আৰক্ষীৰ কেবাদিনীয়া জেৰাৰ অন্তত চিআইডিৰ আগত তেওঁ উপস্থিত থকাৰ কথা স্বীকাৰ কৰে। ইয়াৰ উপৰি জুবিন গাৰ্গৰ মৃত্যুৰ পূৰ্বৰ ভিডিঅ'সমূহ খণ্ড খণ্ডকৈ সামাজিক মাধ্যমত প্ৰকাশ পাইছিল; সেই ভিডিঅ'সমূহ তেওঁৰ ম'বাইলৰে বন্দী কৰা বুলিও জেৰাত অমৃতপ্ৰভাই স্বীকাৰ কৰিছিল। এই সকলো দিশ চালি-জাৰি চোৱাৰ অন্তত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছিল।

বেংগালুৰুৰ ফ্ৰিডম পাৰ্কত

কেন্দ্ৰীয় গৃহ সচিবলৈ পত্ৰ লিখিছে। জানিব পৰা মতে, যোৱা ৮ অক্টোবৰত বেংগালুৰুৰ ফ্ৰিডম পাৰ্কত এছআইআৰবিৰোধী প্ৰতিবাদ অনুষ্ঠিত হৈছিল। এই প্ৰতিবাদত ধ্ৰুৱ ৰাথীৰ লগতে অভিনেতা প্ৰকাশ ৰাজ আৰু আন কেইবাগৰাকীও ব্যক্তি উপস্থিত আছিল। প্ৰতিবাদৰ মঞ্চৰ পৰাই ধ্ৰুৱ ৰাথীয়ে নিৰ্বাচন আয়োগক সমালোচনা কৰিছিল। এছআইআৰ প্ৰক্ৰিয়াত স্বচ্ছতা আৰু জবাবদিহিতাৰ অভাৱ থকা বুলিও তেওঁ অভিযোগ তুলিছিল। ভাস্কৰ ৰাৱে কেন্দ্ৰীয় গৃহ সচিবলৈ লিখা পত্ৰত দাবী কৰিছে যে ধ্ৰুৱ ৰাথীৰ জাৰ্মানীৰ নাগৰিকত্ব থকা বুলি জানিব পৰা গৈছে। সেয়েহে তেওঁৰ পাছপৰ্ট, ভিছাৰ প্ৰকাৰ, ভাৰতলৈ অহাৰ উদ্দেশ্য আৰু দেশত থকাৰ অনুমোদিত সময়সীমাৰ বিষয়ে তদন্ত কৰিবলৈ তেওঁ আহ্বান জনাইছে। কেৱল সেয়াই নহয়, ধ্ৰুৱ ৰাথীৰ ওচৰত ভাৰতৰ বিদেশত বসবাস কৰা মূলৰ লোকসকলৰ বাবে প্ৰদান কৰা অ'চিআই কাৰ্ড আছে নেকি, সেয়াও পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে ভাস্কৰ ৰাৱে। ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত ৰাজনৈতিক প্ৰতিবাদত তেওঁৰ অংশগ্ৰহণ প্ৰচলিত নিয়মৰ অধীনত অনুমোদিত নে নহয়, সেই বিষয়েও স্পষ্ট কৰিবলৈ দাবী জনাইছে প্ৰাক্তন আৰক্ষী বিষয়াগৰাকীয়ে। উল্লেখ্য যে, 'ককৰোচ জনতা পাৰ্টী' আৰু কেইবাটাও নাগৰিক সংগঠনে বেংগালুৰুৰ ফ্ৰিডম পাৰ্কত এই প্ৰতিবাদৰ আয়োজন কৰিছিল। ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন আৰু এছআইআৰ প্ৰক্ৰিয়াৰ বিৰুদ্ধে সাব্যস্ত কৰা প্ৰতিবাদত ধ্ৰুৱ ৰাথীৰ উপস্থিতি চৰ্চালৈ আহিছিল। অভিনেতা প্ৰকাশ ৰাজে তেওঁক প্ৰতিবাদৰ 'ছাৰপ্ৰাইজ গেষ্ট' বুলি পৰিচয় কৰাই দিছিল আৰু নিজেই মঞ্চলৈ আমন্ত্ৰণ জনাইছিল।

যন্তৰ-মন্তৰত ১০ অক্টোবৰৰ

এখন পোষ্টকাৰ্ডৰ ছবি প্ৰকাশ কৰি দিল্লী আৰক্ষীয়ে লিখিছে, 'ইউনিফৰ্ম, মতামত আৰু মতবিৰোধ যিয়েই নহওক, আমি প্ৰথমে মানুহ।' এই বাৰ্তাৰ জৰিয়তে আৰক্ষীয়ে সোঁৱৰাই দিছে যে ইউনিফৰ্ম, মতামত আৰু মতবিৰোধৰ ঊৰ্ধ্বত মানৱতাৰ স্থান সকলোতকৈ ওপৰত। নাগৰিকসকলক সম্বোধন কৰি দিল্লী আৰক্ষীয়ে লিখিছে, 'প্ৰিয় নাগৰিক, আপোনাৰ কণ্ঠ আপোনাৰ অধিকাৰ, আৰু আপোনাৰ সুৰক্ষা আমাৰ দায়িত্ব। ইউনিফৰ্মৰ আঁৰত থকা মানুহজনৰো এটা পৰিয়াল আছে, আপোন মানুহ আছে। পাৰ্থক্য কেৱল ইউনিফৰ্মৰ, মানৱতাৰ নহয়।' চিঠিখনৰ শেষত 'With Care, Delhi Police' বুলি লিখি আৰক্ষীয়ে নাগৰিকসকলৰ প্ৰতি নিজৰ বাৰ্তা প্ৰকাশ কৰিছে। এই পোষ্টৰ জৰিয়তে প্ৰতিবাদ, মতবিৰোধ আৰু মত প্ৰকাশৰ অধিকাৰৰ মাজতো আৰক্ষী আৰু সাধাৰণ নাগৰিকৰ মাজত মানৱীয় সম্পৰ্ক অটুট ৰখাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। উল্লেখ্য, ১০ অক্টোবৰত যন্তৰ-মন্তৰত প্ৰতিবাদ কৰাৰ পৰিকল্পনা কৰিছিল CJP-এ। কিন্তু দিল্লী আৰক্ষীয়ে এই কাৰ্যসূচীৰ অনুমতি নাকচ কৰে। যুটীয়া আৰক্ষী আয়ুক্তপাঁপুৰ প্ৰসাদে সংবাদমেলত জনোৱা মতে, প্ৰতিবাদৰ অনুমতি বিচাৰি অতি কম সময়ৰ আগতহে দলটোৱে আবেদন জনাইছিল। নিয়ম অনুসৰি, প্ৰতিবাদৰ বাবে কমেও ১০ দিন আগতে আৰক্ষীক অৱগত কৰিব লাগে। সেয়েহে এই অনুমতি প্ৰদান কৰা সম্ভৱ নহয়।

যোৰহাট জিলা আয়ুক্তৰ পৌৰোহিত্যত পথ সুৰক্ষা বিষয়ক গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা সম্পন্ন



অসম বাৰ্তা, নকছাৰি, ৯ অক্টোবৰ ঃ আজি যোৰহাটৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত জিলা আয়ুক্ত জয় শিৱানী দেৱৰ পৌৰোহিত্যত পথ সুৰক্ষা সংক্ৰান্তত এক বিশেষ পৰ্যালোচনা সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত জিলাখনৰ পথ সুৰক্ষা ব্যৱস্থা আৰু যান-বাহন চলাচল অধিক সুচাৰুৰূপে পৰিচালনা কৰাৰ অৰ্থে কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলা আয়ুক্ত মহোদয়ে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (NHDP)ৰ বিষয়া সকলক যোৰহাটৰ পৰা জাঁজীলৈকে ৰাষ্ট্ৰীয় ঘাইপথৰ যিবোৰ স্থানত গাঁত আছে, সেই সমূহ শীঘ্ৰে মেৰামতি কৰিবলৈ স্পষ্ট নিৰ্দেশ দিয়ে। ইয়াৰোপৰি, জিলা আয়ুক্ত গৰাকীয়ে পৌৰসভা আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক নগৰ অঞ্চল তথা ৰাষ্ট্ৰীয় ঘাইপথৰ বিকল হৈ থকা পথৰ street lights সমূহ অতি সোনকালে মেৰামতি কৰি কাৰ্যক্ষম কৰি তুলিবলৈ নিৰ্দেশ প্ৰদান কৰে। দুৰ্ঘটনা ৰোধ আৰু আইন-শৃংখলা ৰক্ষাৰ স্বাৰ্থত, অবৈধ সুৰাৰ বিক্ৰী সম্পূৰ্ণৰূপে বন্ধ কৰাৰ উদ্দেশ্যে আবকাৰী বিভাগৰ বিষয়াসকলক অভিযান অধিক তীব্ৰতৰ কৰিবলৈ নিৰ্দেশনা দিয়া হয়। একেদৰে, ISBT এলেকাৰ সমীপত যান-বাহন যাতে অপ্ৰয়োজনীয়ভাৱে পাৰ্কিং কৰি যান-জঁটৰ সৃষ্টি কৰিব নোৱাৰে, সেয়া নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক বিশেষভাৱে নিৰ্দেশ দিয়া হয়। আগন্তুক দুৰ্গা পূজাৰ সময়ছোৱাত সমগ্ৰ জিলাখনতে শান্তিপূৰ্ণ, শৃংখলাবদ্ধ আৰু সুচাৰু পৰিৱেশ সুনিশ্চিত কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে উপস্থিত সকলো কৰ্তৃপক্ষ তথা বিভাগীয় বিষয়াক একত্ৰিত হৈ কাম কৰিবলৈ আহ্বান জনায়। আজিৰ এই গুৰুত্বপূৰ্ণ সভাত জিলা জেষ্ঠ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা, মৰিয়নিৰ সম-জিলা আয়ুক্ত অভিজিৎ গগৈ, তিতাবৰৰ সম-জিলা আয়ুক্ত প্ৰীতম কুমাৰ দাস, সহকাৰী আয়ুক্ত, অতিৰিক্ত আৰক্ষী অধীক্ষক, মটৰ যান বাহন পৰিদৰ্শক, লোক নিৰ্মাণ বিভাগ (পথ), NHDPৰ কৰ্মকৰ্তাৰ লগতে অন্যান্য সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

নুমলীগড়ৰ কালিয়নী বনাঞ্চলক প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল ঘোষণা আৰু আৰক্ষীৰ ফায়াৰিং ৰেঞ্জ স্থানান্তৰৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৯ অক্টোবৰ ঃ গোলাঘাট জিলাৰ নুমলীগড় দেওপাহাৰ বনাঞ্চলৰ সমীপৰ প্ৰায় ১০০ হে''ৰ অঞ্চলৰ কালিয়নী বনাঞ্চলখনক তৎকালীনভাৱে প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ লগতে বনাঞ্চলখনত থকা অসম আৰক্ষীৰ ফায়াৰিং ৰেঞ্জটো স্থানান্তৰৰ দাবীত আজি গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক, পৰিৱেশকৰ্মী অপূৰ্ব বল্লভ গোস্বামীয়ে অসমৰ মুখ্যমন্ত্ৰীলৈ গোলাঘাট জিলাৰ অতিৰিক্ত উপায়ুক্ত জিণ্টু বৰা জৰিয়তে এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আবেদনখনত উল্লেখ কৰা অনুসৰি শেহতীয়া বন্যহস্তীৰ গণনাত কালিয়নী বনাঞ্চলত বহু সংখ্যক বন্যহস্তীৰ অৱস্থিতি পোৱা গৈছিল। গোলাঘাট জিলাত হাতী-মানুহৰ সংঘাত বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এই বনাঞ্চলখন সংৰক্ষণ কৰাটো অতি প্ৰয়োজনীয় বুলি আবেদনখনত কোৱা হৈছে। উল্লেখযোগ্য যে, এই সন্দৰ্ভত তেওঁ ইতিপূৰ্বে ২০২৪ চনৰ ১৩ ছেপ্টেম্বৰত কালিয়নীক প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল ঘোষণাৰ বাবে আৰু ২০২৫ চনৰ ১৮ ফেব্ৰুৱাৰীত বনাঞ্চলখনত থকা ফায়াৰিং ৰেঞ্জটো স্থানান্তৰৰ বাবে পৃথকে পৃথকে স্মাৰকপত্ৰ দিছিল। আবেদনকাৰীৰ মতে, বনাঞ্চলখনত বন্যহস্তী বিচৰণ কৰি থকাৰ সময়ত ফায়াৰিং ৰেঞ্জৰ গুলীৰ শব্দত হাতীৰ জাক দিশহাৰা হৈ পৰে। কিছুদিন পূৰ্বে আৰক্ষীয়ে ফায়াৰিং কৰি থকা অৱস্থাতে এটা বন্যহস্তী ওলাই অহাত এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছিল। বনাঞ্চলখনৰ গুৰুত্ব উপলব্ধি কৰি কালিয়নী বনাঞ্চলক প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ লগতে ফায়াৰিং ৰেঞ্জটো তৎকালীনভাৱে স্থানান্তৰৰ বাবে চৰকাৰে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে পৰিৱেশকৰ্মী গৰাকীয়ে।

গাভৰু উন্নয়ন খণ্ডৰ অধীনত 'সেৱা সেতু অভিযান' শিবিৰ

অসম বাৰ্তা, তেজপুৰ সদৰ, ৯ অক্টোবৰ ঃ সমগ্ৰ অসমৰ লগতে সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে আজি শোণিতপুৰ জিলাৰ গাভৰু উন্নয়ন খণ্ডৰ অধীনত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত 'সেৱা সেতু অভিযান' শিবিৰ অনুষ্ঠিত হয়। তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই শিবিৰত উপস্থিত থকা অনুষ্ঠানত শোণিতপুৰৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া জয়ন্ত কুমাৰ বৰা, অতিৰিক্ত জিলা আয়ুক্ত জেম্‌ছ আইন্দ, বিভিন্ন বিভাগৰ নডেল বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু সংশ্লিষ্ট বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত এই শিবিৰত জনসাধাৰণে উৎসাহজনক অংশগ্ৰহণ কৰে। শিবিৰৰ জৰিয়তে নাগৰিকসকলক প্ৰায় ২, ৭০০টা চৰকাৰী সেৱা প্ৰদান কৰা হয়। এই শিবিৰসমূহৰ জৰিয়তে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ প্ৰায় ২৪খন আঁচনি আৰু সেৱাৰ সুবিধা জনসাধাৰণৰ কাষলৈ লৈ যোৱা হৈছে। বিভিন্ন বিভাগৰ বিষয়াসকলে যোগ্য হিতাধিকাৰীসকলক আঁচনিসমূহৰ বিষয়ে তথ্য, পথ-প্ৰদৰ্শন আৰু আবেদন প্ৰক্ৰিয়াত প্ৰয়োজনীয় সহায় আগবঢ়ায়। ইয়াৰ সমান্তৰালভাৱে, অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ সহযোগত বিহগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত এক স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত কৰে। এই শিবিৰত ৰাইজক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, চিকিৎসকৰ পৰামৰ্শ আৰু চিকিৎসা সেৱা প্ৰদান কৰা হয়। মেডিচিন, স্ত্ৰী আৰু প্ৰসূতি ৰোগ, শিশুৰোগ, অস্থিৰোগ, নাক-কাণ-ডিঙি (ENT), চকুৰোগ, মানসিক ৰোগ আৰু আয়ুষ আদি বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকলে সেৱা আগবঢ়ায়। তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই স্বাস্থ্য শিবিৰটোও পৰিদৰ্শন কৰে।

"সেৱা সংকল্প অভিযান চৰকাৰৰ এক বিশেষ জনকল্যাণমূলক কাৰ্যক্ৰমণিকা" ঃ ই এম বেগম আখতাৰা

শালবাৰীৰ মৈৰাঝাৰত সেৱা সংকল্প অভিযান সম্পন্ন

অসম বাৰ্তা, শালবাৰী, ৯ অক্টোবৰ ঃ বাক্সাৰ শালবাৰী মহকুমা প্ৰশাসনৰ উদ্যোগত শালবাৰীৰ নিকটবৰ্তী মৈৰাঝাৰ ব্ৰহ্মময়ী হাইস্কুল প্ৰাংগনত আজি সেৱা সংকল্প অভিযান শিবিৰ সফলতাৰে অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে সেৱা সংকল্প অভিযান শিবিৰৰ দ্বাৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে বি টি চিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদে। দ্বাৰ উন্মোচনী ভাষণেৰে কাৰ্যবাহী সদস্যগৰাকীয়ে কয়— "চৰকাৰী সেৱা আৰু আঁচনিসমূহ জনসাধাৰণৰ মাজত অধিক সহজসাধ্য কৰি তোলাৰ লক্ষ্যৰে এই বিশেষ অভিযান অনুষ্ঠিত কৰা হৈছে। ৰাইজৰ সমস্যাসমূহ থিতাতে সমাধান কৰি এক জন-উন্নয়নমুখী সমাজ গঢ়াৰ দিশত চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। অসম চৰকাৰৰ ১০টা গুৰুত্বপূৰ্ণ বিভাগৰ জৰিয়তে ৰাইজে পাবলগীয়া সুবিধা আৰু আঁচনিসমূহৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাই এই অভিযানৰ মূল উদ্দেশ্য।" সেৱা সংকল্প অভিযান চৰকাৰৰ এক বিশেষ জনকল্যাণমূলক কাৰ্যক্ৰমণিকা বুলি উল্লেখ কৰি তেওঁ কয় যে এই বিশেষ কাৰ্যসূচীৰ জৰিয়তে ৰাইজে চৰকাৰী আঁচনি আৰু বিভাগীয় কাম-কাজৰ সুবিধা সহজেই গ্ৰহণ কৰিব পাৰিব। শালবাৰী মহকুমাৰ মহকুমাধিপতি মানসজ্যোতি মালাকাৰে আদৰণি ভাষণেৰে আৰম্ভ কৰা এই অনুষ্ঠানত মানস বিধানসভা সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। শিবিৰটোত শালবাৰী মহকুমাৰ অন্তৰ্গত বিভিন্ন ভি চি ডি চিৰ (VCDC) কেইবা সহস্ৰাধিক ৰাইজে উপস্থিতি দৰ্শাই সুবিধা লাভ কৰে। কাৰ্যসূচীত শালবাৰী মহকুমাৰ বিভিন্ন চৰকাৰী বিভাগৰ বিষয়াসকলৰ উপৰি গোবৰ্দ্ধনা খণ্ড উন্নয়ন বিষয়া মনোজ কলিতা আৰু অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বিশিষ্ট শিক্ষাবিদ আনোৱাৰ হুছেইনৰ দেহাৱসান

অসম বাৰ্তা, মঙলদৈ, ৯ অক্টোবৰ ঃ মঙলদৈ চহৰৰ ২ নং ৱাৰ্ডৰ বাসিন্দা তথা বিশিষ্ট শিক্ষাবিদ আনোৱাৰ হুছেইন (৬৬)ৰ আজি দেহাৱসান হয়। যোৱানিশা হঠাতে তেখেতৰ স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়ৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। অৰুণাচলৰ নিৰজুলিত অৱস্থিত নৰ্থ ইষ্টাৰ্ণ ৰিজিঅনেল ইনষ্টিটিউট অৱ চায়েন্স এণ্ড টেকনোলজি (NERIST) বিশ্ববিদ্যালয়ৰ ইলেকট্ৰনিক্স এণ্ড কমিউনিকেশ্যন ইঞ্জিনিয়াৰিং বিভাগৰ মুৰব্বী অধ্যাপক পদত দীৰ্ঘদিনে শিক্ষাদান কৰাৰ লগতে উক্ত বিশ্ববিদ্যালয়ৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ডীন হিচাবে অৱসৰ গ্ৰহণ কৰিছিল। আনহাতে তেখেতে অৱসৰ গ্ৰহণৰ পাছতো মঙলদৈস্থিত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ ইলেকট্ৰনিক্স এণ্ড কমিউনিকেশ্যন ইঞ্জিনীয়াৰিং বিভাগৰ আমন্ত্ৰিত মুৰব্বী অধ্যাপক হিচাবে যোগদান কৰিছিল। আজি আবেলি মঙলদৈ কবৰস্থানত তেখেতৰ জানাজা সম্পন্ন কৰা হয়। তেখেতৰ মৃত্যুত মঙলদৈত শোকৰ ছাঁ পৰে আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, ব্যক্তি বিশেষে শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। তেখেতৰ তিনি গৰাকী পুত্ৰৰ এজন ইউ.কে.ৰ মানচেষ্টাৰত আৰু আন এজন জাৰ্মানীত কৰ্মৰত হৈ থকাৰ বাবে আজি আহিব নোৱাৰিলে যদিও গুৱগাৱত কৰ্মৰত মাজু পুত্ৰ ডাঃ জাফৰ ইকবালে সময় মতে উপস্থিত হৈ পিতৃৰ জানাজাত অংশগ্ৰহণ কৰে। মৃত্যুৰ সময়ত তেখেতে পত্নী, তিনি পুত্ৰ, জ্যেষ্ঠ ভাতৃ, ভগ্নী তথা বহু আত্মীয় স্বজনক ইহ সংসাৰত এৰি যায়।

গোসাঁইগাঁও কলেজত উত্তৰ-পূবৰ জাতিসত্তা আৰু পৰিচয় সাহিত্যৰ ভূমিকাক লৈ শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা চক্ৰ

অসম বাৰ্তা, গোসাঁইগাঁও, ৯ অক্টোবৰ ঃ উত্তৰ-পূব ভাৰতৰ জাতিগত পৰিচয় আৰু সাহিত্যৰ ভূমিকাক কেন্দ্ৰ কৰি আজি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও কলেজত এখন এদিনীয়া ৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত হয়। গোসাঁইগাঁও কলেজৰ বড়ো বিভাগ আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষ (IQAC)-ৰ উদ্যোগত তথা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ সহযোগত অনুষ্ঠিত এই আলোচনা চক্ৰৰ মূল বিষয়বস্তু আছিল "Role of Literature on Ethnicity and Identity in Northeast India" অৰ্থাৎ 'উত্তৰ-পূব ভাৰতৰ জাতিসত্তা আৰু পৰিচয় গঠনত সাহিত্যৰ ভূমিকা'। অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সাহিত্য বিভাগৰ ড° অনিল কুমাৰ বড়ো। আনহাতে, সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে মণিপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰেম গোন্দামনি সিং আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী অধ্যাপক ড° ইন্দিৰা বড়ো। আলোচনা চক্ৰত বক্তাসকলে উত্তৰ-পূব ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ সাহিত্যই তেওঁলোকৰ জাতিগত অস্তিত্ব, ভাষা, সংস্কৃতি আৰু স্বকীয় পৰিচয় সংৰক্ষণৰ ক্ষেত্ৰত কেনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে, সেই বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। লগতে সাহিত্যৰ জৰিয়তে জনগোষ্ঠীয় ঐতিহ্য, সামাজিক চেতনা আৰু সাংস্কৃতিক পৰম্পৰা নতুন প্ৰজন্মৰ মাজলৈ কিদৰে প্ৰসাৰিত কৰিব পাৰি সেই সন্দৰ্ভতো আলোচনা কৰা হয়। এই ৰাষ্ট্ৰীয় আলোচনা চক্ৰই উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ সাহিত্য, জাতিসত্তা আৰু পৰিচয় সম্পৰ্কীয় অধ্যয়ন-গৱেষণাৰ ক্ষেত্ৰত নতুন চিন্তা-চৰ্চাৰ পথ মুকলি কৰিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে এনে শৈক্ষিক আলোচনাই ছাত্ৰ-ছাত্ৰী, গৱেষক আৰু শিক্ষকসকলৰ মাজত জনগোষ্ঠীয় সাহিত্য আৰু সাংস্কৃতিক পৰিচয় সম্পৰ্কে গভীৰ বৌদ্ধিক চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব।

মন্দিয়াৰ ২ নং চাছৰা গাঁৱৰ ১৪ বছৰীয়া স্কুলীয়া ছাত্ৰী মাজনী খাতুন নিৰুদ্দেশ; অঞ্চলব্যাপি চাঞ্চল্য

অসম বাৰ্তা, মন্দিয়া, ৯ অক্টোবৰ ঃ বৰপেটা জিলাৰ বাঘবৰ থানাৰ অন্তৰ্গত ২ নং চাছৰা গাঁৱৰ ফেন্দুছ খানৰ ১৪ বছৰীয়া ছোৱালী মাজনী খাতুনৰ নিৰুদ্দেশৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, মাজনী খাতুনে যোৱা ৬ অক্টোবৰত ৰাতিপুৱা ৯ বজাত ঘৰৰ পৰা সত্ৰ কনৰা আৰোহণ জাতীয় বিদ্যালয়লৈ অধ্যয়নৰ বাবে ওলাই আহে। পঞ্চম শ্ৰেণীত অধ্যয়নৰত মাজনী খাতুনে আবেলি বিদ্যালয়ৰ পৰা ঘৰলৈ ঘূৰি আহে যদিও ঘৰত পৰিয়ালৰ লোকক নাপাই মাজনী খাতুনে ওচৰত থকা নদীৰ পাৰলৈ পৰিয়ালৰ লোকক বিচাৰি য়ায়। পৰিয়ালৰ লোকে অহাৰ ইমানপৰেও ঘৰলৈ ঘূৰি নহাত পৰিয়ালৰ মাজত হুৱা-দুৱাৰ সৃষ্টি হয়। আজি চাৰি দিন পাৰ হৈ গ'ল যদিও আজিলৈকে কিশোৰী গৰাকীৰ কোনো সন্ধান পোৱা নগ'ল। পৰিয়ালৰ লোকে অনেক বিচাৰ-খোঁচাৰ কৰিও কিশোৰী গৰাকীৰ শুংসূত্ৰ নোপোৱাত অধিক চিন্তিত হৈ পৰিছে। এই সন্দৰ্ভত মন্দিয়া আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে বুলি পৰিয়ালৰ লোকে সংবাদ মাধ্যমক জানিব দিয়ে। ইতিমধ্যে মন্দিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মাইনা দাসে জোৰ তদন্ত অব্যাহত ৰাখিছে। আজিৰ পৰা কিছুদিন পূৰ্বে সেই ঠাই ডোখৰতে এজনী কণমানি ছাত্ৰীক গাঁওখনৰ তিনি গৰাকী নৰপিশাচে ধৰ্ষণ কৰি হত্যা কৰে। সেই ঘটনা মাৰ নৌযাওঁতেই একেখন গাৱত আকৌ কিশোৰী গৰাকী ধৰ্ষণৰ বলি হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। কোনো সদাশয় ব্যক্তিয়ে কিশোৰী গৰাকীৰ সন্ধান পালে স্থানীয় আৰক্ষী থানা নাইবা পৰিয়ালৰ ৭০৯০৪৬৬৩৫৭ এই নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে পৰিয়ালৰ লোকে।

কাব্যগ্ৰন্থ 'হৃদয়ৰ নীলা আকাশ' আৰু উপন্যাস 'পাষাণ নাৰীৰ ডায়েৰী' উন্মোচন

অসম বাৰ্তা, বেৰেজীয়া, ৯ অক্টোবৰ ঃ যোৱা ৪ অক্টোবৰ তাৰিখে মাজুলী বংশীগোপাল গড়মূৰ সত্ৰৰ নাট্য মন্দিৰত অনুষ্ঠিত হোৱা "নৱজাগৰণ সাহিত্য আৰু সংস্কৃতি মঞ্চ"ৰ ষষ্ঠ বাৰ্ষিক বৰ্ষপূতিৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আদৰ্শ শিক্ষক, কবি গোপাল বৰাৰ শেহতীয়া কাব্যগ্ৰন্থ "হৃদয়ৰ নীলা আকাশ" উন্মোচিত হয়। কাব্যগ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ তথা মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষা জাহ্নবী লহকৰ বৰুৱাই। গ্ৰন্থখনি উন্মোচন কৰি কবি গৰাকীৰ সাহিত্য যাত্ৰাৰ ভূঁয়সী প্ৰশংসা কৰাৰ লগতে অসমীয়া কাব্য সাহিত্য ভঁৰালত এই নৱ সংযোজনে এক বিশেষ স্থান লাভ কৰিব বুলি আশা প্ৰকাশ কৰে আৰু পুথিখনিত প্ৰকাশিত "বানপানী" শীৰ্ষক কবিতাটি সুললিত কণ্ঠেৰে আবৃত্তি কৰে। ইয়াৰ লগতে নৱজাগৰণ সাহিত্য আৰু সংস্কৃতি মঞ্চৰ ষষ্ঠ বাৰ্ষিক অধিৱেশনৰ উপলক্ষে আয়োজন কৰা বিভিন্ন কাৰ্যসূচীত বিশিষ্ট কবি, সাহিত্যিক, শিল্পী, সাংবাদিক আৰু দূৰদুৰণিৰ নিমন্ত্ৰিত অতিথি আৰু ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানটো সফল কৰি তোলে। অনুষ্ঠানটোৰ জৰিয়তে মাজুলীৰ সাহিত্য প্ৰেমীৰ সমাজত এক নৱজাগৰণৰ সৃষ্টি কৰে। উল্লেখ্য যে উক্ত অনুষ্ঠানতে নগাঁও জিলাৰ ঘাঁহী বিহুচোৰাবৰৰ কাব্যগ্ৰন্থখনিৰ লেখক "গোপাল বৰা"ক নৱজাগৰণ কাব্য সাধনা সন্মান -২০২৬ প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানতে যুৱ লেখক, সাহিত্যিক দীপ দাসৰ পঞ্চমখন উপন্যাস "পাষাণ নাৰীৰ ডায়েৰী" আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে।

ব্যক্তিগত বিদ্যালয় বন্ধৰ নিৰ্দেশ দিয়া নাই শিক্ষা বিভাগে

প্ৰশাসনিক পঞ্জীয়ন বাতিলক লৈ বিভ্ৰান্তি সৃষ্টি কৰাৰ অভিযোগ

অসম বাৰ্তা, মেৰাপানী, ৯ অক্টোবৰ ঃ অসমৰ বিভিন্ন প্ৰান্তৰ একাংশ ব্যক্তিগত বিদ্যালয়ৰ প্ৰশাসনিক পঞ্জীয়ন বাতিলক লৈ শেহতীয়াকৈ সৃষ্টি হৈছে ব্যাপক বিভ্ৰান্তি। শিক্ষা বিভাগে উপযুক্ত নথিপত্ৰ নথকাৰ বাবে একাংশ ব্যক্তিগত বিদ্যালয়ৰ প্ৰশাসনিক পঞ্জীয়ন বাতিল কৰাৰ নিৰ্দেশ দিয়াৰ পাছতে বিষয়টোক লৈ বিভিন্ন মহলত চৰ্চা আৰম্ভ হৈছে। ইফালে, প্ৰশাসনিক পঞ্জীয়ন বাতিল কৰাৰ বিষয়টোক ব্যক্তিগত বিদ্যালয় বন্ধ কৰাৰ নিৰ্দেশ হিচাপে একাংশ সংবাদ মাধ্যমে উপস্থাপন কৰাত ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হোৱাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখযোগ্য যে, ব্যক্তিগত বিদ্যালয়সমূহ বন্ধ কৰাৰ কোনো নিৰ্দেশ শিক্ষা বিভাগে জাৰি কৰা নাইবুলি ইতিমধ্যে শিক্ষা মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিছে। অভিযোগ অনুসৰি, বিষয়টোৰ প্ৰকৃত পটভূমি তথা শিক্ষা বিভাগৰ নিৰ্দেশৰ তাৎপৰ্য স্পষ্ট নকৰাকৈ একাংশ সংবাদ মাধ্যম আৰু প'ৰ্টেলে বাতৰি প্ৰকাশ কৰাৰ ফলত বহু অভিভাৱক, শিক্ষাৰ্থী আৰু বিদ্যালয় কৰ্তৃপক্ষৰ মাজত অনিশ্চয়তাৰ সৃষ্টি হৈছে। বিশেষকৈ 'ৰিপ'ৰ্টাৰ লাইভ' আৰু 'D24 News Assam' নামৰ দুটা প'ৰ্টেলৰ লগতে কিছু মহলে শিক্ষা বিভাগৰ বক্তব্য গ্ৰহণ নকৰাকৈ বিষয়টো সম্পৰ্কে বাতৰি প্ৰকাশ কৰি ৰাইজৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰাৰ অভিযোগ উত্থাপিত হৈছে। শিক্ষা বিভাগৰ মূল নিৰ্দেশনা অনুসৰি, উপযুক্ত নথিপত্ৰ নথকাৰ বাবে প্ৰশাসনিক পঞ্জীয়নৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে; ইয়াক ব্যক্তিগত বিদ্যালয় বন্ধ কৰাৰ নিৰ্দেশ বুলি অভিহিত কৰাটো সঠিক নহয় বুলি সংশ্লিষ্ট মহলে স্পষ্ট কৰিছে। ইতিমধ্যে মুখ্যমন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীৰ স্পষ্টীকৰণৰ পাছত ব্যক্তিগত বিদ্যালয় বন্ধ হ'ব বুলি সৃষ্টি হোৱা আশংকাৰ অৱসান ঘটিছে। বিষয়টোৰ সম্পূৰ্ণ তথ্য পৰীক্ষা কৰি সংবাদ পৰিৱেশন কৰাৰ লগতে ৰাইজক বিভ্ৰান্ত নকৰিবলৈ সংশ্লিষ্ট মহলে আহ্বান জনাইছে।

জেষ্ঠ সাংবাদিকক অভিনন্দনৰ সিদ্ধান্ত

বিহালী প্ৰেছ ক্লাৱৰ কাৰ্যকৰী সভা

অসম বাৰ্তা, জিনজিয়া, ৯ অক্টোবৰ ঃ বিহালী প্ৰেছ ক্লাৱৰ কাৰ্যকৰী সভা কালি বেদেতীৰ অমিয়ভৱনত অনুষ্ঠিত হয়। প্ৰেছ ক্লাৱৰ সম্পাদক অম্লান কাশ্যপ চাহই আতধৰা সভাত প্ৰেছক্লাৱৰ সভাপতি ভুবন লুইটেলে সভাপতিত্বত কৰে। সভাত বিহালী প্ৰেছক্লাৱৰ সাংগঠনিক দিশৰ ওপৰত আলোচনা কৰাৰ লগতে আগন্তুক অধিবেশনৰ আগে আগে বিহালী প্ৰেছ ক্লাৱৰ মুখপত্ৰ প্ৰকাশৰ ওপৰত আলোচনা কৰে, বিহালীত ২৫বছৰ সম্পূৰ্ণ কৰা জেষ্ঠসাংবাদিকক অহা ২নবেম্বৰত অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰাৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰে যাৱতীয় কাম সম্পাদন কৰিবলৈ সভাপতি সম্পাদকক দায়িত্ব অৰ্পন কৰা হয়। বিহালী প্ৰেছ ক্লাৱৰ আৱণ্টিত ভূমিত গৃহ নিৰ্মাণ সম্পৰ্কতো সভাত আলোচনা হয়। সভাত প্ৰধান মন্ত্ৰী সূৰ্যঘৰ আচনিত বিহালীৰ সাংবাদিকক বিনামূলীয়াকৈ সংযোগ কৰাৰ বাবে মুখ্যমন্ত্ৰীক আবেদন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাতউপ-সভাপতি খগেন মটক, সহসম্পাদক মহেন্দ্ৰ পগাগ, পত্ৰিকা সম্পাদক দিগন্ত কুমাৰ দাস, সদস্য দীপক শৰ্মা, কৰণ শইকীয়া, আব্দুল বাৰেক, মিণ্টু বৰাই অংশ গ্ৰহণ কৰে।

মাজুলীত মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰাকক্ষণত গণশক্তিৰ শক্তি প্ৰদৰ্শন

বিজেপি-কংগ্ৰেছ এৰি ৩০ জনৰো অধিক লোকৰ সন্মিলিত গণশক্তি, অসমত যোগদান

অসম বাৰ্তা, উজনী মাজুলী, ৯ অক্টোবৰ ঃ মিচিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰাকক্ষণত মাজুলীত সন্মিলিত গণশক্তি অসমে নিজৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ দাবী কৰিছে। বৃহস্পতিবাৰে মাজুলীৰ ফুলনি গাঁও পঞ্চায়তৰ অন্তৰ্গত ১৫ নং বুথৰ ২ নং ৱাৰ্ডত অনুষ্ঠিত এক যোগদান কাৰ্যসূচীত ভাৰতীয় জনতা পাৰ্টি আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৩০ জনৰো অধিক সদস্য-সদস্যাই সন্মিলিত গণশক্তি অসমত আনুষ্ঠানিকভাৱে যোগদান কৰে। দলীয় সূত্ৰে জানিবলৈ দিয়া মতে, সন্মিলিত গণশক্তি অসমৰ নীতি-আদৰ্শৰ প্ৰতি আস্থা প্ৰকাশ কৰি এইসকল লোকে দলত যোগদান কৰে। যোগদানকাৰীসকলৰ ভিতৰত ভাৰতীয় জনতা পাৰ্টিৰ ১৫ নং বুথ সমিতিৰ সভাপতি বিষ্ণুৰাম পায়েংকে ধৰি দলৰ বিভিন্ন সাংগঠনিক দায়িত্বত থকা কেইবাজনো কৰ্মীও আছে। অনুষ্ঠানত মিচিং মিমাগ কেবাঙৰ কেন্দ্ৰীয় উপ-সভাপতি প্ৰেমধৰ দলে, মাজুলী জিলা এম এম কেৰ সভাপতি অৰুণ গাম, ৩১ নং ফুলনি-জকাইবোৱা সমষ্টিৰ সাধাৰণ সদস্য ত্ৰৈলোক্য পামেগামকে ধৰি সন্মিলিত গণশক্তি অসমৰ বহু জ্যেষ্ঠ নেতা আৰু কৰ্মী উপস্থিত থাকে। তেওঁলোকে নতুন সদস্যসকলক দলীয় গামোচা পিন্ধাই আনুষ্ঠানিকভাৱে আদৰণি জনায়। অনুষ্ঠানত উপস্থিত নেতাসকলে কয় যে, আগন্তুক মিচিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ পূৰ্বে এই যোগদানৰ ফলত মাজুলীত সন্মিলিত গণশক্তি অসমৰ সাংগঠনিক ভিত্তি অধিক শক্তিশালী হ'ব আৰু নিৰ্বাচনত ইয়াৰ ইতিবাচক প্ৰভাৱ পৰিব। কিন্তু তাৎপৰ্যপূৰ্ণ কথা যে বিজেপিৰ উত্তৰ অসম কেন্দ্ৰীক একমাত্ৰ মিত্ৰদল গণশক্তি অসমে মিত্ৰ দল বিজেপিৰ পৰাও মানুহক নিজ দলত যোগদান কৰোৱাৰ কাৰ্য্যই স্বাভাৱিকতে বিজেপিৰ নীতি আদৰ্শৰ সৈতে গণশক্তিৰো ক'ৰবাত মোহভংগ ঘটিছে নেকি বুলিও সৰ্বত্ৰে চৰ্চা চলিছে।

ৰাষ্ট্ৰীয় টাইকোৱানডু চেম্পিয়নশ্বিপত স্বৰ্ণপদক বিজয়ী চপাইৰ জয়প্ৰিয়া ডেকাক ঢোলে ডগৰে আদৰিলে গঞাই

অসম বাৰ্তা, মঙলদৈ, ৯ অক্টোবৰ ঃ মধ্যপ্ৰদেশ টাইকোৱান ডু ফেডাৰেছনৰ উদ্যোগত টাইকোৱান ডু ফেডাৰেচন অৱ ইণ্ডিয়া আৰু ইণ্ডিয়ান অলিম্পিক সংস্থাৰ সহযোগত ইন্দোৰৰ চামেলী দেৱী গ্ৰুপ অৱ ইন্সটিটিউশ্বনৰ অন্তঃদ্বাৰ ক্ৰীড়াংগনত ৪০ সংখ্যক চাব জুনিয়ৰ আৰু ৪৩ সংখ্যক জুনিয়ৰ টাইকোৱান ডু চেম্পিয়নশ্বিপত মঙলদৈ চপাই অধমাপাৰাৰ জয়প্ৰিয়া ডেকাই সোণৰ পদক লাভ কৰিছে। যোৱা ২-৪ অক্টোবৰলৈ হোৱা এই প্ৰতিযোগিতাত জয়প্ৰিয়া ডেকাই ৪৯ কেজি শাখাত সোণৰ পদক লাভ কৰে। অধমাপাৰাৰ ক্ষুদ্ৰ ব্যৱসায়ী দম্পতী হিতেশ ডেকা আৰু ববিতা ডেকাৰ কন্যা তথা জ্ঞান বিকাশ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী জয়প্ৰিয়া ডেকা পদক লৈ আজি মঙলদৈ চহৰত উপস্থিত হোৱাৰ পিছতে শতাধিক গঞা ৰাইজে ঢোলে ডগৰে হৰ্ষোল্লাসেৰে গৃহলৈ আদৰি আনে। যাত্ৰাপথত বহু দল সংগঠন আৰু ব্যক্তিয়ে খেলুৱৈ গৰাকীত অভিনন্দন জ্ঞাপন কৰে। আনহাতে সন্ধিয়া চপাই যুৱ কল্যাণ কেন্দ্ৰ, চপাই থিয়েটাৰ পৰিচালনা সমিতি, চপাই পদুম পাহি মইনা পাৰিজাত, চপাই বণিক সন্থা, চপাই সাহিত্য সভা, চপাই আঞ্চলিক সৰ্বজনীন দুৰ্গাপূজা উদযাপন সমিতি, ৰামহৰি সন্মিলিত যুৱ মঞ্চ আদিয়ে সম্বৰ্ধনা জ্ঞাপন কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন